# কটনিয়ান

সম্পাদক ঃ চিদা বৰুৱা

১৩৫৮ চন | বছৰেকীয়া প্ৰকাশ | ২৭ শ সংখ্যা


## শব্দৰ বেমেজালি

আলোচনা ]

—অধ্যাপক মহেশ্বৰ নেওগ এম, এ,

বহুত সমালোচনাশীল পাঠকৰ এটা আক্ষেপ আছে: প্ৰায়সকল অসমীয়া লেখকেই সচেতন ভাবে বা যত্ন কৰি নিজৰ ভাষাটো চৰ্চা নকৰে। অনেকে কথা কওঁতে আৰু লিখোঁতে ইংৰাজী বাক্য-সঙ্গতি অনুসৰি কয় বা লিখে। এই প্ৰসঙ্গত আৰু এটা কথা মন কৰিবলগীয়া: অনেকৰে মুখত লাগতিয়াল অসমীয়া শব্দটো বা খণ্ডবাক্যটো মনলৈ নহাত ইংৰাজী বা আন ভাষাৰ শব্দকে বা খণ্ড-বাক্যকে ব্যৱহাৰ কৰিব লগীয়া হয় বা তেনেবোৰৰ অসমীয়া ভাঙনি ন-কৈ কৰি লোৱা হয়। নিজৰ ভাষা এৰি আন ভাষাক সচাঁয়-মিছায় শ্ৰদ্ধা কৰাৰ পৰাই কেতিয়াবা নিজৰ বাক্যাৱলীৰ মাজতে কথাবোৰ মেৰ থুৱাই পাঠকৰ বোধৰ পৰা আঁতৰত থাকিব লগীয়া হয়। অভিধান আৰু ভাষা-তত্ত্বৰ পুথিৰ লগত পৰিচয় নথকা হেতুকে অনেক শব্দ অদ্ভুত বৰ্ণ-বিন্যাসেৰে লিখা হয় বা অদ্ভুত অৰ্থত শব্দটোইত প্ৰয়োগ কৰা হয়। অকলযে নজনা সকলেই এই দোষত দোষী, এনে নহয়, পণ্ডিত সকলেও পাণ্ডিত্যৰ মোহত এনে ভ্ৰম-প্ৰমাদৰ সৃষ্টি কৰে। 'চৰাইদেও'ক 'বিহগাদ্ৰি,' 'সুৱনশিৰি'ক 'সুৱৰ্ণশ্ৰী' বা 'স্বৰ্ণদী', 'দিখৌ'ক 'দিক্ষুনদী,' কৰা এনে পণ্ডিতীয়া মোহ। 'কামাখ্যা,' যদিও দেখাত জাতে-পাতে সংস্কৃত শব্দ, 'কামৰূপ' শব্দও যদিও তেনে ধৰণৰে, ডক্টৰ কাকতিয়ে সিহঁতৰ অনা-আৰ্য্য অৰ্থাৎ অষ্ট্ৰিক মূল খুঁচৰি উলিয়াইছে। চীন টাংকুত 'কাণতু' আৰু অসমীয়া বুৰঞ্জী আৰু চৰিত সাহিত্যত 'কৰতিয়া গঙ্গা' বোলা নৈখনক সংস্কৃতীয়া কৰি 'কৰতোয়া' কৰা হৈছে— মহাদেৱৰ হাতৰ পৰা ওলোৱা পানীৰ ধাৰা এই অৰ্থত বোলে সেই নাম। আজি কালিৰ যুগতো জাৰ্মান্ Max-muller-অক সংস্কৃতজ্ঞ পণ্ডিতে 'ভট্ট মোক্ষমূলাৰ' বুলিহে সুখ পাইছে। 'সুৱণশিৰিৰ' কথা কলো, 'ধনশিৰি' আৰু 'ছিৰি লুইত'ৰ কথাও লগতে মনত পৰা স্বাভাৱিক; সংস্কৃতীয়া মনোভাৱ থকা লোকে এই 'শিৰি' আৰু 'ছিৰি'ৰ মূল 'শ্ৰী' বুলিয়ে ধৰিব। কিন্তু তাৰ মূল বড়ো ভাষাৰ 'সিৰি'হে, অৰ্থ—নৈ। 'লুইত' শব্দটো সংস্কৃত 'লৌহিত্য'ৰ বা 'লোহিত'ৰ, 'ছিৰি লুইত' সংস্কৃত 'শ্ৰীলৌহিত্য'ৰ অপ-ভ্ৰংশ বুলি ভবা হয় আৰু তাকে লৈ বাদ-প্ৰতিবাদো চলে। কিন্তু ডক্টৰ কাকতিয়ে 'লুইত'ৰ মূল বুলি ধৰা 'লোহিত' আচলতে 'লাও-টু' কি তেনে অষ্ট্ৰীক ৰূপৰ সংস্কৃতীকৰণ মাত্ৰ। আহোম ভাষাৰ বুৰঞ্জীত বৰনৈৰ নাম 'টি-লাও' বা 'নাম-টি-লাও"। এই নামটো 'নাম' অংশহে

আহোম ভাষাৰ; অৰ্থ—নৈ। আহোম ভাষাত বৰনৈৰ নাম 'নাম ডাও-দি'।

অচিনাকি বা আচহুৱা শব্দ কেনেকৈ সাধাৰণ লোকৰ মুখত পৰি ন-ৰূপ লয় 'দীঘলী পুখুৰী'য়ে তাৰ উদাহৰণ। ইয়াক সম্ভৱতঃ এসময়ত মাত্ৰ 'দীঘি' বোলা হৈছিল ইয়াৰ মূল সংস্কৃত 'দীৰ্ঘিকা'। কিন্তু 'দীঘি' শব্দ আধুনিক অসমীয়াৰ পৰা লোপ পোৱাত, আনফালে এই পুখুৰীটোৰ দীঘ বেছি দেখি, তাৰ নাম সাধাৰণৰ মুখত হৈছে 'দীঘলী পুখুৰী'। ইংৰাজ আমোলৰ প্ৰথম ভাগৰ শাসন-কৰ্ত্তা Captain Brodie আৰু Holroyd চাহাবক সাধাৰণ লোকে 'বৰতি' আৰু 'হাওলাট' চাহাব বুলিহে জানিছিল আৰু লৌকিক গীতটো তেনেকৈহে পোৱা যায়। ইয়াৰ কাৰণ 'বৰতি' বা 'হাওলাট' সাধাৰণৰ চিনাকি, Brodie বা Holroyd নহয়। যোৱা বৰ যুঁজৰ সময়ত মানুহে military আৰু aeroplane শব্দক চিনি নাপাই 'মেলেক্টৰি' বা 'মেলিতৰি' আৰু 'উৰাপেন' শব্দৰ সৃষ্টি কৰিছিল; আকাশী যান যে উৰে, ই অন্ততঃ দেখ্‌দেখ্‌ কথা।

কোনো শব্দৰ মূল ৰূপটো নাজানিলে সিবোৰ লিখাত ভুল হোৱা স্বাভাৱিক। 'গধুলি' শব্দ 'গোধূলি' শব্দৰ পৰা উদ্ভুত, কিন্তু 'পদ-ধূলি' শব্দৰ পৰা 'পদূলি' শব্দ হৈছে বুলি ইমান দিনে যে 'দ'ত দীৰ্ঘ 'ঊ' দি লিখা হৈছে সিহে ভুল, সি ওলাইছে সংস্কৃত 'প্ৰতোলী'-ৰ পৰা। গতিকে 'পদুলী' লিখাইহে বেছি যুক্তি-যুক্ত আছিল। 'স্থগস্থৰী'ৰ পৰা 'টগস্থৰী' আৰু 'স্তম্ভ+ক'ৰ পৰা 'টঙক্' হোৱাৰ বাবে চাই সিবোৰত দন্ত্য 'ত' সংযোগ কৰাই উচিত আছিল। লৰা ওপজা অশৌচ শূদ্ৰই এমাহত খেদাই শুদ্ধিৰ সবাহ পাতে; শূদ্ৰৰ ঘৰত হোৱা বুলিয়ে সি 'শূদিৰ' সবাহ নহয়, হ'ব লাগে 'শুধিৰ' বা 'শুদিৰ' সবাহ। 'পানী' শব্দ যদি দীৰ্ঘ "ী" দি লিখা হয় 'গুৱনী' শব্দও তেনেকৈয়ে লিখিব লাগে, কাৰণ দুইটা শব্দৰ শেষৰ 'নী' ডোখৰ 'নীয়'ৰ অৱশিষ্ট—'পানীয়', 'শোভনীয়'। 'বঙালী মানুহে' কোৱাৰ দৰে বহুতে 'বঙালী ভাষা' লিখে; কাৰণ সেই ভাষাতে তাৰ নাম 'বাংলা', 'বাঙালা' বা 'বাঙ্গালা'; যদিও মানুহবোৰ হল 'বাঙালী' বা বাঙ্গালী'। এইটো ভুল আমি শুধৰালে ভাল; বঙালী-সকলে আজি-কালি 'আসামী ভাষা' নকৈ 'অসমীয়া ভাষা' ক'বলৈ ধৰিছে। এই প্ৰসঙ্গতে ৰবীন্দ্ৰ নাথ ঠাকুৰৰ এটি আৰ্ষ-প্ৰয়োগৰ কথা কওঁ। বৈদিক সংস্কৃতত 'ৰোদসী' শব্দৰ অৰ্থ আকাশ; কিন্তু, ৰবীন্দ্ৰ নাথে এই শব্দটো 'ৰোদ্' ধাতুৰ পৰা হোৱা বুলি সমাৰ্থক 'ক্ৰন্দ' ধাতুৰ পৰা 'ক্ৰন্দসী' শব্দ সৃষ্টি কৰিলে। এনে ধৰণৰ ভুল ভুল তুলনাৰ পৰা উদ্ভৱ হয়। সাধাৰণ উদাহৰণ এটি দিওঁ। সংস্কৃতৰ 'কঞ্চুলিকা' শব্দৰ পৰা 'কাঁচলি' শব্দ হৈছে আৰু অঞ্জলিৰ পৰা হৈছে 'আঁজলি'। 'এক+আঁজলি=একাঁজলি' হোৱাৰ দৰে 'এক+কাঁচলি' 'একাঁচলি' হ'ব পাৰে; কিন্তু একাঁজলিৰ 'ক'টো 'এক' অংশৰ, আৰু 'একাঁচলিৰ 'ক' টো 'কাঁচলি' অংশৰ। কিন্তু কথাটো খেলি-মেলি লগোৱা বাবে 'কাঁজলিয়ে কাঁজলিয়ে ফুল' লিখিবৰ অভিলাষ ওপজে। 'উদ্গতি'ৰ বিপৰীত ধৰ্ম্মী শব্দ 'অধোগতি' আৰু উন্নতি'ৰ বিপৰীতধৰ্ম্মী 'অৱনতি'; কিন্তু দুইটাৰ খেলি-মেলি লগোৱাৰ ফলত ভুলৰো ভুল আওজা 'অধোন্নতি' য়ে দেখা দিয়ে। দেশক মাতৃ ভাবে কল্পনা কৰা নতুন কথা নহয়—'ভাৰত মাতা', 'অসমা' বা 'অসমী আই'। কিন্তু 'অসমী'ৰ গঢ়ত 'ভাৰত মাতা'ৰ ঠাইত 'ভাৰতী' লিখাটো নজনা লোকৰ চিন, কাৰণ 'ভাৰতী'ৰ অৰ্থ সৰস্বতী। 'ভাৰতী স্বাধীনা হ'ল'—গীতৰ এই ফাকিটোৰ অৰ্থ মাথোন ইমানেই হব প'ৰে—আমি বাক্-স্বাধীনতা পালো। একে ধৰণৰ ধ্বনি থকা দুটা শব্দৰ এটা বিদেশী হলে, কেতিয়াবা তাৰ অৰ্থ স্পষ্টকৈ নজনাকৈয়ে অন্যটোৰ অৰ্থত প্ৰয়োগ কৰা হয়। যোৱা যুদ্ধৰ সময়ত সামৰিক-আসামৰিক যোগান বিভাগৰ অনুগ্ৰহত available

শব্দটোৰ বৰ প্ৰচাৰ হৈছিল; ইংৰাজী নজনা মানুহে শব্দেৰে একে ধ্বনি থকা কিন্তু অৰ্থত অলপ পৃথক 'উভৈ-নদী' শব্দৰ পৰিৱৰ্ত্তে এই শব্দ নিঃসংকোচে ব্যৱহাৰ কৰিছিল। এনেদৰে horrible, 'হৰি বোল'; Summon 'শমন'; hope 'হেঁপাহ'; ration, 'ৰছদ'—শব্দৰ এই যোৰবোৰত অনেকৰ খোকোজা লাগিব পাৰে। ধ্বনি-বিজ্ঞানৰ নিয়ম নজনা বাবে বা আঞ্চলিক উচ্চাৰণ-ৰীতি মানি চলা বাবে কেতিয়াবা ভুল আৰু কেতিয়াবা আহু-কালৰ সৃষ্টি হব পাৰে। '—কেইটা', কেয়ো (কেই+ও)', 'কেইবা'—তিনিওটা শব্দৰ মূল গঠন 'কেই'; কিন্তু উচ্চাৰণত সিহঁত হৈ পৰে 'কিটা' (ভাতকিটা), 'কেউ' (কেউপিনে), 'কেবা' (কেবাবাৰো); গতিকে সিহঁতৰ মূল গঠন 'কেই'-টো লুকাই পৰে। শব্দ কেইটামূল গঢ়ত লিখিলে খেলি-মেলি নলগা হব—হাত কেইটা, কেয়োপিনে, কেইবাবাৰো। 'পাৰ্' আৰু 'নোবাৰ্' ধাতুৰ পৰা ধ্বনি-নীতিমতে 'পৰা', আৰু 'নোৱাৰা' বা 'নোৱাৰা'ও হব পাৰে। 'নোৱাৰা'টোকে সাধাৰণতে লিখা দেখা যায়। 'ইও', 'সিও', 'নৈও' আদি শব্দ লিখোঁতে কোনোৱে 'য়' শ্ৰুতি-ধ্বনি লগাই দিয়ে, অৰ্থাৎ 'ইয়ো', 'সিয়ো', 'নৈও' ইত্যাদি লিখে। Emphasis বা কথাত হেঁচা দিবৰ বাবে যোগ কৰা 'ও' প্ৰত্যয়ৰ আগত 'য়' শ্ৰুতি-ধ্বনি প্ৰয়োগ কৰিবৰ আৱশ্যক নাই। প্ৰথম কথা মূল শব্দ আৰু প্ৰত্যয়টোৰ মাজত হেঁচা দিওঁতেই জিভাখন মূল শব্দৰ শেষৰ আখৰৰ উচ্চাৰণ স্থানৰ পৰা 'ও' ৰ উচ্চাৰণ-স্থানলৈ আগ বাঢ়ি যায়, গতিকে শ্ৰুতি-ধ্বনিৰ আৱশ্যক নোহোৱা হয়। দ্বিতীয়তে, 'য়' প্ৰয়োগৰ পৰা সান মিহলিৰ সৃষ্টি হব পাৰে। ভাষা-বিজ্ঞানত বিপ্ৰকৰ্ষ বা স্বৰভক্তি নিয়মে কেতিয়াবা যুক্তাক্ষৰৰ মাজত 'অ', 'ই', 'উ' 'এ' আৰু 'ও' উচ্চাৰণ সোমায়-উচ্চাৰণৰ সুবিধাৰ কাৰণে। যেনে বৰ্ণ—বৰণ, স্ত্ৰী-তিৰী,—মুক্তা—মুকুতা, ম্লেচ্ছ—মেলেচ, স্বাদ—সোৱাদ। 'প্ৰীতি' শব্দৰ যুক্তাক্ষৰ 'প্ৰ''ত 'ই' স্বৰভক্তি স্বৰ প্ৰয়োগ কৰিলে 'পিৰ', হব আৰু শব্দটো হব 'পিৰীতি'; কিন্তু বহুতেই লিখোঁ 'পীৰিতি'। সেইটো ভুল। পণ্ডিত 'অগাধ' নে 'অগাঢ়'? 'গাঢ়' মানে গভীৰ, সেইটো জানো। গাঢ় পূৰ্ব্বত 'অ' লগালে তাৰ বিপৰীত অৰ্থ হব পাৰেনেকি? নহয়—'কুমাৰী', 'অকুমাৰী', 'বিহনে', 'অবিহনে' সমাৰ্থক। 'অকুমাৰী', 'অবিহনে' আৰু সেই দৰে 'অগাঢ়'ৰ 'অ'টোক বোলা হয় Pro-thetic বা স্বৰাগমৰ 'অ'। গতিকে 'অগাধ' নিলিখি 'অগাঢ়' লিখিলে শুদ্ধকৈয়ে লিখা হ'ব। গুণবাচক বিশেষ্যৰ ভুল বহুতে কৰে। 'এক'ৰপৰা 'ঐক্য', 'ঐক', 'একতা'; 'দীন'ৰপৰা 'দীনতা', 'দৈন্য'; 'সুহৃদৰ'পৰা 'সৌহাৰ্দ্দ' 'সৌহাৰ্দ্য'—এইবোৰ গুণবাচক বিশেষ্য উৎপন্ন হৈছে। এইৰূপবোৰ একাধিক হোৱা সত্ত্বেও 'ঐক্যতা' 'দৈন্যতা' আৰু সৌহাৰ্দ্দতা বা 'সৌহাৰ্দ্যতা' লিখিব কিয় লগা হয় বুজা টান। একে অৰ্থ দুটা তদ্ধিত প্ৰত্যয়ৰ একেটা শব্দতে নাথায়। কেতিয়াবা দেখা যায় একোটা শব্দত দিয়া হেঁচা কাল-ক্ৰমত হেঁচা বুলি পৰিগণিত নোহোৱাত পৰে। 'তথাপি' বুলিলেই 'সিমানতো' বুজায়; কিন্তু 'অপি'ৰ বল লাহে লাহে অনুভূত নোহোৱাত তাতে 'ও' যোগ কৰা হল—'তথাপি'ও। ই সাধাৰণতে প্ৰচলিত শব্দ হলেও তাত যে মহত্বৈক শিং চৰা হৈছে, ই ধ্ৰুৱ। সকলো ভাষাতে তেনে হয়। ইংৰাজী Coildren শব্দটোকে ধৰক। পুৰণি ইংৰাজীৰ Cild শব্দত বহুবচন প্ৰত্যয় যোগ দি cilder কৰা হল; কিন্তু শব্দটোৰ বহুবচন অৰ্থ লোক-স্মৃতিত লোপ পোৱাত আৰু এটা বহুবচন-প্ৰত্যয় যোগ দি Cildren কৰা হল। সেই বাবেই শব্দটোক দুগুণা বহুবচন বোলা হয়।

'ওভতা', 'ওলটা', 'নোহোৰা'-নোপজা', 'বছেৰেকীয়া' এই ৰূপবোৰ এৰি কোনোৱে 'ওভোতা', 'ওলোটা', 'নোহোৰা-নোপোজা', 'বছেৰেকীয়া' লিখে। অৱশ্যে তেনে কৰাত সাধাৰণ লোকৰ উচ্চাৰণ ৰীতি আৰু ধ্বনি-বিজ্ঞানৰ এটা কথা মানি চলা হয়। ধ্বনি-বিজ্ঞানৰ কথাটো হ'ল সমীকৰণ—assimilation. 'নোপজা' শব্দটো মাতোতে 'নো' আৰু 'জা'ৰ উচ্চাৰণৰ সময়ত জিভাখন মুখ গহ্বৰৰ তলত পৰি থাকে কিন্তু 'প'ৰ উচ্চাৰণত সি ওপৰ উঠিব লগিয়া হয়। এলেহুৱা জিভাই এইদৰে লৰা চৰা নকৰি একে ঠাইতে থাকিবলৈ বিচাৰে। গতিকে 'নোপজা' 'নোপোজাত,' পৰিণত হয়, কিন্তু তাৰপৰা শব্দটো বিকৃত হৈ পৰে। সাধাৰণ কথাত তেনে বিকৃত উচ্চাৰণ হলেও লিখাত হবলৈ দিয়া অযুগুত। সমীকৰণ-বিষমীকৰণৰ ৰীতি সকলো ক্ষেত্ৰতে মানিলে 'তপত'ক 'তোপত' 'অকল'ক 'ওকল', 'নাৰায়ণ'ক 'নেৰায়ণ' লিখিব লগীয়া হ'ব। সমাৰ্থক শব্দৰ বিশেষকৈ একে এটা ধ্বনি থাকিলে তাক লৈ আহুকালৰ সৃষ্টি হয়। 'ওভতা'ৰ ঠাইত 'ওভটা' 'ওলটা'ৰ ঠাইত 'ওলতা' লিখি ওলট-ওভত কৰাৰ গুৰিতে সিয়ে। 'কঁাহ' (ধাতু) আৰু 'কাহৰ' (ৰক্ষ) মাজতো সেইদৰে খেলি-মেলি লাগে।

কেতিয়াবা কোনো অসমীয়া শব্দৰ ৰূপটো নজনাৰ দোষত শুদ্ধটোকে, শুধৰাবৰ বাবে কাৰো প্ৰবৃত্তি হয়। 'ভূতৰ ওপৰত দানহ ওলোৱা' এটা জঁতুৱা খণ্ড-বাক্য; 'দানহ'ৰ ঠাইত 'দানৱ' লিখিলে সি আৰু জঁতুৱা হৈ নাথাকে। কেতিয়াবা এনে নজনা দোষ ঢাকিবৰ বাবে ভুল ব্যাখ্যাৰ সহায় ল'ব লগীয়া হয়। শঙ্কৰদেৱৰ ভাগৱতত আছে-'সনিয়াত মাৰে গাম্বি, পিন্ধে গলে কাছু-কাম্বি, কাছতে আছন্ত হেমহাৰ'। সনিয়া বা সোণামুখী সোণ-বৰণীয়া পাতৰ এবিধ উদ্ভিদ। কোনোৱে তাকে নাজানি 'সনিয়া'ৰ অৰ্থ 'শূইন' বা আন কিবা এটা কৰে। কিন্তু কথাষাৰৰ অৰ্থ পোন—মানুহে সোণৰ হাত এৰি সোণামুখীৰ পাত আঁচলত বান্ধি লোৱা আৰু ডিঙিত কাছ বা গ্ৰাহৰ কাঠী পিন্ধা অদ্ভুত কথা।

——:0:——

"আইডিয়া যিমান ডাঙৰেই হ'ক, তাক উপলব্ধি কৰিবলৈ হলে প্ৰথমে তাক এখন নিৰ্দিষ্ট সীমাবদ্ধ ঠাইত হস্তক্ষেপ কৰিব লাগে।

—ৰবি ঠাকুৰ

# ল, সা, গু,

কবিতা ]

মহেন্দ্ৰ বৰা
৪ৰ্থ বাৰ্ষিক ( কলা )

আমাৰো কবিতা হ'ব শব্দৰ বিন্যাস ?
ৰবীন্দ্ৰনাথেও ভাবে, আজিৰ পাচত অহা শতিকাই
কবিৰ বীণত বজা
জীৱনৰ মৰ্ম্মবাণী হয়তো শুনিব পাৰে, হয়তো নুশুনে !
অচিনাকি, ছঁয়াময়া
অৰ্থবিহীন বৰ্ণভঙ্গ চাতুৰীৰ, যাদুকৰী শব্দ-জাল
পাহৰিব অহা শতিকাই
মোৰ কবিতাৰ মিছা অভিব্যঞ্জনা।
: বুৰঞ্জী! তামৰ ফলি। মোৰ কবিতাৰ জীৱাশ্ম—
( সময়ৰ হাত-বুলনিত, বোল লাগে আঁউসী নিশাৰ )
ৰাফেলৰ ছবি—
যাদুঘৰৰ আন্ধাৰ চুকত
উই-পৰুৱাৰ চুমা ;—মেডোনাৰ ওঁঠত ?
: মহেঞ্জো। হৰপ্পা। নালন্দাৰ ভগ্নস্তূপ
—ইতিহাসে ভাঙিলে টোপনি।
মইতো পাহৰি যাওঁ
বিস্মৃতিৰ আন্ধাৰ গুহাত
ডুব যায়,
তাজমহল, অজন্তা, ইলোৰা।
নতুন দিনৰ ফেঁহুজালি ?
মোৰ কবিতাত
সাধুকথাৰ ৰাজকুঁৱৰীক সপোনে চোঁৱৰ চলোৱা
সোণকাঠিৰ পৰশত ঘুমটি ভঙা ছবি
ছন্দৰ ঝঙ্কাৰে নোতোলে কঁপাই।
: নীলা মেঘ কেনেকি ফুৰিম
শুকুলা হাতীত উঠি
—সেই কামনাৰ নুফুলে পদুম।
জীৱন। লজিক। ফৰ্ম্মূলা আৰু কবিতা।
মানুহৰ কামনাৰ ক'লোচচ
স্কাই-স্ক্ৰেপাৰ
ধূলিৰ লগত মিহলি হৈ যাব ;
ৰাষ্ট্ৰনায়কৰ আঙুলিৰ এটি সঙ্কেতত
—ডবা খেলা যদি ভুল হৈ যায়।
মোৰ কবিতাই ঢুকিয়েই নাপায়, সৃষ্টিৰ লজিক ক'ত ?
এটম বোমাৰ যুগৰো মানুহ মই।
পঞ্জিকাত আউল লাগি যায়,
এটম বোমাৰ যুগৰো মানুহ মই।

: আজিৰ বিজ্ঞানে চকু থাপে
বুৰঞ্জীৰ আনটো পাৰত
—চৌৰে য'ত বাগৰ সলায়।
দূৰবীক্ষণ অচল হয়, তাৰ বৃত্তৰেখা চুই।
ল, সা, গু, নোলায়
আজিৰ সভ্যতা নে পকী দেৱালৰ ৰিফিউজীজনী
অনাগত দিনত বাকী বৈ যোৱা তাই,
এটম বোমাই যাক পৰশি নাযায়
—কালিদাসৰ জন্মৰ তাৰিখ যাৰ মুখস্থ নাই ?···
নতুন দিনৰ কবি মই,
মোৰ কবিতাৰ পাণ্ডুলিপি—
মিলি মিলি নিমিলা ছন্দ, কাৰ বাবে শব্দৰ বিন্যাস ?

---

কটন কলেজ সুকুমাৰ কলা প্ৰতিযোগিতাত ১ম পুৰস্কাৰ প্ৰাপ্ত।

——:0:——

# পুৰণি পৃথিৱী আৰু নতুন মানুহ

গল্প ]

—মহম্মদ তাহেৰ
দ্বিতীয় বাৰ্ষিক, বিজ্ঞান

তেওঁলোক এতিয়া দহজন।·········

আগতে সাতজন আছিল। নতুনকৈ সোমাইছেহি এলবাৰ্ট, চন্দ্ৰিকা আৰু শান্তি।

* * * কোঠাটো সৰু। মাজতে এখন ঘূৰণীয়া মেজ। তাৰ চাৰিওফালে কেইখনমান টিনৰ চকী। তাতে তেওঁলোক বহে। পোহৰ নোহোৱা, সৰু টেবুল লেমটো মেজখনতে জ্বলি থাকে। তেওঁলোকে গভীৰ আলোচনাত মনোযোগ দিয়ে। —কাৰো মুখত হাঁহি নাই। আটাইৰে চকুত, মুখত-গাম্ভীৰ্য্য। -সকলোৱে একান্ত মনে অবিনাশৰ কথাবোৰ শুনি যায়। মাজে মাজে হেমিদে দুৱাৰ এবাৰ মাতে।

"ৱিহিংমুখৰ চাপৰি এটাত সেইফালৰ বহুতো মানুহ গোট খাইছেহি,"—আলোচনা শেষ হবৰ সময়ত অবিনাশে নতুন সুৰত আৰম্ভ কৰিলে; "মই কাইলৈ ৰাতিপুৱাই প্ৰশান্তৰে সৈতে 'চাৰ্জ্জ' কৰিবৰ কাৰণে আৰু চাউলখিনি দিবৰ কাৰণে তালৈকে যাম। ঘাটত চাউলখিনি আজি-য়েই থৈ আহিছো। হেমিদে আমাৰ গোহাৰি-কাগজ খিনি আনি গোটেইখনতে বিলাই দিব। ······আৰু আপোনালোকে চাউলপাত বিচাৰি কেইজনমান টাউনত থাকিব আৰু কেইজনমান গাৱলৈ যাব।"—অবিনাশে ব্ৰজেন আৰু এলবাৰ্টলৈ চালে। ······"বেগম আৰু বকুল, তোমালোকে ইয়াতে ঘি পাৱা কাইলৈৰ ভিতৰতে অলপতে পইচা তুলিবা।" —তেওঁ এইবাৰ চন্দ্ৰিকা আৰু শান্তিৰ ফালে চালে। —এওঁলোক কলেজৰ ছাত্ৰী।

"ভাল চাৰ,"—তেওঁলোকে সন্মতি জনালে।

.....ৰাতি বহুত হৈছিল। তেওঁলোক উঠিল।

......আলি বাটটো প্ৰায় নিজান। দুয়োকাষৰ মানুহবোৰ শুইছে। অবিনাশ, হেমিদ, চফিকা আৰু শান্তি লাহে লাহে গৈ আছে।—তেওঁলোক চাৰিজন অকলে। বাকী কেইজন আন আন বাটেদি গ'ল।

"তোমালোক আমাৰ সংঘত সোমাইছা যেতিয়া; সংঘতে নিবাশ হৈ যোৱা বিধৰ হলে নলাগিব। আমি ওলাইছোঁ মানবক নতুনত্বৰ সন্ধান দিবৰ কাৰণে,—মানুহৰ মধ্যযুগীয় মনোবৃত্তি নিঃশেষ কৰি, যুগৰ লগত খোজ মিলাই মানবতা প্ৰতিষ্ঠা কৰিবৰ কাৰণে। হয়তো বিদ্ৰোহ বিপ্লৱো আমি কৰিব লাগিব। সহজেতো কোনো কামতে কৃতকাৰ্য্য হব নোৱাৰি।" —অবিনাশে চফিকা আৰু শান্তিক কলে।

তেওঁলোক দৃঢ়-প্ৰতিজ্ঞা হৈছে হেনো—।—অবিনাশ শুনি সুখী হ'ল।

অলপদূৰ গৈ অবিনাশ আৰু শান্তিৰ পৰা বিদায় লৈ চফিকা আৰু হেমিদ সৰু ঘৰ এটাত সোমাই পৰিল। চফিকা হেমিদৰ ভনীয়েক। অবিনাশৰ ছাত্ৰী।

.....শান্তি আৰু অবিনাশ তেতিয়াও গৈ আছে। কাৰো মুখত মাত নাই। সিফালৰ পৰা "ফাষ্ট-ক্লাচ" এখন আহে—সিহঁত দুয়োৰে গাত পোহৰ পেলাই পাৰ হৈ যায়।

"ডি, এচ, পি, অজিত দত্ত," —শান্তিয়ে কলে।

"ওঁ—,"—অবিনাশে আৰু একো নকলে।

"ইমান ৰাতি যে ইহঁত ক'ত ঘুৰি ফুৰে —!"—শান্তিয়ে কলে।

"তুমিও জানো ইমান ৰাতি, এইদৰে ঘুৰি ফুৰা নাই?" অবিনাশে হহাঁৰ নিচিনাকৈ কলে।

—দুয়ো মনে মনে থাকিল।

.....তাৰ পাচত শান্তি নিজৰ ঘৰত সোমাল।

অবিনাশ আগবাঢ়িল—অকলে। তেওঁৰ চাৰিওফালে গভীৰ নিৰ্জ্জনতা। মাজে মাজে 'ষ্ট্ৰীট-লাইট'বোৰৰ পোহৰ। —আকাশ পৰিষ্কাৰ। তৰাবোৰ বেচ্ জিলিকি আছে। পাচদিনা বৰষুন দিয়াৰ সম্ভাৱনা নাই। —অকলশৰীয়া হৈ তেওঁৰ ভাল লাগিছিল। বহুত কথা ভাবিবলৈ অৱসৰ পালে। ......মানুহবোৰৰ কথা তেওঁ ভাবিলে —সেই ভূইকঁপত বিধ্বস্ত হোৱা আৰু তাৰ পাচত গহ্বৰ আগমান পানীৰ সোঁতত উটি যোৱা গাওঁবোৰৰ আৰু তাৰ মানুহবোৰৰ কথা। —সহায়,—সহায়ৰ কথা তেওঁ ভাবে। কিন্তু দুমো'ন, চাৰিমোন চাউল দি কিমান সহায় কৰিব পাৰিব—সেই মানুহবোৰক,—যাৰ সৰ্ব্বস্ব উটি গৈছে! —যি মাকৰ কেচুৱা উটি গৈছে যি বাপেকৰ কাণ সমনীয়া পুতেক উটি গৈছে, যি তিৰোতাৰ স্বামী উটি গৈছে, যি স্বামীৰ তিৰোতা উটি গৈছে,—সেই মানুহবোৰক তেওঁ সহানুভূতি জনাব কেনেকৈ! কিহেৰে!! তেওঁ ভাবে।........

......ভাবি ভাবি তেওঁ ভাবিব নোৱাৰা হয়।

তেওঁৰ অজানিতেই তেওঁ গৈ তেওঁৰ সৰু ঘৰটোৰ বাৰাণ্ডাত উঠেগৈ।—ভিতৰত লেমটো জ্বলি আছে।— 'মায়া তেনে শোৱা নাই'।—তেওঁ মনতে ভাবিলে।

মায়া, অ' মায়া,"—তেওঁ ঘৈনীয়েকক মাতিলে, "—মায়া, দুৱাৰখন খুলি দিয়াচোন।—"

অলপ পৰৰ পাচত মায়াই সশব্দে দুৱাৰখন খুলি দিয়ে আৰু খোলাৰ লগে লগেই বকিবলৈ আৰম্ভ কৰে,—"ইমান ৰাতি ক'ত বা ঘুৰি ফুৰেগৈ; ঘৰত যেনিবা কামেই নাই। খালি মেল মাৰি ফুৰিব, মিটিং পাতি ফুৰিব, সংঘ পাতি ফুৰিব; ইফালে ঘৰখন কেনেকৈ চলিব তাৰ খবৰেই নাই। পইচাৰ ইমান দুখ! পইচা এটা ঘটিবলৈ মন নাই। এই বাহিৰা কামত ঘুৰি ফুৰা সময়খিনিত দুটা 'টিউচন' কৰিলেও দেখোন দুকুৰি কপ ওলায়। প্ৰাইভেট কলেজটোত পোৱা কপ শৰ ওপৰতে ইমানদৰে নিৰ্ভৰ কৰি ৰহি থাকিলেনো

কেনেকৈ হব ?……ভগৱানে মোক মাৰিও নিনিয়ে— । ইমান দুখ ।”………

“নহয় মায়া,”—কথা বাঢ়ি যোৱা দেখি তেওঁ কিবা এটা কব খুজিছিল ।

“কি নহয়, নহয় কি—?” —খঙত মায়াই জোৰেৰে চিঞৰি উঠিল ; মাতটোত কান্দোন মিহলি ।

“খঙ নকৰিবাচোন, অলপ শান্ত হোৱা,”—তেওঁ ক'লে ।

মায়া মনে মনে থাকিল ।

“মায়া যোৱা ভূঁইকঁপত আৰু বানত—সেই দিহিংমুখৰ মানুহবোৰৰ অৱস্থা কি হৈছে জানো শুনা নাই ? মানুহবোৰৰ যে কি দুখকষ্ট হৈছে !—শুনিলে চকুৰ পানী ওলায় । কিমান যে মানুহ উটি গ'ল ! যিবোৰ বাকী থাকিল—খোৱা বস্তুৰ অভাৱত আৰু বেয়া পানী খোৱাৰ কাৰণে হাইজাত সেইবোৰ ধুমধাম মৰিবলৈ ধৰিছে ।—তাকে আমি চেষ্টা কৰিছো,—আমাৰ সংঘৰ পৰা কিবা সহায় কৰিব পৰা যায়নেকি—চাওঁ ।—এনেয়ে দুখীয়া কৃষক—তাতে আকৌ ভূইকঁপ, বানপানী, হাইজা—।” মায়াক সেই অপমৃত্যুৰ কৰালগ্ৰাসত সোমাই পৰা দুখীয়া কৃষকবোৰৰ জীৱন্ত অৱস্থাটো উপলব্ধি কৰাবৰ কাৰণে তেওঁ চেষ্টা কৰে ।

ক্ষন্তেক দুয়ো নীৰব ।

“ক'তা মায়া, আমাৰতো একো দুখ হোৱা নাই,”-তেওঁ আকৌ আৰম্ভ কৰিলে, “এশ টকাৰে আমাক দেখোন ভালকৈ আঁটিছে,। ইয়াতকৈ সৰহ কেলৈ লাগিছে ? বেচি বেচি টকা হলে মনবোৰ বেয়া হয় । ……এতিয়া আমি কাৰো পৰা ধাৰ লোৱা নাই । কাকো দিয়াও নাই । আনিছো—খাইছো—কাৰো উপকাৰ কৰিব নোৱাৰিলেও কাৰো অপকাৰ কৰা নাই । ———ভালেই আছোঁ । ……আৰনো আমাক কেলৈ ? …খাবলৈয়ো দেখোন আৰু কোনো নাই— ।”

অলপ অপ্ৰস্তুত হৈ মায়া শোৱনি কোঠালৈ সোমাই যায় । বহুত পৰ অবিনাশ তাতে বহি থাকে অকলে । তেওঁ মায়াৰ কথা ভাবে ।……'মায়া' কি মানুহজনী পাগে তেওঁ ! পইচা, —বিলাস, —আৰাম —এইবোৰৰ বাহিৰে জানো মায়াই একো বুজি নেপায় ? —মায়াৰ অন্তৰত কি মায়া একেবাৰে নাই ? —জগতত ইমানবোৰ মানুহ আছে, —মায়াই কি কাৰোৰে কথা নেভাবে ? …বজাৰৰ পৰা বস্তু কিনি আনিব, —খাব, দোকানৰ পৰা কাপোৰ কিনি আনিব, —পিন্ধিব,—নিজক সজাব, বিলাসীতা কৰিব —,বচ্ - । এয়েইনেকি মায়াৰ জীৱন । —আৰু একো নাই —ভাবিবলৈ কি আৰু একো নাই ? ……জগতত জীয়াই থকাটো জানো ইমান বেপেৰুৱা কথা ? —মানুহৰ জীৱনবোৰ জানো ইমান সহজ ? …মায়াৰ হিয়া জানো পাথৰৰ,— দয়া নাই, মমতা নাই—, প্ৰাণ নাই, অনুভূতি নাই,— ছিঃ—, তেওঁ আৰু নেভাবে ।……

মায়াক নমতাকৈয়ে তেওঁ উঠি গৈ টেবুলৰ ওপৰত কেতিয়াবাই সজাই থোৱা চেঁচা ভাত থিনিৰ দুটামান খাই —শুবলৈ গ'ল । মায়া বেৰৰ কালে মুখ কৰি শুই আছে । কাপোৰ কানি সলাই লেম্পটোৰ ফিতাডাল কমাই দি অবিনাশ বিচনাত পৰিল ।

…কোঠাটো গহীন আৰু নীৰৱ হৈ পৰিল ।

হঠাতে তেওঁ গম পালে মায়াই যেন উচুপিছে ।

“মায়া, অ' মায়া,”—তেওঁ মৰমেৰে মাতিলে ।

“উঁ”,

“তোমাৰ টোপনি অহা নাই ।”

“ওহোঁ—,”

মায়াই আকৌ এবাৰ উচুপা যেন গম পালে ।

“মায়া তুমি কান্দিছা ?” তেওঁ হাতেৰে মায়াক নিজৰ ওচৰলৈ চপাই আনিলে । —“নেকান্দিবাচোন,—” তেওঁ মায়াৰ মূৰত হাত বোলালে, “—কোৱাচোন মায়া, কিয় কান্দিছা—?”…

…অবিনাশ বুকুৰ ওচৰ চপাৰ লগে লগে মায়াই তেওঁ মনবো বহুত ওচৰ চপা যেন অনুভৱ কৰিলে ।

"ৰাখি থোৱাগৈ, ৰাখি থোৱাগৈ"—অবিনাশে চিঞৰিলে।

"এইকিটা চাউল কিনো ৰাখি থাবি ককাই, বৰ ভোক লাগিছে"—সিহঁতে গনিয়াই থাকিল।

অবিনাশ মনে মনে থাকিল আৰু যিমানবোৰ মানুহ আহিল, সকলোকে সেই এপোৱা ধৰা টিনটোৰে এটিন এটিন চাউল দি গল।

—চাউল গলিয়াই গনিয়াই মানুহবোৰ অন্ত তত বহি পৰিছে। চাউল লোৱা মানুহৰ ভিৰ অলপ কমিছে। —এটা বুঢ়া আহিল। চুলিবোৰ তেনেই পকা। অলপ কুঁজা। মুখ থনত কিন্তু জেউতি আছে।—

"তহঁতি চৰকাৰী মানুহ নেকি অ' ককাই?"—বুঢ়াটোৱে সুধিলে।

"ওহো নহয়, আমি বাইজৰ মানুহহে।" অবিনাশে হাঁহি কলে।

"কেনে চৰকাৰে আমি উটি যোৱা কথা নোৱাৰেনেকি?"—

"পাৰে।"

"তেনেহলে চৰকাৰী মানুহ নাহে কেলে,—আমাক চাবলে,—আমাক সহায় কৰিবলে?" বুঢ়াটোৱে কথা পতা দেখি, বহুত মানুহ চাপ খাই আহিল।

"চৰকাৰী মানুহ পালে আমি কাটিম,—গান্ধীৰজাই আমাক ঠগিলে,"—বহুত মানুহে একেলগে চিঞৰি উঠিল।

"তেনেকৈ কব নেপায় নহয়,"—অবিনাশে কোমলাই কৈ গল,—"গান্ধীৰজাই একো কৰা নাই। তেওঁ মহাত্মা, তেওঁ দেৱতা। তেওঁৰ মতে চৰকাৰ চলাহেতেন ৰাইজৰ দুখ নহলহেতেন। কিন্তু আমাৰ আমোলাবোৰ বেয়া, —গান্ধীৰজাৰ মতে নচলে।"——

"ৰাক ৰাক আমোলাবোৰ বেয়া দেকিম ৰহ। 'হৈৰা'ই জীয়াই ৰাখিলে দেকিম। তয়ো দেকিবি।" বুঢ়াই কৈ গল, —"মোৰ দুটা লৰা, তিনিটা নাতি উটি গল। ভৰালটো ভাগি গল, ঘৰবোৰ গৰুবোৰ উটি গল।—আজি সপ্তাহ দিন হল। চৰকাৰে খবৰ নললে,—ৰাক ৰহ! মই গাৱৰ 'গাংবুৰা' আছিলো,—বুজিলি ককাই।" বুঢ়াৰ চকুত পানী। কথবোৰ খোকা-খুকি।

মায়াৰো মনে মনে চকুৰ কোণ দুটা আঙুলি এটাৰে হেপিয়াই চালে, তিতা যেন লাগিল।

—আকৌ পাচদিনা আহিম বুলি কৈ তেওঁলোক নাৱত উঠিল। মানুহবোৰেৰে নৈৰ পাৰটো ভৰি পৰিল। —দুজনী তিৰোতাই বুকুত দুটা কেচুৱা লৈ নাৱৰ ওচৰলৈ আহি কান্দি কান্দি কলে,—"আমি চাউল নেপালো।"

"চাউল নেপালা? —চাউল যে আমাৰ হাততো এটাও নাই।"—অবিনাশ অলপ অপ্ৰস্তুত হল। তেওঁলোক তিনিওজনে ইজনে সিজনৰ মুখলৈ চোৱা-চুই কৰিলে।

"মই কেইথন মান লুচি আনিছিলো, তাৰে দুখন মান ৰাখি দুখন মান দিওঁনে?" মায়াই অবিনাশৰ ফালে চালে।

"ওহো ৰাখিব নেলাগে। দুয়োজনীকে কেওথন ভগাই দিয়া।"—অবিনাশে উত্তৰ দিলে। মায়াই সিহঁত দুয়োজনীকে লুচি আৰু ভাজিথিনি দুভাগ কৰি দি দিলে।

পাৰৰ মানুহবোৰে চিঞৰি উঠিল,—"আমাকো দিয়া, আমাকো দিয়া।" মায়াই হাত দুখনেৰে দেখুৱালে,—আৰু নাই — এখনো নাই।—

—তেওঁলোক গলগৈ। পাৰৰ মানুহবোৰে তেওঁলোক যোৱাৰ ফালে চাই থাকিল—নিৰ্বাক—নিস্পন্দ হৈ। নৈৰ আকোঁৰা-পকোঁৰা গতিটোত তেওঁলোক নোহোৱা হৈ পৰিল।—

—বেলি পৰিবলৈ আৰু বেচি সময় নাই।—

"প্ৰশান্ত" অবিনাশে মাতিলে।

"কি কয়?"

"ভোক লগা নাই জানো?"

"লাগিছে, কিন্তু সেই মানুহবোৰতকৈ বহুত কম।"—প্ৰশান্তই কলে।—

তাৰ পাচত বহুত সময় কেওজন নীৰৱ।—তেওঁলোকৰ ভাগৰ লাগিছিল; তাতে নাও বাইছে উজান মুখে।—

ভোকা লাগিছিল অবিনাশৰ বৰ বেচি। তেওঁৰ বঠাপাত্ত হাতৰ পৰা সৰি পৰো সৰি পৰো যেন হৈছিল,—কিন্তু মনত তৃপ্তি আৰু বল আছিল।—

* * * তেওঁলোক খেতিয়া ঘৰ পাইগৈ, ৰাতি আঠ বাজিছে।—নগৰৰ বিজুলি বাতিবোৰ ঠিক আগৰদৰেই জ্বলি আছে।—মানুহবোৰে আগৰ দৰেই অহা-যোৱা কৰিছে। 'চিনেমা হল'ত আগৰ দৰেই চিনেমা চলি আছে—কিন্তু অবিনাশৰ মনত লাগিল—তেওঁ যেন আন এখন পৃথিৱীৰ পৰা ইয়ালৈ আহিছে।—এইখন যেন বেলেগ পৃথিৱীৰ বেলেগ নগৰ।—ভূমিকম্পত ভগা ঘৰবোৰ যেনৰ ধলত আকৌ আগৰ দৰেই ঠিয় হৈ উঠিল—ইমান কম সময়তে।—

* * * চাহটোপা লৰালৰিকৈ খাই তেওঁ সংঘৰ অফিচলৈ গ'ল।——

"আমি মুঠেই ৭৩৷৶৹ অনাহে উঠাব পাৰিলো, চাৰ"—অফিচত হিচাব খোজোতে চফিকা আৰু শান্তিয়ে কলে। —"মানুহবোৰে পইচা দিবলৈকে মন নকৰে। চৰকাৰী অফিচাৰ সকলে কয় বোলে, তেওঁলোকে 'গৱৰ্ণমেণ্ট অফিচাৰ' সমূহৰ এটা 'ৰিলিফ-ফাণ্ড' খুলিছে—তাতহে যি দিব লাগে দিছে বা দিব;—গতিকে আমাক দিব নোৱাৰে।" —চফিকাই কলে।

সকলো হিচাব-পত্ৰ শেষ হোৱাৰ পাচত, পাচদিনা তেওঁলোকৰ সংঘৰ কেওজন দিহিংমুখলৈ যাবলৈ ঠিক কৰি সকলো উঠিল। —

——বাটটো নিজান। সংঘৰ অফিচৰ পৰা বাহিৰ ওলাই তেওঁ বাটটোত উঠি পৰিল। অফিচতে তেওঁ পাচ পৰিল—আৰু কোনো নাই। দুয়ো ফালে ওখ ওখ পকী দালানবোৰ। বাটটোৰ একো চমকা 'ষ্ট্ৰীট'—লাইটে পোহৰ কৰিছে। অবিনাশ লাহে লাহে আগবাঢ়িল। ...দুয়ো কাষৰ মানুহবোৰ শুইছে। তেওঁ ঘৰৰ কথা ভাবিলে। আগনিশা ৰাতি বেচি হোৱাৰ কাৰণে মায়াই তেওঁক যেনে ব্যৱহাৰ কৰিছিল,—আজি হয়তো তাৰ ঠিক বিপৰীত ব্যৱহাৰ কৰিব। —মায়া,—এৰা, মায়াজনীৰ কথা তেওঁ ভাবে। ভাবিবলৈ বাধা হয়! —মায়াজনী যে আচৰিত ৰকমে পৰিবৰ্ত্তন হৈ গল। —মানুহৰ মন যে ইম'ন সোনকালে পৰিবৰ্ত্তন হৈ যাব পাৰে, তেওঁ ভাবিবই পৰা নাছিল। —আজি চাৰি বছৰ হল তেওঁ মায়াক বিয়া কৰাইছে। —ইমান দিনে তেওঁলোকৰ এটিও সন্তান হোৱা নাই! সন্তান নোহোৱাৰ কাৰণে—তেওঁৰ মনত বিশেষ বেজাৰ নাই। কিন্তু, মায়াৰ মনতহে অশান্তি। মায়াই তেওঁক সন্দেহ কৰে, কিজানি মাতৃ হব নোৱাৰাৰ কাৰণে অবিনাশে মায়াক বেয়া পাইছে। সঁচা কথা কবলৈ গলে, অবিনাশে কিন্তু মায়াক একো বেয়া পোৱা নাই। 'সন্তান এটা ন'হল, নাই; ঈশ্বৰে নিদিয়ে, সৃষ্টিয়ে ৰূপ লবলৈ নিবিচাৰে। মায়াইনো কি কৰিব? মই মায়াক বেয়া পালেনো কি হব?'

'এহ, কি কথাবোৰ যে ভাবিছো! অ', কি ভাবিছিলো! মায়াৰ পৰিবৰ্ত্তন। এৰা, এৰাতিৰ ভিতৰতে, নহয়—ক্ষন্তেকৰ ভিতৰতে মায়াৰ পৰিবৰ্ত্তন হৈ গল।—তাইৰ অন্তৰৰ মানুহজনী জাগি উঠি মহা মানৱতাক সাৱটি ধৰিবৰ কাৰণে দুয়ো বাহু মেলি মোৰ লগত আগবাঢ়ি যাবলৈ সাজু হ'ল।" বহুত কথা তেওঁ ভাবিলে।

গৈ গৈ তেওঁ হেমিদহঁতৰ পদুলিমুখত দেখে—হেমিদ, চফিকা আৰু শান্তিয়ে কথা পাতি আছে।

"মই আপোনাৰ কাৰণে ৰৈ আছো, চাৰ; যাবলৈ কোনো লগ নাই।"—শান্তিয়ে কলে।

"অঁ, বলা,"—অবিনাশে কলে।

"হেমিদ, কাইলৈ সোনকালে ওলাবা দেই।" অবিনাশ নৰল,—গৈ থাকিল।

ঠিক আগৰাতি লগ পোৱা ঠাইতে অবিনাশ আৰু শান্তিয়ে ডি, এচ, পি. অজিত দত্তক লগ পালে। সেইদিনা অৱশ্যে শান্তিয়ে একো মন্তব্য প্ৰকাশ নকৰিলে। কৰিবলৈয়ো হয়তো একো নাছিল।— শান্তি ঘৰত সোমাল। অবিনাশ

গৈ থাকিল—নীৰৱে, নিৰলে। মায়াৰ কথাই, মায়াৰ ভাবে তেওঁক আকৌ জুমুৰি দি ধৰিলে।—মায়াৰ মনটো যে ইমান সহজে পৰিবৰ্ত্তন হৈ যাব, তাক তেওঁ সপোনতো ভাবিব পৰা নাছিল।-- আজি চাৰি বছৰত তেওঁ তেনে মায়াক বুজি উঠা নাই।—এৰা মানুহ বুজা বৰ টান। মায়া—গোটেই মানুহজনী তেওঁৰ আগত মূৰ্তিমান হৈ উঠে। —তেওঁ বিস্ময়— চাৰি বছৰৰ আগৰ মায়া,—আৰু আজিৰ মায়া। তেওঁৰ হাতত দেখোন মায়া খীনাই-শুকাই কিবা কনী হৈ পৰিল। আগৰ মায়া যেন আৰু নাই'—আগৰ মায়াৰ কথা মনত পৰোতে তেওঁৰ নিজৰ জীৱনৰো আগৰ কথা মনত পৰিল।—কলেজীয়া কালৰ কথা। তেওঁ কিমান ভাল ছাত্ৰ আছিল। 'ফিলচফীৰ' অনাৰ্চত ফাৰ্ষ্ট ক্লাছ পাই তেওঁ যেতিয়া বি এ পাচ কৰে,—তেওঁলোকৰ অধ্যাপক জ্ঞান শৰ্ম্মাই নীয়েক মায়াক তেওঁলৈ বিয়া দিবলৈ প্ৰস্তাৱ কৰে।—তাৰ পাছত তেওঁ এম্-এ পাচ কৰিলে। বিয়া কৰিলে।—আজি চাৰিটা বছৰ বাগৰি গ'ল।—মায়াৰো চাৰিটা বছৰতে ৰূপ যৌৱন এক প্ৰকাৰ নাইকিয়া হ'ল। কিন্তু—, কিয় এনেকুৱা হ'ল বাৰু?—তেওঁ ভাবে।—'মায়া অভাৱত পৰিছে।—মায়া অকল টকা পইচাৰ অভাৱতেই পৰা নাই,—মৰম-চেনেহৰো অভাৱত পৰিছে। এৰা, মায়া মায়াৰ অভাৱত পৰিছে!—আজি চাৰি বছৰে তেওঁ মায়াক কিমান মৰম দেখুৱাইছে? ক'তা তেওঁৰ দেখোন মায়াক, নিজৰ বুলি উপলব্ধি কৰিবৰ চেষ্টা আজি চাৰি বছৰে. এদিনো কৰা মনত নপৰে।—আনহাতে বাহিৰৰ জগত-খনত — হিউমেনিটি, হিউমেনিটি,—মানৱতা, মানৱতা কৰি মানৱতাৰ দাবী প্ৰতিষ্ঠা কৰিবলৈ অহোপুৰুষাৰ্থ কৰি ফুৰিছে। —মায়াৰ অন্তৰতো জানো সেই একে মানৱতাই নাই?—এৰা মায়াকো মই মৰম কৰিব লাগিব,—অকল পত্নী বুলিয়েই নহয়,— মানুহ বুলিও।—'

তেওঁ যেতিয়া ঘৰ পায়গৈ মায়া ভাত খাবৰ কাৰণে তেওঁলৈ বৈ আছিল।—

ভাত খাই দুয়ো শুবলৈ গ'ল।—

"মায়া, চাৰ্ভেৰ বহীখন আনাচোন, কি লিখিলা চাওঁ" —বিচনাখনতে বহি অবিনাশে কলে। মায়াই বহীখন আনিলে। তেওঁ মায়াকে পঢ়ি যাবলৈ কলে।—

মায়াই পঢ়ি গ'ল,—"১নং—

(ক) নাম—শ্ৰীতুলাই দলে, বয়স প্ৰায় ৩৭ বছৰ।

(খ) পিতা—মৃত হৰি।

(গ) নিবাস—মেদক গাওঁ।

(ঘ) পানীত উটি গৈছে—ঘৈণীয়েক গঙ্গী, দুটা পুতেক।

(ঙ) সম্পত্তি গৈছে—সকলো। অনুমানিক, ১৮০০টকাৰ

(গৰু, মহ আৰু গুটি ধান ধৰি)

[কোনো সহায় পোৱা নাই।]

২নং—(ক) নাম—শ্ৰীকৃষ্ণ মিৰিয়নী, বয়স প্ৰায় ২৫ বছৰ।

(খ) স্বামী— বগীয়া মিৰি.

(গ) নিবাস—দিহিং-চাপৰি।

(ঘ) পানীত উটি গৈছে— সকলো।

প্ৰায় ১১০০৲ মান টকাৰ আৰু এটা হাতী

[সহায় পোৱা নাই।]

৩নং—(ক) নাম—শ্ৰীমনিৰাম দলে,

বয়স—৭০ বছৰ পকাচুলীয়া বুঢ়া।—"

"বাৰু হৈছে হৈছে,"—বাধা দি অবিনাশে কৈ উঠিল। বাঃ, তুমিতো বঢ়িয়া পিয়ন কৰিলা।"—তেওঁ হাঁহিলে।

"মই আৰু এনেয়ে আই এ পাচ কৰিলোনে?" মায়াই হাঁহি কলে।

"বাৰু বহীখন মোক দিয়াচোন," তেওঁ বহীখন লৈ পাত-বোৰ দুখিলা এখিলাকৈ লুটিয়াই গ'ল। মাজে মাজে দুখন এখন পঢ়িলে। বহীখন শেষকৰি হাতলৈ লই তেওঁ বহুত পৰ কিবা এটা ভাবিলে—বেচ গহীন হৈ।—তাৰ পাচত বিচনাত দীঘল দি পৰিল।—

"মায়া লেমটো একেবাৰে কমাবাই দিয়া,—পোহৰ মোৰ মুঠেই ভাল লগা নাই।" গম্ভীৰ সুৰতেই তেওঁ কলে।

—শেষটো শুমোৱাই মায়া তেওঁৰ নিচেই কাষতে শুই থাকিল।

……বহুত পৰলৈকে অবিনাশৰ টোপনি নাহিল। তেওঁলোকক দেখি মানুহবোৰে চিঞৰা সেই দিনৰ কথা-বোৰ মনত পৰিল। …"আমাক খাবলৈ দিয়া…।" —তেওঁৰ কাণত সেই একেটা কথাই ধ্বনিত-প্ৰতিধ্বনিত হবলৈ ধৰিলে। …'আমাক খাবলৈ দিয়া…।'—তেওঁৰ চকুৰ আগত সেই বুভুক্ষিত মানুহবোৰ ভাহি উঠিল। খাবলৈ নাপাই দুৰ্ব্বল হোৱা, সবল মিৰি মানুহবোৰ। —তেওঁৰ চাৰিওফালে যেন, আন্ধাৰতে সিহঁত ঠিয় হৈ—সেই একেটা দাবীকেই কৰিছে। দাবী,—সচাঁকৈয়ে সেইটো সিহঁতৰ দাবী।…সিহঁতে খাবলৈ পোৱা নাই,—আমি খাবলৈ দিব লাগে; পিন্ধিবলৈ পোৱা নাই,—পিন্ধিবলৈ দিব লাগে; সিহঁত বেমাৰত ভুগিছে,—আমি দৰৱ দিব লাগে; সৰ্ব্বস্ব হেৰুৱাই সিহঁতে কান্দিছে,—আমি মৰম কৰিব লাগে,—সহানুভূতি জনাব লাগে।…সিহঁত মৰিবলৈ ওলাইছে, আমি জীয়াই ৰাখিব লাগে। জীয়াই থকাৰ আৱশ্যকতাটো সিহঁতক শিকোৱা নিতান্ত দৰকাৰ। —পৃথিৱীৰ সেউজীয়া মোহটো সিহঁতে এৰিব কিয়?…কোনো কাৰণ নাই। আত্মীয়বোৰ উটি গ'ল বুলি, সা-সম্পত্তিবোৰ উটি গ'ল বুলি,—সিহঁতো মৰি যোৱাৰ বা সিহঁতকো মৰিবলৈ এৰি দিয়াৰ কি যুক্তি আছে?—কোনো কাৰো কাৰণে মৰিবৰ স্বত্ব নাই। আত্মীয়বোৰ উটি গ'ল,—যাওক। সম্পত্তি?—সি এটা সাধাৰণ বস্তু—'হাতৰ মলি'। সকলো যোৱাৰ পাচত ষিবোৰ বৈ গল,—সিহঁতক ৰাখিব লাগে। —বহল পৃথিৱীখনত ইমানবোৰ মানুহ থকা স্বত্বেও, মানুহবোৰ ইমান সভ্য, ইমান 'কালচাৰদ' হোৱাৰ পাচতো ইহঁতক এনেকৈ অভাৱ-অনাটনত, হাইজা-মহামাৰীত গৰু-পশুৰ দৰে মৰিবলৈ এৰি দিব নোৱাৰি। …সিহঁতক এমুঠি ভাত, এখাৰি মাত আৰু এডুখৰি কাপোৰ—ইমানখিনি,—জীয়াই থাকিবলৈ ইমানখিনি সম্বলতো আমি যোগাৰ কৰি দিব পাৰোঁ। —আমাৰ পৰা সিমানখিনি পোৱাটো সিহঁতৰ দাবী।…

বহুত ৰাতি হল।—তেওঁ শুবৰ চেষ্টা কৰে।—'মায়া জনীয় কেতিয়াবাই টোপনি আহিল কিজানি।'…

……পাচদিনা ৰাতিপুৱা—অবিনাশ সংঘৰ আন আন সভ্য সকলৰে সৈতে দিহিংমুখলৈ গল। দুই-তিন দিনৰ পাচতে কলেজ খুলিব।—কাম অলপ—বেগাই কৰিব লাগে। —মায়া সেইদিনা নগল। অকলে ঘৰতে থাকিল।—

……দুপৰীয়া 'ফাষ্ট' ক্লাচৰ্ত্তন হৈ ডি, এচ, পি অজিত দত্ত আহিল। অবিনাশহঁতৰ পদূলিতে গাড়ীখন ৰখাই তেওঁ নামি আহিল।

"অবিনাশ,"—দত্তই বাহিৰৰ পৰা মাতিলে।

"নাই,"—মায়াই ভিতৰৰ পৰা কলে।

"এহ, তেওঁৰ লগত কথা এটা আছিল।"—গুছি নগৈ দত্ত ভিতৰলৈ সোমাই আহি চকী এখনত বহিল। বাধ্য হৈ, মায়া সিটো কোঠাৰ পৰা ওলাই আহিল।

দত্ত, অবিনাশৰ কলেজীয়া কালৰ বন্ধু। আজি তিনিমাহমান হল, তেওঁলোকৰ নগৰলৈ ডি, এচ, পি হৈ কৰবাৰ পৰা বদলি হৈ আহিছে। প্ৰথমতে অবিনাশৰ লগত তেওঁলোকৰ ঘৰলৈ আহিছিল। অবিনাশে মায়াক কৈছিল,—"কলেজত পঢ়োতে, হ'ষ্টেলত এওঁ মোৰ 'ৰুম-মেট" আছিল। এওঁৰ আগত একো লাজ নকৰিবা।"

……দত্তই মায়াৰ লগত বহুত কথা পাতিলে। মায়াই অলপ আমনি পাইছিল। প্ৰায়ে অবিনাশৰ অনুপস্থিতিত দত্তটো আহে আৰু বহুত বাহিৰা কথা উলিয়ায়। —কেতিয়াবা কয়,—"অবিনাশে সংঘ-তংঘ পাতি বৰ ভাল কৰা নাই। গৱৰ্ণমেণ্টৰ তেওঁৰ ওপৰত চকু পৰিছে।" —মায়াৰ মুঠেই ভাল নেলাগে। —'দত্তটোৱে তেওঁলৈ কেনেকৈ চায়। —ৰিবে মানুহবোৰ।"……

"মায়া,"—বহুত বাহিৰা কথা পতাৰ পাচত দত্তই এবাৰ মাত লগালে।

"মোক ক্ষমা কৰিব,"—কান্দোনৰ সুৰতেই কৈ কৈ মায়াই তেওঁৰ হাতখন নিজৰ বুকুৰ মাজলৈ চপাই আনিলে।

"মোৰ লগত তুমি বহুত দুখ পাইছা, নহয়নে মায়া? মায়াই তেওঁৰ হাতখন নিজৰ বুকুৰ মাজলৈ চপাই আনিলে।

"মোৰ লগত তুমি বহুত দুখ পাইছা, নহয়নে মায়া? তদুপৰি আজি চাৰি বছৰেও...", কিবা এটা কবলৈ ধৰি তেওঁ ৰৈ গ'ল।

"ছিঃ, সেইবোৰ বাদ দিয়ক।"—মায়াই কলে।

...তেওঁলোক দুয়োৱেই ভাবে—আজি চাৰি বছৰে তেওঁলোকৰ জীৱনৰ মাজ-মজিয়াত কোনেও ভৰি দিয়া নাই।—সন্তান—এটি সন্তানৰ অভাব দুয়ো অনুভব কৰিছিল। অৱশ্যে সঁচা কথা কবলৈ গলে অবিনাশক— নিজক এটি সন্তান দৰকাৰ হয়নে নহয় তেওঁ নেজানে;— কিন্তু এই মায়াজনীৰ কাৰণেই অন্ততঃ, তেওঁ অনুভৱ কৰে—এই অভাৱটো।... "মায়া, তুমি মোৰ ওচৰত ইমান দুখ পাইছা, দেউতাৰাৰ ঘৰলৈ গুছি নোযোৱা কিয়?"—কোঠাটোৰ ভাব-ভৰা মৌনতাখিনি কপাই দি তেওঁ কৈ উঠে। —"তুমি যোৱাগৈ, মই অকলে থাকিব পাৰিম। তোমালৈ মাহেষাঠি টকা পঠাই থাকিম। বাকী চল্লিশ টকাৰে মোক আঁটিব;—তুমি যোৱাগৈ।"—সহজ সৰল ভাৱেই তেওঁ কথাখিনি কলে।

"ছিঃ, আপুনি সক লৰাৰ দৰে কিবোৰ যে কৈছে?"—মায়াই অপ্ৰস্তুত হোৱাৰ দৰে কৈ উঠিল।

—অবিনাশেও অলপ লাজ পালে।

—দুয়ো মনে মনে থাকিল।

"মায়া, মোক খুব সোনকালে জগাই দিবা দেই, মই কাইলৈ দিহিংমুখলৈ যাব লাগে।"—অলপ পৰৰ পাচত তেওঁ কলে। "দিহিংমুখলৈ—? —কেলৈ?"
"চাৰ্জে কৰিবলৈ,—চাউল বিলাবলৈ।"

......ৰাতিপুৱা অবিনাশৰ লগত দিহিংমুখলৈ মায়াও যাবলৈ ওলাল। অবিনাশে ইমান হাক দিলে, ভয় খুৱালে, "দুৰ বাট, তিনি মাইল বোকা-পানী খচকি খোজকাঢ়ি আৰু দহ মাইল নাৱেৰে যাব লাগিব।"

মায়াই কিন্তু নুশুনিলে।

× × পাচ দিনা ৰাতিপুৱা। বোকা-পানীৰে ভৰা তিনি মাইল দীঘল বাটটো পাৰ হৈ ঘাট পাওঁতে তেওঁলোকৰ এঘণ্টামান লাগিছিল। —প্ৰশান্তক ঘাটতে তেওঁলোকে লগ পালে। চাউলখিনি নাৱত বোজা দি প্ৰশান্ত সাজু হৈ আছিল।

নাব এৰি দিলে। অবিনাশ, মায়া আৰু প্ৰশান্ত। নাৱখনত আৰু কোনো নাছিল। নৈখনত আছিল—পুৰণি বালি ঢাকি বৈ যোৱা, নতুন সোঁতটো।—আৰু একো নাই।

প্ৰশান্তই নাব বাইছিল। অবিনাশে গুৰি ধৰিছিল।

দিহিঙৰ ভটিয়নী সোঁতত নাৱখন বেগাই গৈছিল। বঠাৰ চাবৰ বাহিৰে বহুতপৰ আন একোৰে শব্দ নাছিল।

"মায়া", নীৰৱতা ভঙ্গ কৰি অবিনাশে মাত লগালে।
"কি কয়?"

"আজি আঠ বছৰৰ আগৰ এটা কথা মনত পৰিছে।"

"আঠ বছৰৰ আগৰ,—মানে ৪২ চনৰ। কওঁকচোন কি কথা?" —মায়া কথাটো শুনিবৰ কাৰণে যেন বৰ উৎসুক হৈ উঠিল।

"আমি তেতিয়া 'থাৰ্ড ইয়েৰ'ত—তেওঁ আৰম্ভ কৰিলে, "কলেজ বৰ্জ্জন কৰি কিছুদিনৰ কাৰণে আমি সংগঠনত লাগিছিলো। মানুহবোৰক স্বাবলম্বী হবলৈ—বক্তৃতা দি ফুৰিছিলো; সূতা কাটিবলৈ শিকাইছিলো আৰু 'কেম্প' পাতি পাতি সত্যাগ্ৰহ, শোভাযাত্ৰা ইত্যাদিৰ 'প্ৰগ্ৰেম' তৈয়াৰ কৰিছিলো। উঃ, কি যে তেতিয়া উৎসাহ নাছিল! —আমাক মানুহবোৰে বৰ ভাল পাইছিল। স্বৰাজৰ কথা শুনি সিহঁত বৰ আনন্দিত হৈছিল। "স্বৰাজ হলে আমি আৰু খাজনা দিব নেলাগে নহয়নে বাৰু?" —সিহঁতে তেতিয়া আমাক সুধিছিল। ...এই দিহিংমুখৰ চাপৰি এটাতে—য'ত আজি ঘৰ দুৱাৰ, সা-সম্পত্তি, আত্মীয়-কুটুম্ব হেৰুৱাই মানুহবোৰ গোট খাইছেহি, তাতে আমাৰ এটা

গুপ্ত কেম্প আছিল। ঠিক এনেকুৱা আগষ্ট মাহৰে এদিন মাজনিশা মই দুজন বন্ধুৰে সৈতে, সেই আমি উঠা ঘাট-টোতে নাৱত উঠি কেম্পলৈ বুলি নাৱ এৰি দিছিলো। নৈ খনৰ সোঁতটো ঠিক আজিৰ দৰেই আছিল ধীৰ, গহীন। —সেইৰাতি, —ঠিক মোৰ মনত পৰিছে, কৃষ্ণ-পক্ষৰ অষ্টমী আছিল। —আমি নাৱ এৰাৰ অলপ পাছতে পূৰ আকাশত জোনফালি উঠিছিল। ঘিট্‌মিটীয়া আন্ধাৰ আৰু পোহৰ তেতিয়া নাছিল। ···আমি গৈ পাওঁ যে আমাৰ কেম্পত ভোজৰ দিহা হৈছে। —ঠিক ৰাতি দুইমান বজাত আমি খাবলৈ বহিছোঁ। সকলোৰে মনত আনন্দ, হাঁহি, খুচী। এনেতে এদল সহস্ৰ পুলিছে আমাক ঘেৰাও কৰে। আৰু পাতৰ ভাত থান, বানকৈ পেলাই দি আমাক এৰেষ্ট কৰি লৈ আহে।"—অবিনাশ ইয়াতে অলপ ৰয় আৰু নাটকীয় সুৰত পুনৰ আৰম্ভ কৰে,—'সেই ৰাতিটোৰ কথা, উঃ, ভাবিলে হৰ্ষ-বিষাদত আজিও মোৰ মনটো থৌকি বাথৌকি লাগে। আমি দেশক স্বাধীন কৰিবলৈ বিপ্লৱৰ গুপুত কেম্পলৈ গৈছো মাজনিশা—নাওৰাই আৰু সেই একেটা ৰাটেৰে আমাক বন্দী কৰি লৈ আহিছে। কিমান যে দুখ আমাৰ পিঠিয়েদি বাগৰি গ'ল—কিন্তু,···" কিবা এটা কবলৈ ধৰি তেওঁ যেন ৰৈ গ'ল।

"কিন্তু কি, কওক—," প্ৰশান্তই এইবাৰ মাত লগালে।

"কিন্তু ইমানৰ পাছতো যেন···," অবিনাশ আকৌ ৰৈ গ'ল।

"ইমানৰ পাছতো যেন দেশ স্বাধীন হলেও, দেশবাসী স্বাধীন হব নোৱাৰিলে—," টপৰাই মায়াই মাত লগালে।

* * * শেষত তেওঁলোক চাপৰিটো পালেগৈ। দেখি আচৰিত হ'ল, উলুৱনি আৰু বিৰিঙানিৰ ওপৰতে খালি গাৰে কিছুমান মানুহ শুই আছে, কিছুমান বহি আছে। তেওঁলোকক যোৱা দেখি চাৰিওফালৰ পৰা মানুহবোৰ তেওঁলোকৰ ওচৰলৈ চাপ খাই আহিল।

"আমাক খাবলৈ দিয়া, আমাক খাবলৈ দিয়া," সিহঁতে চিঞৰিলে। মাতবোৰ ক্ষীণ কিন্তু মৰ্মস্পৰ্শী। চাৰিশ মান মানুহ তেওঁলোকক বেৰি ঠিয় হ'ল।

"আমাক খাবলৈ দিয়া"— সিহঁতে আকৌ চিঞৰিলে। —অবিনাশ, মায়া আৰু প্ৰশান্ত তিনিও আচৰিত।—'লগত অনা চাউল'খিনিয়ে কিজানি ইমানবোৰ মানুহৰ মাজত মুঠে এপোৱা মানকৈহে পৰিব—।'—

"ৰাইজ, ৰহক, ৰহক" অবিনাশে হাত দুইখন জোকাৰি বহিবলৈ কলে।

"আমাক খাবলৈ দিয়া—।"—সিহঁতৰ দুটা এটাৰ বাহিৰে সকলো বহিল।

মানুহ বোৰলৈ মায়াই চালে। ক্ষুধাত মানুহবোৰ এক-প্ৰকাৰ জ্ঞান-হীন হৈ পৰিছে।—পিন্ধা কপোৰ-কাণি একে-বাৰে অসংযত। আটাইবোৰ ক্ষীণাই কিবা হৈ পৰিছে,—যেন মানুহেই নহয়। ডেকা-গাভৰু, বুঢ়া-বুঢ়ী, পুৰুষ-তিৰোতা কাৰো একো প্ৰাৰ্থক্য নোহোৱা হৈ গৈছে। —উহ্‌—।

"প্ৰশান্ত, আমি চাউল খিনিকে ভগাই দিওঁ আহা-।"-

"ৰাইজ," মানুহবোৰৰ ফালে চাই অবিনাশে কৈ গ'ল,-"আমি লগত অনা চাউল কেইমোনকে এমুঠি, আধামুঠি কৰি পাৰো আপোনালোকক দিম। আপোনালোকৰ এজনে যেন দুবাৰ নলয়" —

"আমি তেনেকুৱা নহয় অ' ককাই। আমি মিৰি মানুহ। আইতৰ মানুহৰ নিচিনা বেয়া নহয়।" মানুহবোৰৰ দুটা এটাই কলে।

"প্ৰশান্ত মানুহবোৰক এটা এটাকৈ আহিবলৈ কোৱা, আৰু মায়া তুমিও বহি থাকিব নেলাগে; তুমি মোৰ সেই 'চাৰ্ডে'ৰ বহীখন লৈ লিখি যোৱা—মানুহবোৰৰ নাম, পিতা-কৰ্হতৰ নাম, উটি যোৱা মানুহ আৰু সম্পত্তিৰ বিৱৰণ।

অবিনাশে গাইপতি এপোৱাকৈ চাউল দি গল। কিন্তু তেওঁলোকে দেখি আচৰিত হ'ল- মানুহবোৰে দেখোন চাউল পোৱা মাত্ৰে গলিয়াবলৈ ধৰিছে। —

"কি কয় ?"

"অবিনাশে আজি-কালি ৰাতি ৰাতি সেই শান্তি নামৰ কলেজৰ ছোৱালীজনী লৈ কত ঘুৰে ?"—চকুৰ কোণত দুষ্টালিৰ হাঁহি লুকুৱাই, দত্তই উত্তৰৰ আশাৰে মায়ালৈ চালে।

"জানো, মই কেনেকৈ কম ?" —কৃত্ৰিম গুৰু দেখুৱাই মায়াই উত্তৰ দিলে।

"এৰা, নিজকে আজি কালি বিশ্বাস কৰা টান হৈ পৰিছে।"—দত্তই মন্তব্য প্ৰকাশ কৰিলে।

"বাৰু, অবিনাশে পোৱা এশ টকাৰে তোমালোক কেনেকৈ চলা মায়া ?" —সুৰ বদলাই দত্তই আৰম্ভ কৰিলে। "—মই দেখোন "ৰেষ্টুৰেণ্ট" হৈয়ো ৩০০৲ চলিব নোৱাৰোঁ।"........

"কিয় ? —এশ টকাৰেই দেখোন আমাৰ চেৰ হয়।" —মায়াই কলে।

........বহুত পৰৰ পাচত দত্ত উঠি গল। মায়াই স্বস্তিৰ নিশ্বাস পেলালে।

........ৰাতি আঠমান বজাত অবিনাশ আহিল। চাহ-টোপা খাই আকৌ সংঘৰ অফিচ'ল গল।—

—বৰ ভাগৰ লগাৰ কাৰণে তেওঁ সোনকালে অফিচৰ পৰা গুচি আহিল।—

ৰতৰটো গোমা। আকাশখন ডাৱৰে ভৰা। অবিনাশে ঘৰৰ ফালে বেগাই খোজ দিলে।—'আজি কিজানি সোন-কালে ঘুৰা দেখি, মায়া আচৰিত হব।'—তেওঁ মনতে ভাবিলে........আকৌ মায়াৰ কথা মনত পৰিল।—এৰা, এই কেইদিন তেওঁ মায়াৰ কথা ভাবিছে। —আজি চাৰি বছৰে যেন, তেওঁ মায়াৰ কথা নাভাবি, মায়াক মৰম নকৰি পাপেই কৰিছে।—আজি তিনি দিন,—মুঠেই তিনি দিন—তেওঁ মায়াৰ কথা ভাবিছে। —চাৰি বছৰত—তিনি দিন!—তেওঁৰ নিজৰেই বেয়া লাগিল।—মায়াক কেন্দ্ৰ কৰি—তেওঁ আৰু বহুত কথা ভাবি গল। মায়াক এনেয়ে তেওঁৰ খুব ভাল লাগি উঠিল।

........বাৰাণ্ডাত উঠি অবিনাশে দেখে, দুৱাৰখন আধা মেলখাই আছে আৰু ভিতৰত মায়াই দুৱাৰ খনৰ ফালে পিঠি দি একান্তমনে, কিবা এটা লিখি আছে। এনেয়ে তেওঁৰ মায়াৰ লগত ধেমালি কৰিবৰ মন গল। ....হাতভ লাৰে ভৰিভ লাৰে, তেওঁ ভিতৰ সোমাই মায়াৰ পাচফালে ঠিয় হৈ, তেওঁৰ সোঁহাতৰ আঙুলি কেইটা, মায়াৰ হেণ্ডেলটো ধৰি থকা আঙুলি কেইটাৰ ওপৰত দিয়াৰ লগে লগেই কৈ উঠিল,—"মই তোমাক সহায় কৰোঁ দেই— ।"—তাৰ পাচত তেওঁ খিল্‌খিলকৈ হাঁহি দিলে।

মায়া উচাপ্‌ খাই উঠিল। মুখৰ বৰণ কিজানি নিশ্চয় সলনি হৈছিল। লেম্পটোৰ ক্ষীণ পোহৰত অৱশ্যে সেইবোৰ নেদেখি।—

"কি লিখিছা—মায়া ?" —তেওঁ হাঁহি হাঁহি কাগজ খন তুলি ললে।

—মায়া নিৰ্ব্বাক, নিস্পন্দ হৈ গ'ল।

অবিনাশে কাগজখন পঢ়িলে,—

"শ্ৰদ্ধেয় দত্ত,

মোৰ স্বামীৰ অনুপস্থিতিত আপুনি আহি মোৰ লগত এনে ধৰণেৰে বাহিৰা কথাৰ মেল মাৰিবলৈ চেষ্টা কৰাটো, মই মুঠেই ভাল নাপাওঁ। ময়েই কিয়—জগতৰ কোনেও ভাল নাপাব। —আপুনি কৈছে,—মোৰ স্বামীয়ে শান্তিৰ লগত ৰাতি কৰ'বাত ঘূৰে। কিন্তু আপুনি জানো মোৰ স্বামীক মোতকৈ বেছি জানে ? অনুৰোধ কৰিছোঁ ভবিষ্যতে যেন আপুনি স্বামীৰ অনুপস্থিতিত নাহে। নতুবা মই স্বামীৰ........,

"মায়া,--এইখন কালৈ লিখিছা, অজিতলৈ ?" তেওঁ মায়াৰ ফালে চালে।......

মায়া নিৰ্ব্বাক, নিস্পন্দ।

অবিনাশ ওচৰৰ চকীখনত বহি পৰিল। মায়া ৰান্ধনি ঘৰলৈ উঠি গ'ল।

সাধাৰণ চিঠিখনেই কিয় জানো, অবিনাশৰ চকুৰ আগলৈ গোটেই অতীতটো লৈ আহিল। তেওঁৰ তাহানিৰ ৰুম-মেট অজিত দত্ত,—সেই লম্পত অজিতটো আজিও পৰিবৰ্ত্তন হোৱা নাই। অজিত আৰু অবিনাশ, দুয়ো কলেজত একেলগে পঢ়িছিল দুবছৰ। তাৰ পাছত অবিনাশে যেতিয়া ফাৰ্ষ্ট ক্লাচ লৈ এম-এ পাচ কৰে, তাৰ এবছৰৰ পাচততে অজিতে বি-এ, পাছ কৰিছিল। চৰকাৰে যাচি দিয়া কেবাটাও চাকৰী অবিনাশে প্ৰত্যাখ্যান কৰি বাচি ললে প্ৰাইভেট কলেজৰ অধ্যাপনা, এশ টকা দৰমহা। আৰু অজিত? ডি, এচ, পি; বহুত দৰমহা পায়। এৰা জগতত, বহুত মানুহ আছে,—বেলেগ মনৰ,—বেলেগ ভাবৰ।—বহুত কিবা কিবি ভাব তেওঁৰ মনলৈ আহিল। আজিৰ দিনৰ দিহিংমুখৰ মানুহবোৰৰ কথা,—···লম্পত অজিত দত্তৰ কথা;—আৰু সিহঁতৰ বাঢ়ি অহা সংঘটোৰ কথা।—ভাববোৰ খেলিমেলি হৈ পৰিল।···এবাৰ ভাবিলে 'মানুহবোৰ মৰি শেষ হোৱাই ভাল।'—কিন্তু আকৌ ভাবিলে, "এটা অজিত বেয়া হল বুলিয়েই,—গোটেই জগত খন জানো বেয়া?···· ছিঃ, কি কথা বোৰ যে ভাবিছোঁ,—জগতখন ইমান ভাল!—মই আছো,—মায়া আছে—; আমাৰ সংঘটো আছে। এৰা, মোৰ কাৰণে জগতখন ভালেই।····পুৰণি পৃথিবী সদায় ভাল।—সেউজীয়া ধৰণী সদায় শুৱনি।— আমি নতুন মানুহ। যুগৰ গৰ্ভত নতুনৰ অঙ্কুৰ। পৃথিবী খনক, জীৱনটোক তেওঁৰ বৰ ভাল লাগিল। ভৰিৰ তলৰ সেউজীয়া ধৰণী খনলৈ তেওঁৰ মোহটো বাঢ়ি গ'ল।

'আজি কেইদিন মান মই বৰ 'চেন্টিমেণ্টেল' হৈ পৰিছোঁ'—নিজে নিজকে কৈ তেওঁ ঠিয় হ'য়।—

"মৰিতে চাহিনা আমি সুন্দৰ ভুবনে
মানবেৰ মাজে আমি বাচিবাৰে চায়,"—
তেওঁ গুন গুনালে—এনেয়ে।

ভাত খাওক হি আহক,'— মায়াই ভিতৰৰ পৰা মাত লগালে।—

"মায়া, তোমাক আমাৰ সংঘত ভৰ্ত্তি কৰি লম দেই,"-তেওঁ ৰান্ধনি ঘৰ'ল সোমাই গ'ল।—

····তাৰ পাছৰ পৰা তেওঁলোক এঘাৰজন।····*

——:0:——

* কটন কলেজৰ সুকুমাৰ কলা প্ৰতিযোগিতাত দ্বিতীয় পুৰস্কাৰ প্ৰাপ্ত।

# বিদ্রোহী

কবিতা ]

—তৰুণ ভৰালী
২য় বাৰ্ষিক বিজ্ঞান ।

তুমি ধৰ্ম্মবাদী—

ধৰমৰ তালে তালে তোমাৰ নাও চলে ;
'আচাৰ' আৰু 'বিচাৰ'
তাতেই তোমাৰ মুক্তি ।
তুমি নিবিচাৰা অন্তৰ—
নিবিচাৰা অন্তৰৰ কথা ।
গীতা আৰু ভাগৱত তোমাৰ মুখস্থ ;
আলমাৰিৰ ঢকা বাকচটোৰ
সাঁচি পাত কেইটা,
তাতে আছে তোমাৰ
পুঞ্জীভূত বিশ্বাসৰ
তলী নোহোৱা
ফোপোলা চুঙাটো ।
আৰু তাতে আছে
ইহকাল পৰকালৰ সকলোখিনি— ।
তুমি অন্ধ
এটা বন্ধ কাৰাগাৰ ।
যিশুৰ নামৰ আঁৰে আঁৰে
এটমৰ মহা সপোন দেখে কোনে ?
তুমিয়েই ।
কোৰাণৰ কলা আখৰ কেইটাতকৈয়ো
তোমাৰ চকুত জাগে
মানুহৰ ৰঙা তেজ

ধ্বংসৰ সপোন—
তুমি নিষ্ঠুৰ…তুমি ভণ্ড .
আকাশৰ পৰিধি দেখিছাতো ?
তাক তুমি অস্বীকাৰ কৰা ।
…মন্দিৰৰ পৰিধি…
সেয়ে তোমাৰ ঈশ্বৰ ।
জানো তুমি ঈশ্বৰ মানা
কিন্তু ঈশ্বৰৰ নিৰ্দ্দেশ—
হয় ভুল কৰা—
নহয় পাহৰি পেলোৱা ।
চিৰকাল চলি অহা
অত্যাচাৰ অনাচাৰ
তিক্ত ৰিক্ততা
মহাকালৰ গুমৰি গুমৰি উঠা
অট্টহাস্য
আৰু
মৃত্যুৰ কলাছাঁয়াডোখৰে
শুহি শুহি নিঃশেষ কৰি পেলোৱা
মূক দুৰ্ব্বল মানৱৰ ফালে চাবলৈ
তোমাৰ সময় নাই ।
যাতনাৰ তীব্ৰ দংশনত
হাহাকাৰ কৰি উঠা
সিহঁতৰে ভিতৰৰ ঈশ্বৰটো

তোমালোকৰ কাৰণে
নিৰ্জীৱ শিলডোখৰতকৈয়ো
বেছি হীন—নগন্য।
বাহিৰত বিচাৰি ফুৰা ভগবানক
আৰু ভিতৰৰ ভগবানে কান্দে;
তুমি মহাপাপী
এটা মূৰ্ত্তিমান চয়তান।
মই অন্তৰবাদী—
মুমুক্ষু মানৱতাৰ অন্তৰত উঠা
বিক্ষোভৰ ঢৌ
আৰু
নিপীড়িত সমাজৰ
হাড়ে হাড়ে বিয়পি থকা
অব্যক্ত বেদনাবোৰ
অনুভৱ কৰা—সেয়ে মোৰ কৰ্ম্ম
ধৰ্ম্ম মোৰ নাই।
স্বৰ্গৰ জখলা গণি
পৃথিৱীক পাহৰি পেলোৱা
সেয়া জানো ধৰ্ম্ম ?
সৌ দেখিছাতো

ধূলিত বাগৰি থকা
মৰা জঁকাবোৰ।
সিহঁত মৰা নাই—
ধৰমৰ বিষাক্ত চুৰিৰে
ক্ষত বিক্ষত কৰা
থাইচিচ্ ৰোগীৰ দৰেই পঙ্গু
সিহঁতৰ কলিজাবোৰ।
—আৰু নহব—
বিদ্ৰোহৰ ৰঙা তেজ সানি
মই হম বিৰাট বিদ্ৰোহী।
নিৰ্য্যাতিত মানবৰ
সুপ্ত আত্মাবোৰ
জগাই তুলিম মোৰ ভৈৰৱ নিনাদে।
মই ভাঙ্গিম
কোটি কোটি পীড়িতৰ মুক্তি মন্ত্ৰ লৈ
ভাঙ্গি দিম ৰুদ্ধ কাৰাগাৰ
মই হম কালাপাহাৰ।
পুৰণি পৃথিবী আৰু ক্লেদ আবৰ্জ্জনা
বুকুৰ তেজেৰে ধুই
নতুনৰ কৰিম সৃজন॥

——:0:——

# জনসংখ্যা সমস্যাটোৰ পৰিধি

আলোচনা ]

—মুক্তানন্দ শৰ্ম্মা
৩য় বাৰ্ষিক (কলা)।

ব্যক্তিৰ সমষ্টিয়েই সমাজ, আৰু সমাজপাতি বাস কৰাই মানবৰ সাধাৰণ ধৰ্ম্ম। ই এটা চিৰন্তন ৰীতি। চিৰন্তন বোলাৰ কাৰণ এয়ে যে—এই প্ৰথা প্ৰাকঐতিহাসিক যুগৰ পৰাই চলি আহিছে। বুৰঞ্জীয়ে ইয়াৰ সীমা নিৰ্দ্ধাৰণ কৰিবলৈ সমৰ্থ হোৱা নাই। কিন্তু ভাগ্যৰ বিপৰ্য্যয় এনেহে যে যি মানুহে লগলাগি তেওঁলোকৰ কল্যাণৰ বাবে এদিন সমাজ পাতিছিল; আজি আকৌ তেওঁলোকৰে মঙ্গলৰ নিমিত্তে সমাজে মানুহৰ সংখ্যা নিয়ন্ত্ৰণ কৰিবলৈ ওলাইছে, বা কৰিবৰ আৱশ্যকতা উপলব্ধি কৰিছে।

মানুহৰ সংখ্যা আজি যি হাৰত বাঢ়িব লাগিছে, তালৈ চাই পৃথিবীৰ সকলো শিক্ষিত জাতিয়ে যথোচিত ব্যৱস্থা হাতত লৈছে। যদি জন সংখ্যাৰ অনুপাতত খাদ্যবস্তুও বাঢ়িলহেঁতেন তেনেহলে কোনো সমস্যাৰ ভয়েই নাছিল। কিন্তু কাৰ্য্যতঃ দেখা গৈছে খাদ্যবস্তু উৎপাদনৰ হাৰ জনসংখ্যাতকৈ বহুত কম। সেয়ে ইয়াৰ অৱশ্যম্ভাবী বিষময় পৰিণতিৰ পৰা ৰক্ষা পাবলৈ প্ৰত্যেক চিন্তাশীল মানুহ সজাগ হবৰ হ'ল। আমি ইয়াত যথাসম্ভৱ সৰল ভাবে সমস্যাটো ফঁহিয়াই দেখুৱাবলৈ চেষ্টা কৰিম। আন্তৰ্জ্জাতিক আৰু ভাৰতীয় উভয় দৃষ্টিভঙ্গীৰ পৰা।

জন্ম-হাৰৰ পৰাই আমি কব নোৱাৰোঁ—কোনো এখন দেশৰ জনসংখ্যা বাঢ়িছে নে নাই। জন্মহাৰ (birth-rate) বঢ়া দেখিলে স্বভাবতে আমি ভাবো জনসংখ্যাও (Population) বৃদ্ধি হোৱা বুলি। কিন্তু বাস্তৱৰ অভিজ্ঞতাই ইয়াৰ ওলটা ফলহে দেখুৱাই আহিছে। সেই কাৰণে ইয়াতো আহি পৰে গণিতৰ আৱশ্যকতা। গণিতৰ সিদ্ধান্ত সমূহ নিশ্চিত আৰু নিভুৰ্ল, যদিও সৰ্ব্বসাধাৰণে অনেক সময়ত ইয়াক অবহেলাৰ চকুৰে চায়। যেতিয়া তেওঁলোকে অফিচৰ হিচাপত দেখে যে জন্ম-হাৰ আগতকৈ বৃদ্ধি হৈছে, তৎক্ষনাৎ তেওঁলোকে ধৰি লব যে, জনসংখ্যাও বাঢ়িছে। তেওঁলোকে পাহৰি যায় যে জনসংখ্যাৰ বৃদ্ধি নিৰ্ভৰ কৰে মৃত্যুৰ পিচত জীবিতৰ অতিৰিক্ততাৰ ওপৰতহে, কেবল জন্মহাৰৰ ওপৰত নহয়। তলৰ উদাহৰণটোৰ পৰা এই কথাৰ সত্যতা স্পষ্ট হৈ পৰিব।

১৯২০ চনত ইংলণ্ডৰ স্বাস্থ্য-মন্ত্ৰীৰ প্ৰধান বিষয়াজনে জনাইছিল যে ১৮৮০ খৃঃত শেষহোৱা দহবছৰৰ ভিতৰত ইংলণ্ড আৰু ৱেলচ্‌ৰ জন্মহাৰ আছিল প্ৰতি এহেজাৰত ৩৫'৪ আৰু ১৯২০ চনত ২৫'৪। গতিকে দেখা যায় জন্মহাৰ হেজাৰে প্ৰতি দহজনকৈ কমিছে। অহিচাবী লোকে ততালিকে

কব জন্মসংখ্যাও সেই অনুপাতে হ্রাস পোৱা বুলি। কিন্তু দৰাচলতে জনসংখ্যা বৃদ্ধিহে পাইছিল— ১৮৮০ চনত আছিল ৮,৫৮,০০০ জন আৰু ১৯২০ চনত আছিল ৯,৫৭,০০০ জন। অৰ্থাৎ জন্মহাৰ দহটাকৈ কমা স্বত্বেও মুঠ জন্মসংখ্যা প্ৰায় ১০০,০০০ বাঢ়িছিলহে। অকল ইংলণ্ডতে কিয়, কমবেচি পৰিমাণে সকলো দেশতে এই কথা খাটে।

আকৌ জনসংখ্যা যেতিয়া কোনো এখন দেশত বাঢ়িবলৈ ধৰে, বৃদ্ধিৰ হাৰ সিমানে কমিবলৈ ধৰে। দেখাত যদিও কথাটো আচৰিত যেন লাগে, ইও এটি গণিতৰে সত্য। অকল মানুহতে নহয় উদ্ভিদ আৰু জন্তুৰ ক্ষেত্ৰতো ই প্ৰযোজ্য। কেচুৱা এটি উপজিলে প্ৰথমতে কেইমাহমান যিদৰে বাঢ়িবলৈ ধৰে, তাৰ ওৰে জীৱনটোত যদি সেই গতিৰে বাঢ়িলেহেতেন তেনেহলে কিমান ডাঙৰ হলহেতেন? সাধাৰণ ফুল এজোপা প্ৰথম দুদিনমান দুগুণ দুগুণকৈ বাঢ়ে; যদি সেই গতিৰে ই বাঢ়ি থাকে; তেন্তে তাৰ খন্তেকীয়া জীৱন কালতে ই প্ৰকাণ্ড শালগছকো চেৰ নেপেলাবনে? জনসংখ্যাৰ বেলিকাও অনুৰূপ অৱস্থা। বিভিন্ন দেশত হোৱা পিয়লবোৰলৈ লক্ষ্য কৰিলে সন্দেহৰ থল নাইকিয়া হব। আমেৰিকাৰ যুক্তৰাজ্যৰ কথাকে ধৰা যাওক। *১৯২০ চনত শেষ হোৱা দহ বছৰটোৰ (decade) ভিতৰত জনসংখ্যা বাঢ়িছিল ১৩,৭৩৯,০০০ জন আৰু তাৰ এশ বছৰ আগেয়ে ১৮২০ চনত শেষহোৱা দশকটোৰ ভিতৰত ২,৩৯৮,০০০ জন। কিন্তু বৃদ্ধিৰ হাৰ ১৯২০ চনত আছিল শতকৰা ১৫ আৰু ১৮২০ চনত শতকৰা ৩৩। ইয়াৰ পৰা পৰিষ্কাৰকৈ বুজিব পাৰি যে কোনো প্ৰাণীয়েই এটি নিৰ্দ্দিষ্ট হাৰত অনিৰ্দ্দিষ্ট কাললৈ বাঢ়িব নোৱাৰে। আয়তন বাঢ়িলে বৃদ্ধিৰ হাৰ কমিবই। এই সম্পৰ্কে ১৭৫১ খৃঃত বেঞ্জামিন ফ্ৰেঙ্কলিনে কৈছিল, "উদ্ভিদ বা জন্তুৰ উৎপাদিকা শক্তিৰ আচলতে সীমা নাই; কিন্তু কথা হৈছে এইবোৰৰ জীয়াই থকাৰ উপায় ক'ত? থল পোৱা হলে একেবিধ ফুলেই সমগ্ৰ ভূভাগ বিয়পি পৰিলেহেতেন, একেটা জাতিয়ে কালৰ সোঁতত পৃথিবীজুৰি বাস কৰিলেহেতেন।"

এই বৃদ্ধিৰ হাৰ কমাবলৈ মাথো দুটা উপায় আছে, হয় জন্মসংখ্যা হ্ৰাস কৰিব লাগিব নহয় মৃত্যুসংখ্যা বঢ়াব লাগিব। সাধাৰণতে নিম্নথাপৰ প্ৰাণীৰ জন্মসংখ্যাও বেচি আৰু মৃত্যুসংখ্যাও কম নহয়। মানুহবো বিভিন্ন জাতিৰ মাজত এই নিয়মৰ ব্যতিক্ৰম নহয়। ভাৰতবৰ্ষ আৰু চীনত জন্মহাৰ যেনে বেচি মৃত্যুহাৰো সমানে বেচি। শুনা যায় চীনত হেনো পোক পৰুৱাৰ নিচিনা মানুহৰ জন্ম হয় আৰু শিশু অৱস্থাতে নাইকিয়াও হয়। ১৯১১ চনৰ ভাৰতীয় পিয়লত পোৱা যায় যে প্ৰায় $\frac{1}{4}$ ভাগ শিশু এবছৰ নৌহওঁতেই মৃত্যুমুখত পৰিছিল। জন্ম আৰু মৃত্যুৰ উচ্চ হাৰৰ কাৰণ দিবলৈ গৈ সেই ৰিপোৰ্টত কৈছে যে বাল্য-বিবাহৰ সাৰ্বজনীনতা আৰু জন্মনিয়ন্ত্ৰণৰ অসমৰ্থতাই তাৰ কাৰণ। সেই সময়ৰ বৃটিছ ভাৰত আৰু ইংলণ্ড-ৱেলচৰ এটি তুলনামূলক হিচাব নিপিঠিত দিয়া হ'ল।*

* The Problem of Population By. H. Cox.

## প্ৰতি হেজাৰত জনসংখ্যাৰ হাৰ

| বৃটিছ ভাৰত | | | | ইংলণ্ড আৰু ৱেলচ্ | | | |
|---|---|---|---|---|---|---|---|
| বছৰ | জন্মহাৰ | মৃত্যুহাৰ | জীৱিতৰ হাৰ | বছৰ | জন্মহাৰ | মৃত্যুহাৰ | জীৱিতৰ হাৰ |
| ১৯১০ | ৪০ | ৩৩ | ৭ | ১৯১০ | ২৫ | ১৩ | ১২ |
| ১৯১১ | ৩৯ | ৩২ | ৭ | ১৯১১ | ২৪ | ১৪½ | ৯½ |
| ১৯১২ | ৩৯ | ৩০ | ৯ | ১৯১২ | ২৪ | ১৩ | ১১ |
| ১৯১৩ | ৩৯ | ২৯ | ১০ | ১৯১৩ | ২৪ | ১৪ | ১০ |
| ১৯১৪ | ৪০ | ৩০ | ১০ | ১৯১৪ | ২৪ | ১৪ | ১০ |
| ১৯১৫ | ৩৮ | ৩০ | ৮ | ১৯১৫ | ২২ | ১৬ | ৬ |
| ১৯১৬ | ৩৬ | ২৯ | ৭ | ১৯১৬ | ২১ | ১৪ | ৭ |
| ১৯১৭ | ৩৮ | ৩৩ | ৫ | ১৯১৭ | ১৮ | ১৪ | ৪ * |

* ১ম মহাযুদ্ধৰ কালছোৱা ( ১৯১৪—১৮ )

জন্ম-মৃত্যুৰ এই উচ্চ হাৰ হ্ৰাস কৰিবলৈ যি দুটা উপায়ৰ কথা ওপৰত উল্লেখ কৰা হৈছে, মালথাচৰ মতে তাৰে প্ৰথমটো হৈছে নিবাৰক বিধান ( Preventive check ), আৰু দ্বিতীয়টো অৱশ্যম্ভাৱী পৰিণতি, যাক ইংৰাজীত ( Positive check ) বোলে। প্ৰথম বিধৰ ভিতৰত পৰে বিবাহৰ হাৰ কমাই অনা বা অপত্নীকতা, বিবাহৰ পাচতো সংযমী হোৱা, জন্ম নিয়ন্ত্ৰণ ( Brith Control ) ইত্যাদি যিবিলাক উপায় মানুহৰ হাতত; আৰু এইবিলাকৰ অভাৱত দুৰ্ভিক্ষ, মহামাৰী আদিয়ে পৃথিৱীয়ে বহন কৰিব নোৱাৰা অংশ উটুৱাই নিব। এয়ে হ'ল অৱশ্যম্ভাৱী পৰিণতি।

### অৰ্থনৈতিক কাৰণটো

মানুহ আৰু জন্তুৰ ভিতৰত পাৰ্থক্য এয়ে যে মানুহে নিজৰ খাদ্যৰ বাবে নানা কৌশলেৰে বা উন্নত প্ৰণালীৰে খেতি কৰি শস্য বৃদ্ধি কৰিব পাৰে। হলেও তাৰো এটা সীমা আছে। মালথাচৰ মতে জনসংখ্যা বাঢ়ে জ্যামিতিক ক্ৰমত ( Geometrical Progression ) আৰু উৎপাদন বাঢ়ে

"পাটীগণিতীয় ক্রমত" ( Arithmetical progression ) । এনেকি শেহলৈ যিমানে শ্ৰম প্ৰয়োগ কৰা হয়, উৎপাদন বৃদ্ধিৰ মাত্ৰা সিমানে কমি আহে । ইয়াকে উৎপাদন হ্ৰাস নীতিৰ (The law of diminishing return ) ফল বুলি অৰ্থনীতিবিদে আখ্যা দিয়ে । সেই দেখি মালথাচে প্ৰকৃতিৰ নিষ্ঠুৰ বিধানত ধ্বংস হোৱাতকৈ নিবাৰণ-মূলক ব্যৱস্থা হাতত লবলৈ মানব জাতিক সাবধান কৰি গৈছে ।

জনসংখ্যাৰ বৃদ্ধিয়ে অতীতৰ অৰ্থ নৈতিক ভেটি লৰাই দিলে । পুৰণি কালত প্ৰায় প্ৰত্যেক দেশতে গাওঁবোৰ আছিল অৰ্থনৈতিক জীৱনৰ একোটি কেন্দ্ৰ স্বৰূপ । এই বিষয়ত আমাৰ ভাৰতীয় গাওঁবোৰ আছিল বেচি আগবঢ়া । কিন্তু যন্ত্ৰশিল্পৰ প্ৰচলনৰ লগে লগে অৱস্থাৰ আমূল পৰিবৰ্ত্তন ঘটিল । কল-কাৰখানাবোৰ যি ঠাইত স্থাপিত হল তালৈকে জীৱিকাৰ উপায় বিচাৰি যোৱা মানুহৰ সোঁত বৰলৈ ধৰিলে । সেইবোৰেই সময়ত নগৰত পৰিণত হ'ল । পশ্চিমীয়া দেশবোৰত ( ইংলণ্ড আদিত ) শতকৰা আশীজনে আজি নগৰত বাস কৰিব লগা হোৱাৰ মূলতো এয়ে ।

এনেকৈ জনসংখ্যা বঢ়াৰ ফলত যেতিয়া দেশৰ প্ৰাকৃতিক সম্পদৰাজি বৰ্দ্ধিত জনসংখ্যাক ভৰণ-পোষণ দিবলৈ অসমৰ্থ হৈ উঠিল এনে সময়ত যন্ত্ৰশিল্পৰ প্ৰচলনে অস্থায়ীভাবে হলেও মানবজাতিৰ উপকাৰ সাধিলে । কিন্তু ইপিনে এটি বনুৱা শ্ৰেণীৰ সৃষ্টি হ'ল । হৰিণাৰ মঙ্গহে বৈৰী হোৱাৰ দৰে কালক্ৰমত সংখ্যাধিক্যাই বনুৱাৰ বিপদ চপালে । 'মিল'ৰ মালিকসকলে কম বেতনতে শ্ৰমিক বিচাৰি পালে । এইদৰে এটি বৃহৎভাগ মানুহৰ জীয়াই থকাৰ মান ( Standard of living ) ক্ৰমে তললৈ নামি আহিল ।

আপোন দেশত ঠাই নোহোৱাত খালি ঠাই বিচাৰি মানুহবোৰ দিহাদিহি যাব ধৰিলে ; হয়তো তাকে কৰোঁতে দুটি এটি নতুন দ্বীপো আবিষ্কৃত হ'ল । এইদৰে অষ্ট্ৰেলিয়া, আদিৰ জনহীন অঞ্চলবোৰ বিদেশীৰে ভৰি পৰিল । ভাৰতীয় মানুহেও দক্ষিণ আফ্ৰিকা, মালয় আদি দেশত বসতি পাতিলেগৈ । এই ক্ষেত্ৰতো পাচলৈ বলবান জাতিয়ে আধিপত্য বিস্তাৰ কৰিলে । আজি আৰু আগৰ নিচিনা যেয়ে সেয়ে মুকলি ভাবে যলৈ তলৈ যাব নোৱাৰে ।

## যুদ্ধৰ সৃষ্টি

পুৰণি কালত যদিও সামান্য মতভেদ, স্বেচ্ছাচাৰী ৰজাবিলাকৰ ক্ষমতা বিস্তাৰৰ হেঁপাহ বা ধৰ্ম্মান্ধতাৰ বাবেই হেজাৰ-বিজাৰ জীৱন নাশ হৈছিল, আজি আৰু সেই দিন নাই । আজিৰ যুগত অতিৰিক্ত জনসংখ্যাই (Over population) যুদ্ধৰ গতি নিয়ন্ত্ৰণ কৰে বুলি কলে অলপো বঢ়াই কোৱা নহয় । কাৰণ জনসংখ্যা বঢ়াৰ লগে লগে জাতিৰ মাজত যেতিয়া এটা অৰ্থনৈতিক প্ৰতিযোগীতা আৰম্ভ হয়, তেতিয়াই অঁৰিয়াঅঁৰিৰ সূত্ৰপাত হয় আৰু ইয়াৰে চৰম পৰিণতি যুদ্ধ । প্ৰথম মহাসমৰৰ আগমুহূৰ্ত্তত জাৰ্মান নেতাসকলৰ লেখনী

আৰু বক্তৃতাত এই কথাই স্পষ্ট ভাবে প্ৰকাশ পাইছিল।

Von Bernhadi নামে এগৰাকী জাৰ্ম্মাণ মুখপাত্ৰই ১৯১১ চনত প্ৰকাশিত তেওঁৰ "Germany and the Next War" কিতাপখনিত লিখিছিল—

"বলবান আৰু সমৰ্থবান জাতিসমূহৰ জনসংখ্যা বৃদ্ধি হয়। এটি নিৰ্দ্দিষ্ট সময়ৰ পৰা তেওঁলোকৰ বাবে সীমান্ত অঞ্চল বঢ়াবলগীয়া হয়। যিহেতু জগতৰ প্ৰত্যেক অঞ্চলেই বসতিপূৰ্ণ, গতিকে নতুন ৰাজ্য উলিয়াবলৈ দৰ্কাৰ হলে তাৰ আদিম-বাসীক ধ্বংস কৰাটোও আৱশ্যক বুলি ভাবিব লাগিব।"—এনে মনোবৃত্তিৰ দ্বাৰাই প্ৰণোদিত হৈ জাৰ্ম্মাণসকলে মহাসমৰত জপিয়াই পৰিছিল। অকল তেওঁলোক কিয়? জাপানৰ পৰা আৰম্ভ কৰি আমেৰিকালৈকে যি সকল জাতিয়ে বাণিজ্যৰ সুবিধা লৈ (?) বিভিন্ন সময়ত যুদ্ধত লিপ্ত হৈছিল আটাইৰে ইন্ধন যোগাইছিল অতিৰিক্ত জনসংখ্যাৰ প্ৰবল হেঁচাই। যুদ্ধত বিধ্বস্ত হোৱা মানুহৰ সংখ্যা পূৰাবলৈ নেতাসকলে সেই দেশবোৰৰ জনসাধাৰণক ঘাইকৈ নাৰী জাতিক আকৌ জন্ম-সংখ্যাত প্ৰতিযোগিতা চলাবলৈ প্ৰেৰণা যোগাইছিল। তাৰ ফলত পুনৰ তীব্ৰগতিৰে দেশৰ জনসংখ্যা বৃদ্ধি হোৱা স্বাভাবিক। এই বৰ্দ্ধিত জনসংখ্যাৰ সন্মুখত দুটা মাথোন বাট থাকিল দুৰ্ভিক্ষ আৰু যুদ্ধক্ষেত্ৰ।

যদি সঁচাকৈয়ে মানুহে শক্তি বিচাৰে—তেনেহলে জনসংখ্যাৰ সমস্যাটো প্ৰত্যেক জাতিয়ে অত্যন্ত জৰুৰী বুলি স্বীকাৰ কৰিব লাগিব আৰু সেইমতে প্ৰত্যেকৰ ওপৰত পৰা নৈতিক দায়িত্ব পালন কৰিব লাগিব। এই সম্পৰ্কে হেৰল্ড্ কক্স চাহাবে এঠাইত কৈছে, "যদি এই দায়িত্ব (আগত উল্লেখ কৰা) সমূহীয়া ভাবে পালন কৰাত সময়ৰ প্ৰয়োজন হয়, তেন্তে ইতিমধ্যে গাইগুটীয়াভাবে যিবিলাক জাতিয়ে যুদ্ধ নিবিচাৰে এই বিষয়ত আগবঢ়া উচিত। ইয়াৰ বাবে লাগিলে 'League of Low Birth-rate Nations' গঠন কৰা যুগুত।"

## আমাৰ সামাজিক উন্নতি

উদ্ভিদক যিদৰে তাৰ পূৰ্ণতাপ্ৰাপ্তিৰ বাবে আৱশ্যক সমল লাগে, মানুহকো সেইদৰে লাগে। নহলে কেচুৱা এটিয়ে কেতিয়াও ডাঙৰ দীঘল হৈ তাৰ পূৰ্ণ প্ৰতিভা বিকাশ কৰিব নোৱাৰে। এইখিনি সুবিধা নোহোৱা গতিকে আজি আমাৰ দেশত অগণন শিশু মৃত্যুমুখত পৰি পৃথিবীত উৰ্ব্বৰা কৰিব লাগিছে যি পৃথিবীয়ে সিহঁতৰ পুষ্টি সাধন কৰিব নোৱাৰিলে! সঁচাকৈ ই অতি পৰিতাপৰ বিষয়। এই অৱস্থা আৰু বেচি দিন চলিব লাগিলে জাতিৰ অৱস্থা কেনেকুৱা হ'ব তাক বুজিবলৈ সৰহপৰ নেলাগে।

তথাপি আমাৰ দেশখন অতিৰিক্ত ভাবে বসতি-পূৰ্ণ হৈছে নে নাই সেই বিষয়ে মতভেদ আছে। ভাৰতত উৎপাদন বাঢ়িছে নে জনসংখ্যা বাঢ়িছে তাৰো সঠিক হিচাপ আজিলৈ কোনেও দিব পৰা নাই। ডা: ৰাধাকমল মুখাৰ্জ্জীয়ে তেখেতৰ 'Food

planning for Four hundred 'Millions' (১৯৩৮) গ্ৰন্থত নিয়মীয়া বছৰ এটিত শতকৰা ১২ অংশ উৎপাদন কমা বৃদ্ধি দেখুৱাইছে। পি, কে, ৱাটালৰ মতেও ১৯১০-৩৬ ৰ ভিতৰত শস্য উৎপাদনতকৈ জনসংখ্যাৰ বৃদ্ধি সৰহ। প্ৰফেছৰ প্যানচাঁদে হিচাপ কৰি দেখুৱাইছে যে ১৯০০-৩৪ লৈ এই কালছোৱাত খেতি কৰা মাটিৰ বৃদ্ধি শতকৰা ১১; আৰু জনসংখ্যাৰ বৃদ্ধি শতকৰা ২১। এইবিলাকে জনসংখ্যাৰ বৃদ্ধি হোৱাটোকে সূচায়।

কিন্তু ডাঃ থমাছে কয় যে ১৯০০-৩০ লৈ জনসংখ্যাৰ বৃদ্ধি সতকৰা ১৩.৫ আৰু উৎপাদনৰ বৃদ্ধি শতকৰা ২৯ ; গতিকে জনসংখ্যা অতিৰিক্তভাবে বঢ়া নাই। তেখেতৰ মতে দেশৰ অৰ্থনৈতিক দুৰৱস্থাৰ কাৰণ বৰ্দ্ধিত জনসংখ্যা নহয় বা খাদ্য বস্তুৰ অভাবো নহয়, ই বৰ্ত্তমান আয় বিতৰণৰ ( Distribution of Present income ) দুৰ্নীতিৰ ফলসম্ভূত।

এইখিনিতে আমি জনসংখ্যাৰ অতিৰিক্তবৃদ্ধিৰ সংজ্ঞাটো ভালদৰে বুজা উচিত। পি, এচ, ফ্লোৰেন্সৰ মতে যেতিয়া এটি নিৰ্দিষ্ট জনসংখ্যা এনেভাবে বাঢ়িবলৈ ধৰে যে গাইগুটীয়া উপাৰ্জ্জন কমি অহাৰ আশঙ্কা দেখা যায় ; সেইটো জনসংখ্যাৰ অতিৰিক্ত বৃদ্ধিৰ লক্ষণ। নাইবা যেতিয়া আমি দেখো যে বৰ্ত্তমান জনসংখ্যাৰ কিছু হ্ৰাস হলে ব্যক্তিগত উপাৰ্জ্জন বৃদ্ধি হব তাক জনসংখ্যা বৃদ্ধিৰ অতিৰিক্ত অৱস্থা বুলি ধৰিব লাগে। এই লক্ষণ আৰু অৱস্থা দুয়োবিধ একেসগে থাকিব পাৰে আৰু ভাৰততো সেয়েই ঘটিছে। জন্ম-মৃত্যুৰ উচ্চহাৰ ইয়াৰ অন্যতম নিদৰ্শন। লগতে আমি এইটোও চাব লাগিব যে নিবাৰণ মূলক যিবোৰ জন্মসংখ্যা নিয়ন্ত্ৰনকাৰী ব্যৱস্থা আছে সেইবোৰ কিমানদূৰ আমাৰ দেশত কাৰ্য্যকৰী হৈছে। ইয়াতো চকুত পৰাকৈ একো ফল ধৰা নাই বুলিয়ে বিশেষজ্ঞ সকলৰ মত। সেয়েই জনসংখ্যা বৃদ্ধি যাতে অতিৰিক্ত ভাৱে হব নোৱাৰে তাৰ বাবে যথোচিত ব্যৱস্থা লবৰ সময় পালেহি। অৱশ্যে ইও সঁচা যে আমাৰ দেশত থকা প্ৰাকৃতিক সম্পদৰাশি এতিয়াও সম্পূৰ্ণভাৱে মানবৰ উপকাৰত লগা নাই। সিবিলাকৰ সম্পূৰ্ণ প্ৰয়োগ জনসাধাৰণৰ মঙ্গলৰ হকে খটুৱাব লাগিব। ইপিনে জন্মহাৰ হ্ৰাস কৰিবলৈও যদি এটা প্ৰচেষ্টা চলোৱা হয়, তেনেহলে বিপদৰ ক'লা মেঘ ভাৰত-গগনৰ পৰা আঁতৰিব নিশ্চয়।

জন্মনিয়ন্ত্ৰণ প্ৰবৰ্ত্তন কৰা বিষয়ত মতভেদ আছে যদিও, আমি সকলো কথা যেতিয়া আলোচনা কৰিম ; কমবেচি পৰিমানে বেলেগ শ্ৰেণীৰ মাজত ইয়াৰ প্ৰচলন আৱশ্যকীয় বুলি ভাবিবলৈ বাধ্য হম। সংখ্যাবিজ্ঞানে ( Statistics ) এইটো প্ৰমান কৰি দেখুৱাইছে যে যিবিলাকৰ জীৱনৰ মান তল খাপৰ,—অৰ্থাৎ কৃষক-বনুৱা শ্ৰেণীৰ—তেওঁলোকৰ মাজতহে জন্মহাৰৰ মাত্ৰা উচ্চতৰ। ইপিনে জন্ম-নিয়ন্ত্ৰণৰ যি অলপ অচৰপ প্ৰচলন আছে সিও শিক্ষিত আৰু অৱস্থাবান মানুহৰ মাজতে সীমাবদ্ধ। কিছুমানৰ অন্তৰত আনকি এনে ধাৰনাও নোহোৱা নহয় ; যি সকলে নৈতিকতাৰ ভেটিত জন্ম-নিয়ন্ত্ৰণ কৰা দোষনীয় বুলি কব খোজে।

পোহপাল দিব নোৱাৰাকৈ জন্ম দিয়াটো তেন্তে কোন নৈতিকতাৰ ভেটিত ? কিছুমানৰ মতে

বিবাহ প্ৰথাটো ধৰ্ম্মমূলক অনুষ্ঠানৰ শাৰীত ঠাই দিয়াৰ পৰা ই বাধ্যতামূলক হৈ পৰিছে। এই কথাটোলৈও সংস্কাৰকামীসকলে মনোযোগ দিয়া কৰ্ত্তব্য। *

স্বাস্থ্যৰ ফালৰ পৰাও জন্ম নিয়ন্ত্ৰণ প্ৰথাৰ আৱশ্যকতা আছে বুলি বিজ্ঞ ডাক্তৰ সকলৰ মত।

গতিকে এই জনসংখ্যা সমস্যাটোৱে আমাৰ দেশত যি পৰিস্থিতিৰ সৃষ্টি কৰিছে তাৰ সন্মুখীন হবলৈ দেশবাসীয়ে কেবাটিও উপায় হাতত লব লাগিব। আমাৰ প্ৰাকৃতিক সম্পদৰাজিৰ যথা সম্ভৱ সদ্ব্যৱহাৰ কৰিব যে লাগিবই, তদুপৰি কৃষি আৰু শিল্পক্ষেত্ৰত সমতা ৰাখি উভয় ক্ষেত্ৰতে সাধ্যানুসাৰি উৎকৰ্ষ সাধন কৰিব লাগিব। তেতিয়াহলে কৃষক-বনুৱা শ্ৰেণীৰ জীৱন ধাৰণৰ মান উন্নত হব। লগতে জন্মহাৰো কিছু হ্ৰাস কৰিব পৰা হলে উজ্জ্বল, গৌৰৱময়, সপোনৰ দেশ বাস্তৱত দেখিবলৈ ভাৰতবাসীয়ে সৰহকাল বাট চাব নালাগিব।

——:0:——

"আদৰ্শ যদি ম্লান নহয়, আত্মা যদি ভয়হীন হৈ থাকে; তেনেহলে ব্যৰ্থতা আহিবই নোৱাৰে।"

—জহৰলাল নেহৰু।

* "The teeming Indian population growth should be carved down by birth control, since a quantitative optimum appears to be a number much smaller than the present population of about 350 million for the Indian Dominion."

Dr. S. Chandrasekhar.
Director of the Indian Institute for Population Studies, Annamalai University.

# আমিও জীয়াই থাকোঁ

কবিতা ]

—চিদা বৰুৱা
৩য় বাৰ্ষিক ( বিজ্ঞান )

বন্ধু !—
তুমি নাকান্দিবা কিয় ?
কান্দিছোঁ মঁয়ো ;—
লুপ্ত আমি,—
যুগৰ বহল বুকুৰ মাজতো
স্বীকৃতি আমাব নাই ।
: সময়ৰ "ষ্টেথিচ কোপে" মাথোঁ
ৰঙা কাঁচৰ মাজেদি দেখুৱাই যায়—
শতাব্দীৰ বুকুত আঁউজী থকা
যুগৰ "ডাষ্টবিন" সউ—
আমাৰ ঠাই ।......

—সেয়েহে আমি নাজানোঁ, নুশুনোঁ
বাহিৰত শতাব্দীৰ আঁৰে আঁৰে
ঘন ঘন পদধ্বনি কাৰ,
কোন যায়···?···?
স্থিতিৰ বুৰঞ্জী মূক-মৌন আজি
নুখুলে দুৱাৰ
—নুশুনোঁ আমি

ক্ষতিকি বন্ধু নাই···?···?
ক'ত মাতো সিহঁতক চিঞৰি চিঞৰি
কোনেও নুশুনে, কোনেওতো নুবুজে—
আমিনো মাতিছোঁ কিয়···?
ব্যৱধানৰ চীনৰ প্ৰাচীৰ

আমাৰ গতিপথত
—আজি দিছেহি ঠিয় ।......

: মামৰে আৱৰি ধৰা,
বুৰঞ্জীৰ পাণ্ডুলিপিখন সাৱটি ধৰি,—
সৃষ্টিৰ ঘড়ীত আমি মাথো বাজি উঠোঁ—
টিক্, টিক্,......টিক্ ;
সময়ে পাহৰি যায়,
শতাব্দীয়ে হেঁচামাৰি ধৰে ;
আমি কান্দি উঠোঁ ;—
( বুৰঞ্জীৰ পাতে পাতে আঁৰি থোৱা
আমাৰ বুকুৰ ভাষা
ইদৰেই বিস্মৃতিত গুমৰি গুমৰি ক'ত
সৰি সৰি পৰে ! )

—নাজানোঁ বন্ধু ক'ত যুগ ধৰি,
আত্মবিস্মৃতিৰ কোবাল সোঁতত তিষ্টিব নোৱাৰি-
যুগৰেই আবৰ্জনা আমি । ......
কিন্তু কিয় ? ··· আমি নুবুজোঁ ;
আমি মাথো বুজোঁ,--
সউ সিদিনাৰ "নিকোলাচ"ৰ স্তব্ধ কাৰেঙৰ
ডাঠ ইটাৰ গাঁথনি—
আমাৰ গচকতেতো পৰিল খহি ;

: আৰু—
আজিও ৰচনা কৰা সউ—

"চিউল"ৰ আন্ধাৰ 'গলি'ত
আমাৰ বেঁকা গতিপথ,—
আমি ভাবোঁ আমাৰ আগত দিনৰ
উজ্জল আঁচনি।......
আজি—
কান্দিছে তুনিয়া 'পোহৰ' বিচাৰি
তুমি নাকান্দিবা কিয় ?...?
কান্দা। —যুগৰ বুকুত দেখা নাই...?
চোৱা। সউ সিহঁত যায়—
সেয়া সভ্যতাৰ "চাচপেঞ্চন্ ব্রিজ," সাঁকো ;
আহা বন্ধু, বাট বহুদূৰ—
সিহঁতক কওঁ বিভিয়াই,
"আমিও জীয়াই থাকোঁ"।

——:0:——

## চুটি গল্প

# 'আবেলিৰ আলিবাটৰ' গল্প

—হোমেন্দ্ৰ বৰগোহাঁঞি
১ম বাৰ্ষিক ( বিজ্ঞান )

মানুহবোৰে হয়তো ভাবে, দুৰ্গাৰ দোকানত সদায় ধাৰলৈ চাহ খাবলৈ পাওঁ বুলিয়েই, গোটেই আবেলিটো মই ইয়াত বহি বহি আড্ডা মাৰোঁহি। কিন্তু আচল কথা সেইটো নহয়। তাৰ হোটেলখনলৈ মোৰ অস্বাভাবিক আকৰ্ষণৰ ঘাইকৈ তুটা কাৰণ আছিল। প্ৰথম আৰু সাধাৰণ কাৰণটো হ'ল—হোটেলখনৰ নাম 'কাফে ইণ্টাৰনেশ্যনাল' — যি নামটোৱে মোৰ মনত, ৰেমাৰ্কৰ 'থ্ৰী কমৰেডচ্' উপন্যাস খনৰ ৰহস্যময় পটভূমিটোৰ কথা জগাই তোলে। দ্বিতীয় বা ঘাই কাৰণটোৰ কথা ভালকৈ বুজাই কবলৈ মই অক্ষম। তথাপিও, থোৰতে কবলৈ গলে, যি উদ্দেশ্য লৈ আপোনাসকলে চিনেমা চাবলৈ যায়, সেই একে উদ্দেশ্যকে লৈ মই ঘণ্টাৰ পাছত ঘণ্টা বহি থাকোঁ, 'কাফে ইণ্টাৰনেশ্যনাল'ৰ মুকলি বাৰান্দাটোত।

মোৰ দৃষ্টিৰ লক্ষ্য হ'ল, আবেলিৰ জনময় আলিবাটটো।

তুকাপ চাহ—আৰু তুটা কচুৰি।........

কচুৰিৰ লুনীয়া সোৱাদটো প্ৰভাতৰ বোলে বৰ ভাল লাগে। মই কিন্তু ভাল পাওঁ বুনিয়া আৰু জেলেপিহে। আমি জীৱনত পাবখোজা সোৱাদবোৰো, ইমানেই সাধাৰণ আৰু সস্তা। কিন্তু তাকে জানো পাওঁ ? প্ৰভাতে এইবোৰ কথা নেভাবে। হয়তো নুবুজেও। মই ভাবোঁ।

আলিবাটত মানুহ লাহে লাহে বেছি হৈ আহিছে। আবেলি সদায় এনেকুৱা হয়। তাতে, ৰাস্তাটোৰ সেই অংশত, ব্যস্ততাৰ মাত্ৰা আন ঠাইতকৈ বেচি। 'কাফে

ইণ্টাৰনেশ্যনাল'ৰ মুখামুখিকৈ দুটা চিনেমা 'হল'। 'ড্রিম-লেণ্ড' 'আৰু উৰ্বশী'। তাৰ কাষতে চহৰৰ আটাইতকৈ ডাঙৰ হোটেলখন। ব্রড্‌ওৱে। চাৰিআলিটোৰ মূৰতে বাছষ্টেণ্ড্। তাৰ আশেপাশে ৰিক্সা, ঘোৰাগাড়ী আৰু মুটিয়াৰ ভীৰ। হেঁচাঠেলা — চিঞৰবাখৰ—এক্সিডেণ্ট্।

আৰু এঘণ্টামান পাছতে বেলি মাৰ যাব। বিজুলী বাতিৰ মলিন হালধীয়া পোহৰত, গধূলিৰ ধূসৰ এন্ধাৰ-খিনি হয়তো করুণ আৰু বেদনাময় যেন দেখাব। আৰু সৌ মানুহ বোৰ—যাক আমি আদৰ কৰি মাতোঁ Men in the street—সিহঁতৰ গভীৰ নিশ্বাসে ৰাতিৰ বতাহখিনি সেমেকাই তুলিব।

বহি আছিলোঁ কিবা কিবি বোৰ ভাবি ভাবি। মোৰ কেওকাষ ঘেৰি, এখন শব্দ-সমুদ্র। ঘৰ্‌ঘৰণি শব্দ তুলি, লৰী-মটৰ বোৰ আহে আৰু যায়। চিনেমা হলৰ বুকিং উইণ্ড'ত, টিকেট কৰিব নোৱাৰা মানুহবোৰে বিকট চিঞৰমাৰি উঠে। ৰাস্তাত ফেৰীৱালাবোৰে সুৰ লগাই লগাই গাই যায়--'চীনাবাদাম--চীনাবাদাম ভজা'।.... ওচৰৰে পানৱালাটোৰ দোকানৰ 'ফিলিপচ্' ৰেডিঅ'-টোত ঘৰ্‌ঘৰাই বাজি থাকে, এটা বীভৎস হিন্দী কোৰাছ্।

ইমান কোলাহলৰ মাজতো, মই বহি থাকোঁ তন্ময় হৈ।

হঠাতে প্রভাতটোৱে বলীয়াৰ দৰে চিঞৰি উঠিল- 'ঐ, চাচোন, চা—সৌখন—।'

সি আঙুলিয়াই দিলে চিনেমাৰ প'স্টাৰ এখনলৈ। All this and beaven too। বেটি ডেভিছৰ শান্ত করুণ মুখখন দেখি, তাৰ মনত কি ভাব হৈছিল, কব নোৱাৰোঁ, মই নিজে কিন্তু ক্ষন্তেকৰ কাৰণে অভিভূত হৈ পৰিলোঁ। গ'ধূলিৰ ধূসৰ পটভূমিত, শিল্পী মুখ এখনৰ বেদনাৰ অভিব্যক্তি—মোক উন্মনা কৰি তুলিবলৈ যথেষ্ট। ইয়াৰ পাছত, ৰাস্তাৰ প্রত্যেকটো দৃশ্যই মোৰ মনত গভীৰ ৰেখাপাত কৰিব—সেই কথা মই জানোঁ।

—এই, পইছা আছে ?

—পইছা কেলৈ ? ছিগাৰেট খাব ?

— ধেৎ। তই মোক ছিগাৰেট খোৱা কেতিয়া দেখিছিলি ? চিনেমা চাওঁ।

জেপত হাত দি চালোঁ, পইছা মুঠেই ছটা আছে। বেচেৰা হতাশ হ'ল। সি চিনেমা চায়, ধুনীয়া ছোৱালীৰ দেহৰ লাস্য, চকুৰ কামার্ত আহ্বান আৰু মুখৰ মিচিকিয়া হাঁহি চাবলৈ। মহানগৰীৰ জনময় ৰাজপথৰ এই অসীম বৈচিত্র্য—তাৰ কাৰণে তেনেই নিৰৰ্থক।

বেটি ডেভিছৰ প্রকাণ্ড ছবিখনলৈ চাই চাই, সি বেজাৰ মনেৰে বহি ৰল।

ধুনীয়া 'প্লাইমাউথ্' গাড়ী এখন বিশ্বাশবদে ধপলিয়াই আহি, সশব্দে আমাৰ আগতে 'খাবা' হ'লহি। ৰাজ-খোৱাৰ ঘৰৰ গোটেই মথা আহিছে 'All this and heaven too' চাবলৈ। গাড়ীৰ পৰা নামিয়েই, আমাৰ আগত চেও ধৰি থিয় হ'ল এগৰাকী আধুনিকা গাভৰু; তেওঁৰ গভীৰ ক'লা চকুহালৰ একোণত, আমাৰ প্রতি অসীম অৱজ্ঞা আৰু অনুকম্পা।

মেঘালী ৰাজখোৱা। কলেজৰ মিউজিক চেক্রেটাৰী।

মেঘালীক দেখিয়ে, প্রভাতৰ চেতনা বিলুপ্ত প্রায়। ছোৱালীৰ প্রতি তাৰ অস্বাভাবিক অনুৰাগৰ কথা মই জানোঁ। বাটত ধুনীয়া ছোৱালী এজনী দেখিলেই সি মোক কয়—'এই, চাই থাকিবি, মই যদি প্রভাত হওঁ, তেন্তে এইক বিয়া কৰিহে এৰিম।' মই কিন্তু ভাবিছিলোঁ মেঘালীৰ মাকৰ কথাহে। ৰাজখোৱাৰ মৃত্যু হোৱা আজি এবছৰো পাৰ হোৱা নাই। ডুমোনীয়া গাটো জোকাৰি জোকাৰি মুখত তামোলৰ হেলেঙী লগাই, তেওঁ আহিছে চিনেমা চাবলৈ। তেওঁ জানো পঢ়িব পাৰিব চাৰ্লচ্ বয়াৰৰ সেই ভয়াবহ করুণ হাঁহিটো —য'ত ফুটি উঠিছে জীৱন আৰু জগতৰ প্রতি নির্মম অনুকম্পা ?

পাহৰি গৈছিলোঁ। পাহৰি গৈছিলোঁ যে ৰাজখোৱানী চ'চাইটি লেডী !

প্ৰভাতে নেজানে, জীৱনৰ প্ৰকৃত ৰূপটো কি। আমি কলেজত পঢ়ি থকা দিনৰে কথা। মেঘালীৰ বায়েক দীপালীও আছিল কলেজৰ মিউজিক চেক্ৰেটাৰী। তাইৰ কথা ভাবিলেই, মোৰ মনত পৰে মুলক্ৰাজ আনন্দৰ 'কুলী' উপন্যাসৰ মিচেছ্ মেনিঙৰ কথা। আধুনিক ভদ্ৰ-সমাজত এই মিচেছ মেনিঙ্হঁতৰ সংখ্যা বৰ কম নহয়; বৰং দিনে দিনে বাঢ়িহে আহিছে। ইনটেলেকচুৱাল বুলি খ্যাতি থকা যি কোনো মানুহেই—তেহেলৈ লাগে সেই ইন্টেলেক্ট্ যিমানেই ভেঁজাল বা কৃত্ৰিম নহওক—সিহঁতক সান্ধ্য-ভ্ৰমণ বা নৈশ-বিহাৰৰ সংগিনী হিচাবে পাব পাৰে। দীপালীৰ লগত মোৰ পৰিচয়, তেনে এটা চেলু লৈয়ে। কলেজৰ সঙ্গীত সন্মিলনত, মোৰ মুখত 'চীজাব এণ্ড ক্লিঅ'পেত্ৰা'ৰ চীজাৰৰ আবৃত্তি আৰু 'হেমন্ত মুখাৰ্জ্জী-মাৰ্কা' আধুনিক গান শুনি, বেচেৰী মোৰ কাৰণে তেনেই পাগলী হ'ল। ঘৰলৈ গৈয়ে চাকৰটোৰ হাতত পঠাই দিলে সন্তীয়া এখন প্ৰেম-পত্ৰ। ময়ো বিশেষ নভবাকৈয়ে উত্তৰ দি দিলোঁ—

মৰমৰ দীপালী ৰাজখোৱা,—

প্ৰেম কি বস্তু, মই ভালকৈ চিনি নেপাওঁ। ছোৱালী বিয়া কৰিম বুলি প্ৰতিশ্ৰুতি দি লোকৰ টকাৰে কলেজ ঘেলাইছোঁহি। প্ৰেম, উচ্চাকাংক্ষা, কোমলতা—হৃদয়ৰ সকলো সম্পদ—কেইটামান টকাৰ বিনিময়ত লোকৰ ওচৰত বন্ধক দি থৈছোঁ। মোৰ ইন্টেলেকটৰ নামত, আপোনাৰ কুমাৰী অন্তৰৰ যি মোহ আৰু কামনা আজি উজ্জ্বল হৈ উঠিছে—তাৰ বাবে ধন্যবাদ। এটা প্ৰশ্ন কৰোঁ—উত্তৰ দিবৰ সৎ সাহস আপোনাৰ হবনে? যদি কওঁ, মই sexually impotent—তেতিয়াও মোৰ প্ৰতি আপোনাৰ প্ৰেম অক্ষুন্ন থাকিবনে? যদি থাকে জনাব। আপোনাৰ আবেদন বিবেচনা কৰি চাম। ইতি—

মোৰ উত্তৰ পাই দীপালী ৰাজখোৱা মূৰ্চ্ছা গৈছিলনে নাই কব নোৱাৰোঁ। কিন্তু এটা কথা ভাবি মোৰ গৰ্ব হয় যে—প্ৰেমৰ চিঠিৰ এনেকুৱা উত্তৰ মোৰ বাহিৰে আৰু কোনেও দিয়া নাই। জীৱনৰ নগ্ন বাস্তৱ বোৰক অস্বীকাৰ কৰি লাভ নাই,—সিহঁতৰ মুখামুখি হবৰ দিন আহিছে—এয়ে মোৰ বিশ্বাস।

প্ৰভাতে হয়তো মনে মনে আঘাত পালে। সৰুৰে পৰাই সি শুনি আহিছে—'সদায় সঁচা কথা কবা', 'ডথীয়াক পুতৌ কৰিবা', 'প্ৰেম স্বৰ্গীয় বস্তু'—আৰু কত কি। জীৱনৰ নিৰাভৰণ বাস্তৱ ৰূপটো এতিয়াও তাৰ চকুত পৰা নাই। মোৰ কথাবোৰ শুনি শুনি, তাৰ মুখত চিন্তাৰ চাপ ফুটি উঠিল। সেই সুযোগতে, মই তাৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ আবেলিৰ আলিবাটটোলৈ—য'ৰ প্ৰতিটুকুৰা শিলৰ বুকুত লুকাই আছে হেজাৰ দিনৰ হেজাৰ মানুহৰ অকথিত গল্প।........

সেই বুঢ়া চীনাটোক মই চিনি পাওঁ বহুত দিনৰ পৰাই। বজাৰ কৰি সি ঘৰলৈ ঘুৰি আহিছিল। এহাতে এটা চীনাহাঁহ—আনহাতে এটা প্ৰকাণ্ড বন্ধা কবি। কণ কণ চকুহালত জীৱনটো বুজি নোপোৱাৰ অৰ্থহীন কৰুণ হাঁহি। মোক দেখিয়েই সি দূৰতে ধেক্ধেকাই হাঁহিবলৈ ধৰিলে।

গুড্ ইভ্নিং !

এই আৰম্ভ হ'ল প্ৰভাতৰ প্ৰশ্ন। একো কথাকেই সি সুধিবলৈ বাকী নেৰাখে। 'তই তাক চিনি পালি কেনেকৈ ?'

তাৰ সোধাৰ ধৰণ দেখিয়েই বুজিলোঁ, বহুত কথাই আজি কব লাগিব তাক। যি বোৰ স্মৃতি আছিল মোৰ জীৱনৰ বেদনাময় সঞ্চয়—অবাঞ্ছনীয় অভিজ্ঞতা—

সেইবোৰো অনেক প্ৰকাশ কৰিব লাগিব তাৰ আগত ।

ডাঙৰ নগৰত ভাৰা ঘৰ বিচাৰি পোৱা কিমান টান, সেই কথা একমাত্ৰ ভুক্ত-ভোগীয়েহে বুজে । তেনে এটা অৱস্থাত পৰিয়ে এবাৰ মই থাকিবলৈ বাধ্য হৈছিলোঁ এনে এখন ঠাইত, য'লৈ দিনৰ পোহৰত যাবলৈ মানুহে সংকোচ কৰে । এটা দীঘলীয়া ঘৰ । বাৰটা কম । আটাইবোৰ ভাৰালৈ দিয়া হয় । মই থাকিবলৈ লৈছিলোঁ একেবাৰে মূৰৰ কমটোত ।

সেই বুঢ়া চীনাটো আছিল মোৰ ওচৰৰ কমটোতে । লগত তাৰ, ঘৈনীয়েক আৰু বাৰ তেৰ বছৰীয়া ল'ৰা এটা । সি নিজে কাৰখানাত মিস্ত্ৰী কাম কৰে । বেচেৰা বৰ ভাল মানুহ । তাৰ মন ভাল থাকিলে—টকাপইছাৰ চিন্তাই মূৰ গৰম কৰি নাৰাখিলে—সি মাজেমাজে মোৰ ওচৰলৈ আহে । কথাবাৰ্ত্তা পাতে নানা ধৰণৰ । সি যেতিয়া চকু কেইটা মুদি মুদি, মুখখনত এটা করুণ হাঁহি ফুটাই, শুইনলৈ চাই চাই, জীৱন সম্বন্ধে তাৰ ধাৰণা, তাৰ ফিলচফি কবলৈ আৰম্ভ কৰে, মই তাক ভুল কৰি পেলাওঁ । ভাবোঁ, ই নিশ্চয় 'কনফিউছিয়াচ' বা 'লাউ-ছেৰ' দ্বিতীয় অৱতাৰ ।

জীৱনক জানিবৰ এটা ব্যগ্ৰ প্ৰেৰণাই, লাহেলাহে মোক তাৰ ঘনিষ্ঠ সংস্পৰ্শলৈ আনি দিছিল । নানা বিচিত্ৰ অভিজ্ঞতাৰে ভৰা তাৰ জীৱনটো । তাৰ ভিতৰত তিৰোতা সম্বন্ধে অভিজ্ঞতাই যেন আটাইতকৈ বেছি । জীৱনৰ কোনো অৱস্থাতেই সি সুখী হোৱা নাই, সন্তুষ্ট হোৱা নাই । তাৰ জীৱনটো যেন এটা আকাশমুখী প্ৰশ্ন । —এটা বোবা অভিযোগ । তিৰোতাক লৈয়ে সি জীৱনৰ বেছি ভাগ খেলা খেলিলে; কিন্তু কোনো তিৰোতাই তাক তৃপ্তি দিব নোৱাৰিলে । তাৰ মতে তিৰোতাৰ পত্নীত্বৰ কোনো অৰ্থই নাই ।

শিল্পী গংগাৰ দৰেই সিও বিশ্বাস কৰে "কেই অনা মান পইছা দিলেই তিৰোতাৰ কোমল মাংস পোৱা যায়, কিন্তু আত্মাৰ শান্তি অক্ষুণ্ণ নাথাকে ।"

তাৰ এই মাৰাত্মক ফিলচফি শুনি মই ভয়ত শিহঁৰি উঠিলোঁ । এই হেন দাৰ্শনিকৰো এটি সহজ বদনাম আছিল এই যে, সি মদ খায় । আৰু খায় অলপ বেচিকৈয়ে । যিদিনা মাত্ৰা বেছি হয় সেইদিনা ঘৈণীয়েক আৰু পুতেকক আধামৰা নকৰালৈকে তাৰ শান্তি নেথাকে । মানুহটোৰ ইমানবোৰ ভয়াবহতা স্বত্বেও মই তাক ভাল পাইছিলোঁ । কাৰণ—তাৰ এই 'চিনিচিজিমৰ' গুৰি ক'ত মই জানোঁ । মই জানোঁ সি কিয় তাৰ নিজৰ মাইকীক, নিজৰ পুতেকক অত্যাচাৰ কৰে অমানুষিক ভাৱে । আৰু কাৰণ বিচাৰিলে হয়তো পোৱা যাব, এটা পঙ্কিল সমাজ ব্যৱস্থাত গঢ় লৈ উঠা তাৰ মানসিক বিবৰ্ত্তনত । নীতি-শাস্ত্ৰৰ দোহাই দি তাক ঘিণ কৰা মানে, নিজকে ফাঁকি দিয়া ।........

এদিন হঠাতে আবিষ্কাৰ কৰিলোঁ তাৰ ঘৈণীয়েক চীনা নহয় । তাই অসমীয়া । যুদ্ধৰ দিনত মিলিটাৰী চিপাহীৰ দ্বাৰা ধৰ্ষিতা হৈ, তাই সমাজৰ পেলনি যোৱা আবৰ্জ্জনাত পৰিণত হৈছিল । বুঢ়া চীনাটোৱে পুতৌ কৰি বুটলি আনি, তাইক তাৰ সহধৰ্ম্মিণীৰ আসনত বহুৱালেহি । ভাবিলোঁ ভালেই হ'ল তাইৰ পক্ষে । কিন্তু নহয় । তাতোকৈ বিস্ময়কৰ সংবাদ অপেক্ষা কৰি আছিল মোৰ কাৰণে । গম পালোঁ, কেইদিনমানৰ পাছত ।

বুঢ়াৰ চাকৰিৰ টকাৰে মদ আৰু অন্ন-সংস্থান দুয়োটা জোৰা নমৰা হৈ আহিল । তাতোকৈ ডাঙৰ কথা, সি দিনে দিনে বুঢ়া (!) হৈ আহিল । বাস্তৱ দৃষ্টিভংঙ্গীৰ পৰা, স্ত্ৰীৰ সতীত্বৰ মূল্য তাৰ ওচৰত স্বাভাৱিকতে কমি আহিল । অৱশেষত, এবটল মদ আৰু আধাসেৰ

চাটলৰ কাৰণে, সি বাধ্য কৰিলে, ৰাজপথত ৰাতিৰ এন্ধাৰত থিয় হৈ থাকিবলৈ!

ৰাজপথত নেনা-মিলেও চলে! কিন্তু ঘৰত পুতেকটো আছে। সি বৰ দুৰ্দান্ত।

বহুত দিনৰ আগেয়ে বিশ্বাস কৰিছিলোঁ—জীৱন বাৰ্ণাৰ্ডশ্বৰ বক্তৃতা নহয়, বাৰ্ট্ৰাণ্ড ৰাছেলৰ দৰ্শন নহয়, জীৱন হ'ল গৰ্কীৰ গল্প। কিন্তু মানুহজনীৰ নিচিনা চৰিত্ৰ মই গ'ৰ্কীৰ গল্পতো পোৱা নাই। তাই কেৱল মোৰেই আবিষ্কাৰ। মোৰেই সুলভ পৰিচয়। তাই একেধাৰে মাতৃ, ৰমণী আৰু বেশ্যা।

× × ×

গ'ধূলি হৈ আহিল।

ৰাস্তাটো লাহে লাহে নিজান হৈ আহিছে। চিটিবাছ খনৰ কণ্ডাক্টৰটোৱে চিঞৰ লগাইছে—"নাগীয়াপুল—জোনেবালা।" বাছষ্টেণ্ডটোৰ মূৰলৈ মাটিতে লেপেটা কাঢ়ি বহি, ৰিক্সাবালা কেইটামান জুৱাখেলত মগ্ন। চাৰি আলিটোৰ চুকত ডাষ্টবিনটোৰ কাষতে অকলশৰে থিয় হৈ আছে এজনী বুঢ়ী ভিক্ষাৰিণী। ঘৰলৈ ঘূৰি যোৱাৰ আগ মুহূৰ্তত ভাগৱত হয়তো অকণমান জিৰাইছে। তাইৰ মূৰৰ ওপৰত চিনেমাৰ সেই প'ষ্টাৰখন। বেটি ডেভিছ।

All this and heaven too!

ৰাস্তাৰ অ'ত ত'ত, খণ্ড, বিক্ষিপ্ত টুকুৰাটুকুৰ জীৱন।

আমাৰ ঘৰৰ ওচৰৰে বুঢ়া কেৰাণীজন ঘূৰি আহিছে এতিয়াহে। শুকান, অস্থিচৰ্ম্মসাৰ দেহা। অফিচ যদিও তিনি বজাতে ছুটি হয়, তেওঁ ঘূৰি আহিব পাৰে পাঁচটাতহে। আহোঁতে একেবাৰে বজাৰ কৰি আহে। কুহৰ কুহৰৈ কাঁহি কাঁহি, চকু মুদি মুদি খোজ কাঢ়ে বেচেৰাই।

প্ৰতি দিন অফিচলৈ যোৱা আৰু ঘৰলৈ ঘূৰি অহা, বজাৰ কৰা আৰু ভাত খোৱা, শোৱা আৰু সন্তান জনম দিয়া; বছৰৰ পাছত বছৰ পুৰুষৰ পাছত পুৰুষ, এইবোৰ মানুহৰ জীৱন চলি যায় এইদৰেই। নিতান্ত গতানুগতিক ভাবে। সিহঁতৰ জীৱনত কোনো গল্প নাই, বৈচিত্ৰ নাই। Birth, Copulation and death; Thats all, thats all, thats all!

ৰাতি যথেষ্ট হ'ল। এখোজ দুখোজকৈ ঘৰলৈ আগবাঢ়িলোঁ। লাইটপ'ষ্ট এটাতে আউজি থিয় হৈ আছিল এজনী পাগলী ভিখাৰিণী। আমাক দেখিয়েই উচ্ছসিত হাঁহিৰ খলকনি এটা তুলি, তাই আমাৰ ওচৰলৈ আগবাঢ়ি আহিল।

—বাবু, তিনিদিন চাহ খোৱা নাই—বাবু। ভাত খুব খাইছো; কিন্তু চাহ......হিঃ হিঃ হিঃ।

তাইৰ চেহেৰা আৰু পোছাক-পৰিচ্ছদ দেখি, অকল ঘিণ লাগে বুলি কলে ভুল কৰা হ'ব। বদান্যতা দেখুৱাবৰ জোখাৰে আমাৰ জেপ গধুৰ নাছিল। কোনোমতে নাকত সোপা দি আঁতৰি আহিলোঁ। যথেষ্ট দূৰ অহাৰ পাছত প্ৰভাতে মাত লগালে—

—আচ্ছা, তাইতো ভাত খুব খাইছে, কিন্তু চাহ খাবলৈ নেপায় কিয়?

পথৰ এই সৰ্ব্বহাৰা ভিখাৰীবোৰে কুকুৰ-মেকুৰীৰ দৰে কেনেকৈ ভাত সংগ্ৰহ কৰে, সেই কথা প্ৰভাতে হয়তো নেজানে। মই তাৰ প্ৰশ্নৰ কোনো উত্তৰ নিদি মনে মনে থাকিলোঁ।

ফৰাচী-বিপ্লৱৰ যুগৰ কথা। ফ্ৰান্সৰ ৰাণী আছিল আঁৰিয়েটা। এদিন ফুৰিবলৈ গৈ তেওঁ দেখিলে, মহানগৰীৰ বাটে-পথে কংকালসাৰ ভিখাৰীৰ মিছিল। সিহঁতৰ সকলোৰে মুখত এটা মাত্ৰ প্ৰাৰ্থনা, 'ৰুটি লাগে।' কাণ্ড দেখি ৰাণীৰ আৰু বিস্ময়ৰ পৰিসীমা নাই। আচ্ছা, সিহঁতে যদি ৰুটি খাবলৈ নেপায়, তেন্তে কেক্ নেখায় কিয়?

ঘৰলৈ গৈয়ো সুখ নাই। সহতে মোক আহ্বান কৰে আৰেলিৰ আলিবাটটোৱে। তাৰ সকলো বৈচিত্ৰ্য আৰু ম্লানভাৱে।

ভাবিবৰ চেষ্টা কৰোঁ সিহঁতৰ কথা। ৰাস্তাৰ সেই

মানুহবোৰৰ কথা। সিহঁতৰ জীৱনত কোনো গল্প নাই। আছে যদিও সি সেই সাধুকথাৰ গল্পৰ দৰেহে: এজন মানুহৰ এটা ধানৰ ভঁৰাল আছিল। ভঁৰালৰ বেৰত এটা মাত্ৰ বিন্ধা আছিল। সেই বিন্ধাইদি এটা ঘনচিৰিকা সোমাল আৰু, ধান এটা লৈ, উৰি গুছি গ'ল। তাৰ পাছত আৰু এটা ঘনচিৰিকা সোমাল, সিও ধান এটা লৈ উৰি গুছি গ'ল। তাৰ পাছত? আৰু এটা ঘনচিৰিকা আছিল……ইত্যাদি।

প্ৰভাতটো শুই পৰিছে। ৰাতি কিজানি বহুত হ'ল। ওচৰৰ বকৰাইঁতৰ ঘৰৰ পৰা কেঁচুৱালৰাৰ নেৰা-নেপেৰা কান্দোনৰ শব্দ—বতাহত উটি আহিছে। এই নিস্তব্ধ গহীন ৰাতি—অকলশৰে বহি বহি কি কথা ভাবিবৰ মন যায় বাৰু? খিৰিকি খুলেদি দেখি থাকোঁ—কান্দি থকা কেঁচুৱাটোক নিচুকাবলৈ বকৰানীৰ আপ্ৰাণ চেষ্টা। অলপ দূৰতে, বকৰাই নিশ্চিন্ত মনে বিছনাত শুই থাকে। মাজে মাজে গৰ্জি উঠে বৈণীয়েকৰ ওপৰত। যেন কেঁচুৱাটিৰ সকলো দায়িত্ব অকল বৈণীয়েকৰহে। তেওঁৰ তাত একো নাই!

ভাবিবৰ মন যায় এটা কথা। এই ঘৰত এজনী মাইকী মানুহ থকা হলে কেনে হ'লহেঁতেন! মোৰ মাইকী! আঠাইছটা পাৰ হৈ, মোৰ বয়স এইবাৰ উনত্ৰিশত সোমাল। বিয়া কৰিবৰ বয়স দেখোন কাহানিবাই হৈ গ'ল। এজনী মাইকী থকা হলে! অনুভব কৰিবলৈ পোৱা হলে, তুথন শুশ্ৰূষাৰত চেনেহী হাতৰ কৰুণ কোমল স্পৰ্শ! এই সৰু ঘৰখন তাই সজাই ৰাখিলেহেঁতেন আটোম-টোকাৰিকৈ। মোৰ কেওকাষে ঘেৰি সৃষ্টি কৰিলেহেঁতেন মোহ আৰু মমৰ এটি অবেষ্টনি। মোৰ নিঃসঙ্গ ৰাতিবোৰ মধুৰ কৰি তুলিলেহেঁতেন তাইৰ কোমল সাহচৰ্যাৰে।

কিন্তু তাইৰোতো এদিন সন্তান হ'ব?

অৰ্দ্ধভুক্ত অৰ্দ্ধনগ্ন হৈ সিহঁত ডাঙৰ হ'ব, সেইহে মাত্ৰ, বৃদ্ধি কৰিব আসিবাটৰ 'জানোৱাৰ'ৰ সংখ্যা। মোৰ চকুৰ আগতে ভাঁহি উঠে হেজাৰ বিজাৰ চিনাকী অচিনাকি মুখ। সেই কংকালসাৰ বুঢ়া কেৰাণীটো, জীৱনবিদ্বেষী চীনা মিস্ত্ৰীটো, সেই পাগলী ভিক্ষাৰিণী জনী! নাই, নাই, মই সেইটো কেতিয়াও হবলৈ নিদিওঁ। মোৰ সৰ্বাঙ্গ কঁপি উঠিল সেই কুৎসিৎ সম্ভাবনাত।

কালিলৈ দেওবাৰ। দেৰিকৈ শুই উঠিলেও চলিব। পঢ়িম বুলি উলিয়াই ললো ইলিয়টৰ কাব্য-গ্ৰন্থ এখন। Birth, Copulation and death, Thats all Thats all, Thats all

……তেতিয়াও শেষ হোৱা নাই বকৰানীৰ কেঁচুৱালৰাটোৰ বিৰক্তিকৰ কান্দোন।



# শেষৰ সুৰ

কবিতা ।

—প্ৰবোধ শৰ্ম্মা
৩য় বাৰ্ষিক ( বিজ্ঞান )

থেচিচ্, এন্টিথেচিচ্ আৰু চিন্থেচিচৰ খলপা বগালা
আৰু চৰম সত্যকো হয়তো পালা ।
কিন্তু তাৰ পৰা লাভ ?···
····শতসহস্ৰ শূণ্য ।
মাথোঁন জীয়াই থাকিবৰ জগতখনত—
তেওঁৰ অস্তিত্বচোন
নিচেই অপ্ৰয়োজনীয় ।
মৰবাজনীয় কণী উমালে ।
কণী ফুটিল । পোৱালী ওলাল ।
কিন্তু তাইক সিহঁতেই খাই থলে ।
তাই নাইকিয়া হ'ল ।
অথচ পোৱালীবোৰ তায়ে জগালে
আৰু তাইৰে অস্তিত্ব
নিচেই নিৰৰ্থক হৈ পৰিল
পোৱালীবোৰ টনটনীয়া হলত ।
পৃথিৱীখন কেনেবাকৈ
ভগবানে সৃজিলেও—
ভগবানৰ দাম আৰু নেথাকিল ।
কিয়নো, সৃজন শেষ হৈ গ'ল ।
থেচিচ্ এন্টিথেচিচ········মোকো লাগে ।
কিন্তু—
মই তাক আৰম্ভ কৰিম নীহাৰিকাৰ পৰা
শেষ কৰিম 'চোচিয়েলিজিম' ।

'বিলিয়াৰ্ড'ৰ টোবৰত কবিতা আৰোপ কৰা তুমি,
তুমি ভাবিবা সেইবোৰ ।

মোৰতো আপত্তি নাই ।
সোৱণশিৰিৰ বলিয়া সোঁতটো দেখিছা ?···
···সেয়ে জীৱন ।
স্থিতি নাই ।—মাথোঁন গতি ।
এটা নিচক গতি ।
সৃষ্টি আৰু ধ্বংশৰ সংমিশ্ৰণ ;
আৰু—
একে প্ৰকৃতিৰে দুমুখী প্ৰকাশ
বস্তু আৰু ধাৰণাৰ মিলন স্থল ।
কিন্তু বস্তু 'পহিলা'তে—ধাৰণা পিছত ;
( তুমি চাই ধাৰণা কৰাৰ আগেয়েও
গছজোপা জানো নাছিল,
সউ তাত ?·······)

সৃষ্টিৰ ৰহস্য—জীৱাশ্মৰ সাঁথৰ ।
ই হয়তো ভাগিল ; নাইবা অচিৰে ভাগিব ।
ডাৰউইনিজম্' কুভেইৰীৰ 'কেটাক্লিজম্'
ডেভ্ৰীৰ 'মিউটেশ্যন'—
এইবোৰ মিছা জানো ?
ডাৰউইনে ওৰ নোপোৱা
পোন পহিলাৰ জীৱকোষটো—
মনলৈকে নানো ।
······পৃথিৱীৰ উৎস—এটা গোল নীহাৰিকা ;
জিন্ চৰ বান্দৰটোৰে
চেক্সপীয়েৰৰ 'চনেট' 'টাইপ্' কৰাদি
জীৱনো হয়তো—

অত্যন্ত আচহুৱা বিধৰ
এটা ৰাসায়নিক দুৰ্ঘটনা।
অৱাবতে কিয় ভগবানক মানিবা ?
কাৰাগাৰ ভাঙা—
মোক লাগে মুকলি বতাহ
মুক্তি লাগে; লাগে শান্তি।
সমূহীয়া ব্যক্তিয়ে সমষ্টি;
কিন্তু—
জুমৰ মুক্তিহে ব্যক্তিৰ মুক্তি।
মোক লাগে সমূহীয়া, সহজাত ধাৰণা
আৰু তাৰ বাবে লাগে
বৈষয়িক পৰিবৰ্ত্তন।
কিয়নো—
লেনিনৰ সেই মুচিয়াৰটোৰ মনত
ধাৰণাই শিপাবলৈ সুচল পালে
মাথোন—
বৈষয়িক পাৰিপাৰ্শ্বিকতাৰ পৰিবৰ্ত্তনত।
সেয়ে মই বিচাৰোঁ
আজিৰ সমাজৰ আমূল পৰিবৰ্ত্তন।
মই সপোন দেখিছোঁ……
কিন্তু সপোনৰ ৰাগীতো নেভাবোঁ,
মোৰ সপোনৰ জখলাৰ
শেষ খলপাত ভৰি দি—
মানে,
অনাটনৰ সঁচ নাইকিয়া, শ্ৰেণীহীন
আৰু সৰ্ব্বতোমুখী শান্তিৰ স্বৰ্গথন—
গঢ়ি উঠি
জীৱনে দালমিঞাৰ গাদী পাৰিব, নে নাপাৰে
বোধকৰো নাপাৰে।
কিয়নো মযেতো কলো,
জীৱন সোঁতহীন নহয়—অনন্ত গতিময়!
কিন্তু—
জীৱনে তেতিয়া গতি লব কেনি?····
হয়তো কিবা বিচাৰিব।
কিন্তু বিচাৰিব কি?······??
পৃথিৱীৰ একোকে নিবিচাৰে নিশ্চয়।
কিয়নো পৃথিৱীৰ পাব লগাচোন
আটাইবোৰকে জীৱনে পালে।
তেন্তে?····
······যিংকে নিবিচাৰক!
অন্ততঃ ভাবি মুৰ নঘমাওঁ।
অথবা মগজুও ঘোলা নেপেলাওঁ।

# "গগৈৰ-কবিতা"

প্ৰবন্ধ ]

—হৰেণ ৰাজকোঁৱৰ
১ম বাৰ্ষিক ( কলা )

'প্ৰেম কবি' গণেশ গগৈ অসমীয়া সাহিত্যত সু-পৰিচিত। কবিতাৰ সম্ভাৰেৰে অসমীক পূজা কৰা পূজাৰী সকলৰ ভিতৰত গগৈয়ো এজন। ইংৰাজ কবি কীট্‌ছে তাকৰীয়া সাহিত্য ৰচনাতে সাহিত্য জগতত অশেষ খ্যাতি অৰ্জ্জাৰ দৰে গগৈয়েও তেওঁৰ তাকৰীয়া সাহিত্য ৰচনাতে অসমীয়া সাহিত্যত বৈ বৈ যোৱা খ্যাতি আৰ্জ্জিলে। অৱশ্যে এইটো সঁচা যে কীট্‌ছৰ কবিতাৰ দৰে গগৈৰ কবিতাই গোটেই পৃথিবীতে শিপাব পৰা নাই—ই মাত্ৰ ঠেক গণ্ডীৰ মাজতে আবদ্ধ হৈ থাকিল। গগৈৰ সাহিত্যিক জীৱনটো সম্পূৰ্ণ বিকাশ হবলৈ নাপালে। কবিতাৰ ক'লি পেলাওঁতেই গছ মৰহি গ'ল। ১৯৩৮ চনৰ আগষ্ট মাহত ২৮ বছৰীয়া বয়সতেই গগৈক কালে আমাৰ মাজৰ পৰা কাঢ়ি লৈ গল। গগৈৰ শূন্যতা পুৰালে এটি করুণ ধ্বনিয়ে তথাপি অসম্পূৰ্ণ জীৱনটোৰ মাজেদিয়েই গগৈয়ে অসমীয়া সাহিত্য ভঁৰালৈলৈ যি দান দি গল, সেই দানে অসমীয়া সাহিত্যৰ বহুতো পৰিপুষ্টি সাধন কৰিলে। সোনালী সপোনৰ এটা মুহূৰ্ত্তত তেওঁ আমাৰ মাজলৈ আহিছিল, অন্তৰত এটা বিৰহৰ বোজা লৈ। সেই বিৰহৰ ধ্বনিকে সাবটিয়েই তেওঁ অনন্ত-শয্যাত শয়ন কৰিলে। কিন্তু বিৰহে আনন্দপ্ৰিয় কবিৰ মুখৰ পৰা হাঁহি গুচাব নোৱাৰিলে। তেওঁ যেনো কৈছিল "গগৈ হাঁহি হাঁহি আহিছিল, হাঁহি হাঁহিয়েই যাব; গগৈয়ে নেকান্দে।" হাঁহি হাঁহিয়েই গগৈ চিৰকালৰ এন্ধাৰত অস্পষ্ট হৈ পৰিল। কিন্তু তেওঁৰ অন্তৰ বীণত বজা সুৰ কেইটি সজীৱ হৈয়েই থাকিল। তাকে লৈয়েই আমি তেওঁক মনত পেলাওঁ—গৌৰব কৰোঁ।

গগৈক আমি চিনি পাওঁ বিশেষকৈ প্ৰেমৰ পূজাৰী হিচাবে। তেওঁ ৰচা কবিতা পুথি 'পাপৰি', 'ৰূপজ্যোতি, আৰু 'স্বপ্নভঙ্গ' প্ৰেমৰসেৰেই ভৰা। ৰূপজ্যোতিত দুই এটা ধেমেলীয়া আৰু 'দেশ-প্ৰেম'মূলক কবিতা থাকিলেও সেইবিলাকে তেওঁৰ চিনাকি দিব পৰা নাই। ১৯২৮ চনৰ পৰা ১৯৩৮ চনলৈকে এইটো দহোটা বছৰতে গগৈয়ে তেওঁৰ সাহিত্যৰ মৌ-চাক গঢ়ে। ১৯৩৫ চনত 'পাপৰি' প্ৰকাশ হয়। বাকী দুখন কবিৰ মৃত্যুৰ পাছতহে প্ৰকাশ পায়। গগৈৰ কবিতাৰ মূলতে বিৰহ। সেইদেখি তেওঁৰ প্ৰায় আটাইবিলাক কবিতাতেই, বেজাৰৰ এটি নিফুট ধ্বনি বৈ আছে। গগৈয়ে এগৰাকী সুন্দৰীক প্ৰাণভৰি ভাল পাইছিল, আৰু তেওঁতেই মন-প্ৰাণ সপি দি তেওঁক আপোন কৰি লবলৈ বিচাৰিছিল। কিন্তু বিধাতাই তেওঁৰ বাটত পঠালি দিলে। তেওঁৰ মনৰ আশা মনতেই মাৰ গ'ল। তথাপি তেওঁ সেই সুন্দৰী স্মৃতিবোৰকে লৈ জীয়াই থাকিবলৈ চেষ্টা কৰিলে, কিন্তু অন্তৰে নমানিলে! সেই সুন্দৰীৰ চিৰবিৰহনিবেদনে তেওঁক বৰ্ণীয় কৰি পেলালে: নিৰাশাই তেওঁক হিয়াভগা বেজাৰ দিলে। নিৰাশাৰ মাজতো কবিয়ে তেওঁৰ প্ৰিয়াৰ নামত আপোনপাহৰা চিৰ-স্বৰূপে কবিতাৰ 'স্মৃতি-সৌধ" গঢ়ি পেলালে। শাহজাহানে তেওঁৰ প্ৰণয়িনীৰ নাম যোগমীয়া কৰিবৰ বাবে 'চালে চকু-ৰোৱা' তাজমহল নিৰ্ম্মান কৰিলে। গগৈৰ প্ৰাণতো চাহজাহানৰ দৰে প্ৰণয়ৰ জুইকুৰা জলিছিল। কিন্তু গগৈ চাহজাহানৰ দৰে সম্ৰাট নাছিল। তেওঁৰ ৰাজক্ষমতা নাছিল, মাৰ্ব্বল পাথৰ নাছিল, তেওঁৰ দৰে ধন-জনো নাছিল—আছিল

অন্তৰভৰা ভালপোৱা। সেয়েই তেওঁৰ সকলো।

ভালপোৱা অন্তৰত        যিকণি চেনেহ আছে
মহাৰ্ঘ ৰতন মোৰ সেয়ে তোমালই।—

গগৈ আছিল পবিত্ৰ প্ৰেমৰ উপাসক। তেওঁ অনুভৱ কৰিছিল যেন তেওঁৰ জীৱনৰ সাৰ্থকতা প্ৰেমৰ উপাসনাতহে। সেই নিৰ্মল প্ৰেমতেই তেওঁ সত্য,শিৱ আৰু সুন্দৰৰ সন্ধান পাইছিল। ইংৰাজ কবি কীট্‌ছে তেওঁৰ প্ৰণয়িনীলৈ এই বুলি লিখিছিল—Love is my religion, I could die for it; I could die for you. গগৈৰ প্ৰেমও ঠিক তেনেকুৱাই আছিল। তেওঁৰ মতে "প্ৰাণৰ কাষত কালৰ আগত প্ৰেমৰ সদায় জয়।" সেয়েহে তেওঁৰ অন্তৰখন সদায় অবিচ্ছেদ্য অন্তৰ এখনৰ কাৰণে ব্যাকুল।—

চকুৱে বিচাৰে মোৰ        অপৰূপ ৰূপৰেখা
পৰাণে বিচাৰে মোৰ জীৱনৰ মোহ;
বুকুৱে আপোন সুৰে        বিচাৰি বিচাৰি ফুৰে
মউসনা চেনেহৰ কুমলীয়া কোঁহ।

তত্ত্বৰসিক কবিসকলে পৰম আত্মাৰ সত্বা উপলব্ধি কৰি পৃথিৱীৰ সকলো বস্তুকে সুন্দৰ দেখাৰ দৰে কবিয়েও যৌৱনৰ উন্মাদতাত তেওঁৰ প্ৰিয়াৰ যোগেদি সকলোতেই 'সুন্দৰ" উপলব্ধি কৰিছিল।

মেলিলে সুন্দৰ দেখো        মুদিলে সুন্দৰ দেখো
সকলো সুন্দৰ হ'ল যৌৱন সুন্দৰ।

এদিন কবিয়ে তেওঁলোকৰ মিলনৰ দিন এটাৰ কথা কল্পনা কৰি কল্পলোকত উটি ফুৰিছিল। সেইদিনা তেওঁ সংসাৰখনক সুখৰ-মন্দিৰ বুলি ভাবিছিল। তেওঁৰ হৃদয় আকাশত ৰামধেনু ওলাই সৌন্দৰ্য্য বিস্তাৰ কৰিছিল। তেওঁ আৰু তেওঁৰ প্ৰিয়াৰ দুখনি অন্তৰেৰে এখন স্বৰ্গীয় কানন গঢ়িব খুজিছিল, য'ত চিৰবসন্তই বিৰাজ কৰিব। সেই কাননত পৰি দুয়ো সুমধুৰ গীত গাব, নাচিব বেলিৰ সাতোটি ৰহনেৰে তেওঁৰ প্ৰিয়াক সজাব। শ্ৰীকৃষ্ণই তেওঁৰ প্ৰিয়ালৈ ইন্দ্ৰৰ ফুলনিৰ পৰা পাৰিজাত আনি দিয়াৰ দৰে তেওঁ সেই কল্প-ফুলনিৰ পৰা, ফুলৰ-পাপৰি আনি প্ৰিয়াক দিব। কিন্তু কবিৰ এই সকলো কল্পনা কল্পনাতেই থাকিল, বাস্তৱৰ ৰূপ দিব'লৈ নাপালে। এচটা ক'লা ডাৱৰে তেওঁৰ হৃদয় আকাশ আৱৰি পেলালে।

ফুল যে দুৰৰ কথা        নট পৰোতেই ক'লি
কল্পনাতে ঢাক খালে ভৱ হোৱা জাল;
দিনত জিলিকি উঠা        ৰেখা এটি ৰাখি থই
নিশাৰ সপোন আহি নিশাতে পলাল।

কবি দুৰ্ভগীয়া, তেওঁৰ সপোনকুঁৱৰীক চিৰকালৰ বাবে ৰাখিব খোজা কল্পনাত বাধা পৰিলত এনেকে সুৰতেই গাইছিল।—

সাৰ পাই উঠি দেখোঁ        হঠাতে হেৰাল
কেনিবাদি কবিতাকুঁৱৰী।

কবিয়ে যেতিয়া জানিলে যে তেওঁৰ আৰাধনাত আৰাধ্য দেৱী তুষ্ট নহ'ল; তেওঁ যাৰ কাৰণে হৃদয়খন ধুই নিকা কৰি থৈছিল তেওঁ সেই হৃদয়ৰ মূল বুজিলে, তেওঁ যাচি দিয়া প্ৰেমঅৰ্ঘ্য গ্ৰহণ নকৰিলে, তেতিয়া তেওঁৰ অন্তৰত এটা অভিমান উপজিল। তেওঁৰ ইচ্ছা আছিল 'প্ৰিয়াৰ লগতে' সুখেৰেই সংসাৰৰ দিন কেইটা কটোৱা আৰু তেওঁৰ প্ৰিয়াতেই পৃথিৱীৰ সকলো সৌন্দৰ্য্য উপলব্ধি কৰা। কিন্তু যেতিয়া তেওঁৰ অকল্পনীয়া জীৱনটো ওলাই পৰিল, তেতিয়া তেওঁ এটা কঠিন মূৰ্ত্তিৰ ৰূপ ধাৰণ কৰিলে। সেই বিচ্ছেদত আনকি, এটুপি চকুলোও নেপেলাবলৈ ঠিক কৰিলে। এতিয়া আৰু জীৱনৰ সকলো সোৱাদ তেওঁ নিজতেই পাব।

—ভুল সখি অতি ভুল        বিৰহ বেদনা ভুগি
নাকাটে অকণো কাল চকুলো নোগায়
কলিজাৰ একোণত        জ্বলিলে চিতাৰ জুই
থাকিম নিতউ তাক অকলে ফুঁৱাই।

কিন্তু কবিয়ে তেওঁৰ স্মৃতিবিলাক পাহৰিব নোৱাৰিলে।

তেওঁ হৃদয়ৰ স্তৰে স্তৰে শূন্যতা অনুভৱ কৰিলে। এই সকলো চিন্তাৰ পৰা নিস্তাৰ পাবলৈ কবিয়ে, দুৱাৰ দৰে নিজানত বহি নিৰাকাৰ বস্তু এটিকে পূজিবলৈ সংকল্প কৰিলে। তেওঁৰ, ধাৰণা হ'ল যেন সেই নিৰাকাৰ বস্তুৰ পূজাৰ যোগেদিহে তেওঁ মুক্তি পাব।

নিজানত বহি তাতে অন্তৰ বেদীত মোৰ
নিৰাকাৰ কিবা এটা এনেয়ে পূজিম।

কবিয়ে এই পিচ্ছেৰ পাছত দুটা সত্য উপলব্ধি কৰিলে। এটা হৈছে যে, সংসাৰত সুখ নাই, আছে ব্যথাভৰা হুমুনিয়াহ। অতীতত সংসাৰৰ প্ৰতি তেওঁৰ যি এটা মোহ আছিল ক্ৰমে আঁতৰিল। তেওঁ বুজিলে যে বাহিৰৰ জিকমিকনিবোৰত, মানুহে যি সুখৰ সপোন দেখে সি মৰীচিকা স্বৰূপ। গোটেই জগত বিহেৰেই ভৰা।

তথাপি মানুহ সংসাৰত জীয়াই থাকে, আশাৰ বেঙনি বিচাৰি অতীতৰ সুৱদী স্মৃতিবিলাকক মনত পেলায়। সেই বিলাকক সুঁৱৰি সিহঁতে দুখ লাঘৱ কৰে। বিষাদ ভৰা গানবোৰ শুনিয়েই মনক পৰিতৃপ্ত নিয়াব পাৰে। সেইদেখি গগৈয়েও তেওঁৰ ব্যথাভৰা গানবোৰ শুনিয়েই তৃপ্তি পাইছিল।

আন এটা সত্য হৈছে যে মানুহৰ প্ৰত্যেক কামতেই বিধিৰ হেঙাৰ আছে। বিধি বৰ নিষ্ঠুৰ। লোকৰ মিলনত বিচ্ছেদ ঘটোৱাটোৱেই বিধিৰ কাম্য আৰু তৃপ্তি। সেইদেখি তেওঁলোকৰ বিচ্ছেদত, তেওঁৰ প্ৰিয়াক অকণো দোষ দিব খোজা নাই। তেওঁ বিৰহৰ পাটীত পৰি যি নিকাৰ ভুগিব লগা হৈছে সি বিধিৰ লিখন।

তুমি ভাল পোৱা মইয়ো ভাল পাওঁ
বিধিয়ে সহিব নোৱাৰি তাকে;
মধু মিলনৰ মোহিনী পটত
চিৰ-বিৰহৰ ছবিটি আঁকে।

গগৈৰ চৰিত্ৰৰ প্ৰধান গুণ হৈছে ধৈৰ্য্য আৰু আনন্দ। ইমানবিলাক অৱসাদৰ মাজতো গগৈ অলপো বিচলিত হোৱা নাছিল, মনটোক সদায় ৰঙিয়াল কৰি ৰাখিছিল। ভৱিষ্যতৰ কথা তেওঁ লেখমাত্ৰও নাভাবিছিল। কাৰণ ভৱিষ্যতৰ কথা ভাবিলে মানুহে চাৰিও ফালে আন্ধাৰ হে দেখে। সেই কাৰণে তেওঁৰ ওচৰত মাজি আজিয়েই, তাত কোনো প্ৰশ্নই নাছিল। সংসাৰত সকলো জ্বালা যন্ত্ৰণা এফলীয়া কৰি সুখ আৰু আনন্দৰ ফালটো চকুৰ আগত ৰাখিছিল। এই দিনিতে আমি গগৈক, দাৰ্শনিক কবি, ওমৰ খায়ামৰ লগত তুলনা কৰিব পাৰোঁ। খায়ামেও ভৱিষ্যতক প্ৰশ্ৰয় দিয়া নাছিল। কাইলৈ কি হব, সেই কথা ভাবিবৰ তেওঁৰ সময় নাছিল।

"Ah, my beloved fill the cup that clears—
To day of past regrets and future Fears
Tomorrow? Why Tomorrow I may be
Myself with yesterday's Seven Thousand years."

মানুহৰ মনত সংসাৰ দুখন, এখন ভোগৰ আৰু আনখন ত্যাগৰ। ভোগীসকলে ভাবে যে সংসাৰত থকা দিন কেইটা ভোগ কৰি লব লাগে। সেইদেখি তেওঁলোকে বয়স থকা দিন কেইটা না-না ভোগ-বিলাসত আবদ্ধ থাকে আৰু যেতিয়া ভোগৰ অঙ্গবিলাক অকামিলা হৈ পৰে তেতিয়া ঈশ্বৰৰ সপোন দেখে। আনহাতেদি ত্যাগীসকলে সকলো ত্যাগ কৰি সৰ্ব্বহাৰা হৈ একমাত্ৰ ভগবানৰ আত্মাত বিলুপ্তি হোৱাতেই আনন্দ পায়। গগৈ ত্যাগী নাছিল যদিও সংসাৰখনক একমাত্ৰ ভোগৰ সামগ্ৰী বুলিও নাভাবিছিল। সংসাৰত যে প্ৰত্যেকৰে একোটা কৰ্ত্তব্য আছে সেইটো গগৈয়ে বুজিছিল। সেইদেখি বিৰহত ব্যাকুল হোৱা গগৈয়ে বৰাগী হৈ হাতত টোকাৰী লৈ সমাজৰ পৰা আঁতৰি যোৱা নাছিল। তাৰোপৰি তেওঁ এই কথা মনত ৰাখিছিল যে সংসাৰৰ কোনো কাৰো আপোন নহয় যদিও মানুহে মায়াৰ বান্ধোনত বান্ধ খাই পৰে। গতিকে তেওঁৰ প্ৰিয়াও তেওঁৰ কোনো নহয়।

"ভাবিছোঁৱা ভালকই কিহৰ সম্বন্ধ অই
তুমিতো নোহোৱা মোৰ—মইনো কি তোমাৰ?"

কবিৰ 'শেষ-বেলা' আহিল আৰু তেওঁ প্ৰিয়াৰ পৰা বিদায় ললে। তেওঁৰ শেষ অনুৰোধ থাকি গ'ল "অতীতক পাহৰি পেলোৱা"। আনকি ভুলতো সেই কথা মনলৈ নানিবলৈ তেওঁৰ প্ৰিয়াক দঢ়াই দঢ়াই কৈ গ'ল, আৰু তেওঁ নিজে সেই সকলো কথা পাহৰিবলৈ যত্ন কৰিলে। যিমানেই যি নকৰক, শেষ জীৱনত গৈগৈ তেওঁৰ প্ৰিয়াৰ প্ৰতি থকা মোহকণ পাহৰিব নোৱাৰিলে। যিমানেই তেওঁ 'প্ৰিয়া-স্মৃতি' মনলৈ নানিবলৈ চেষ্টা কৰিলে সিমানেই তেওঁৰ চকুৰ আগত পৰিস্ফুট হৈ উঠিল। শেষত তেওঁ, মিলনৰ চিন স্বৰূপে প্ৰাণৰ 'পাপৰি থিনিকে' থৈ গ'ল। বিশ্বকবি ৰবি-ঠাকুৰেও তেওঁৰ হেঁপাহৰ অপূৰণত এনেদৰেই গাইছিল।—

> ক'ত যে প্ৰাতের আশা ও রাতের গীতি
> কত যে সুখের স্মৃতি ও দুখের প্ৰীতি
> বিদায় বেলায় আজিও রহিল বাকী।

—গৈগৈ আজি আমাৰ মাজত নাই—গৈগৈ গ'লগৈ। তেখেতে অসমীয়া সাহিত্যলৈ কৰি যোৱা দান বোৰেই তেখেতক আমাৰ মাজত অমৰ কৰি ৰাখিব।

—:0:—

# আজিও বিচাৰোঁ

কবিতা ]

—শিৱৰাম বৰা
২য় বাৰ্ষিক ( বিজ্ঞান )

জীৱনৰ বক্তিম বাটত
আবৰৰ বালিৰ ওপৰেদি বাগৰি যোৱাৰ দৰে—
তুমি আহিছিলা মহা 'টাইফুন'—
হিল্‌দল্‌ ভাঙি জীৱন-সিন্ধুত
প্ৰলয়ৰ মহানাও বেগাই লৈ আহিছিলা—
সউ দূৰ দিগন্তৰ
নীলিমাৰ নীল ভেদি অলিছিলে
সাতোটি বৰণ ;
চক্ৰবাল অতিক্ৰমি
অসীম শূইন ভেদি
মোৰ প্ৰাণে বিচাৰিছিলে
অপ্ৰকাশ কিবা।

চকুৰ আগতে সেইয়া জীৱনৰ ছৱি
সুন্দৰ সৰগ-বাট
আশাৰ মোহিনী চাকি ;
সুন্দৰ মৃণাল ঠাৰিৰে তুমি
শলিতাগছি দিছাহি বঢ়াই ।
তোমাৰ চকুতে সেয়া মহাবিশ্বৰ মহাৰূপ !
কোনো নাই, কেনি যাওঁ
শুনা কামিনী,—
মোৰ মহাসত্বা তুমি
কেনি কাঢ়ি নিলা ?...
চকুৰ আগৰ এই বিৰাট শূন্যতা—
তোমাৰেই দান
শূন্যত লুকালা তুমি
শূন্যতেই ময়ো চাওঁ কিবা ।
আজি সেয়া, স্তিমিত ৰামধেনু
ৰাতিৰ তাৰকা ৰাজি এটি দুটি কই
ক্ষণিকতে নিঃশেষিত প্ৰায়
অকস্মাতে জ্বলি উঠা পপীয়া তৰাটি
কেনিবাদি লুপ্ত হৈ গ'ল ।
আজি সেয়া সুদূৰ প্ৰসাৰী নীলিম ;
তাত মই বিচাৰোঁ
আহাৰৰ প্ৰথম নীৰদ ;—
সেই দূৰ নীলিমাত
মোৰ প্ৰাণে আজিও বিচাৰে
অন্তৰ্হিত হোৱা সক তৰাটিৰ
কিবা এক নতুন সন্ধান ।

——:0:——

"জীৱনৰ শোক লগা কথা দুটা এটা হিয়াই বিচাৰি ফুৰাটো পোৱাত,—আৰু আনটো নোপোৱাত ।"

—বাৰ্নাৰ্ডশ্ব

# মৰহি যোৱা যৌৱন

গল্প ]

—গোলোক নাথ গগৈ

···ধোঁৱাবোৰ বতাহে তেতিয়া গাওঁখনৰ ফালে বলাই দিলে।—

···"মায়াটো থাকি গ'ল হবলা অ'।"

খুচি থকা বাঁহডাল হাতৰ পৰা এৰি ধোঁৱাবোৰ চাই চাই পদো বায়নে হাঁহি হাঁহি লগৰ মানুহবোৰক কয়, গোটেই বোৰে হাঁহি দিয়ে। খন্তেকৰ কাৰণে গোটেই বোৰৰ দৃষ্টি সেই ফালে যায়।

"বুঢ়ীৰ ডাঙৰ ভাগ্য আছিল পায়। কমবোৰ নাতিয়েক-ইঁত এৰি গল নে!"

—"আমি হিচাব কৰিছিলোঁ—মুঠতে চাৰি কুৰি এঘাৰ নে বাৰ কিবা এটা হ'ল।"

—"জীয়েকহঁতৰ ফালৰ বোৰ ধৰিছনে নাই আকৌ?"

—"ধৰিছোঁ, ধৰিছোঁ, গোটেইবোৰ ধৰিহে সিমান হৈছে।"

—"এৰা কম নাছিল পাই।"

—"পাগলী নোহোৱা হলে সুখতেই মৰিলেহেতেন।"

—"পূৰ্ব্বজন্মৰ ভাগ্যত সাধি আহিছিল, কোনেনো খণ্ডাব।"

—"তাতে বুঢ়াতকৈ আগতে গল নহয়।"

—"হয়, হয়, সতী সাধ্বীবোৰহে আগতে যায় বোলে।"

—"মোমাই, সেই ডোখৰ ভুকটো নেকি? দেছোন দে, খুচি পেলাই সেই মাজলৈ ভৰাই দে।" পৃথিবীৰ বুকুত এৰি থৈ যোৱা বুঢ়ীৰ কোনোবা এদিনৰ চেনেহৰ পুতেক এটাই মোমায়েকক বায়েকৰ অৱশেষ ভুকটো নজ্বলা দেখি খুছি দিবলৈ কয়।

——পৃথিবীৰ কঠোৰ নিয়মবোৰৰে ইও এটা।—

——পৃথিবীৰ এই জীয়া অভিনয়ৰে মধ্যে এটা সক ভূমিকাৰ অভিনেতা আছিলোঁ। জীৱন নাটৰ অভিনয়ত কৃতকাৰ্যতা লাভ কৰিব পাৰিছোনে নাই কব নোৱাৰোঁ; দিনবোৰ হলে ন ন ঘটনাৰ মাজেদিয়েই পাৰ হৈ যায়।-

—সেই এক পটভূমিকাৰে এটি চুকত নিৰ্ব্বাক নিশ্চল মূৰ্ত্তিটোৰ কৰুণ ছবিটো আজিও ভালকৈ মনত আছে।

—পাটীদৈৰ জোপাটোৰ ছাঁত বহিথকা সেই মুৰ্ত্তিটো।

ফাগুণ মাহৰ আবেলিৰ ৰদটোত আজি যেন আগদিনতকৈ বেছি তাপ।——

—জোপাটোৰ অকণমান ছাঁ ডোখৰত বহি থকা বুঢ়াজন। মৰাপাট যেন বগা চুলিকোছা। তাকে সোতোৰা পৰা হাত দুখনেৰে মাজে মাজে মোহাৰি আছে। কোটৰগত চকুযুৰি দীপ্তিহীন। সেই ম্লান চকুযুৰিয়ে সন্মুখত থকা জ্বলি জ্বলি শেষ হৈ আহিব খোজা চিতাৰ জুইকুৰাৰ মাজত আকুল হৈ কিবা এটা বিচাৰি ফুৰিছিল। জ্যোতিহীন নিস্প্ৰভ চকুযুৰি তেতিয়া লাহে লাহে চলচলীয়া হৈ আহে। সোতোৰা পৰা গাল দুখনৰ ওপৰেদি দুটোপাল চকুলো বৈ যায়। ব্যথাতুৰ দুটি নয়নে শেষ হৈ অহা চিতাৰ বুকুত আকুল হৈ কিবা এটা বিচাৰি ফুৰা, মূক ভাষাটো মই যেন বুজি পালোঁ।——

"নাই—নাই—নাই," অলপ আগলৈকে যেওঁ নোহোৱা হৈ যোৱা নাছিল। আৰু অলপ পিছত সেই আধাপুৰা ভুকটো —তেওঁৰ শেষ অস্তিত্বকণো এঙাৰ হৈ যাব।

—"নাই—নাই—নাই······"

লোলচৰ্ম্ম অষ্টাশীবছৰীয়া বুঢ়াৰ শুকান দেহটোৰ ভিতৰৰ পৰা কোমল হিয়াখনে চিঞৰি কান্দিছে—"তুমি আৰু নাহা—

তোমাৰ নশ্বৰ দেহাটো নাইকিয়া হৈ গ'ল—জীৱনৰ এই মহা বিদায়ৰ পৰত——"

'—"হেৰ' বুঢ়াই কি ভাবিছে অ' ?" মোক কোনোবা এটাই পিছফালৰ পৰা সোধে। মই উচাপ্ খাই উঠো।

—'অ' বুঢ়াই, এৰা বহুত কিবাকিবি কিজানি।—কম নেকি কি ভাবিছে ?"

—তাৰ মৰি যোৱা অতীতটো সি ঘুৰাই চাইছে। তাৰ মৰহি যোৱা যৌৱনটোৰ সেউজীয়া ৰূপটো সি সুঁৱৰি চাইছে।—তাৰ মৰমৰ লাহৰীজনীৰ ছবিটো—আৰু তাইৰ মৰমবোৰো হয়তো।

—কাণৰ গামোছা খনৰ আগটোৰে চকু দুটা মোহাৰি বুঢ়াই দীঘলকৈ হামিয়াই।

—বেলিটো তেতিয়া গছৰ তল পাইছিলগৈ।

—কোনোবা এটাই কয়, "হেৰৌ পেটাল, বুঢ়াদেউতাৰক ঘৰলৈ লৈ যা। বুঢ়া মানুহ জাৰ লাগিব।"

—ফাগুনৰ জাৰটো সি সহিবই নোৱাৰিব হব পায়।

মোৰ মানস পটৰ পৰা তেতিয়া সম্মুখৰ ছবিটো আঁতৰি যায়। বুঢ়াৰ ঘোলা চকুযুৰিৰ সজল বিষাকুল চাৱনিৰ মাজেদি গৈ তাৰ হিয়াৰ গহন কোণত লুকাই থকা বহুত দিনৰ পুৰণি ছবি বোৰ মই যেন দেখিবলৈ পালোঁ।

সেই চকুযুৰিলৈ মই আৰু চাই থাকিব নোৱাৰোঁ। তাৰ পৰা আঁতৰি গৈ পৰি থকা গছ এডালত বহি পৰোঁ। মোৰ ভাগৰো লাগিছিল।

তেতিয়া বেলি পৰো পৰো হৈছে, পূৱকালে আকাশখন হালধীয়া হৈ পৰিছে। পথাৰৰ সিপাৰৰ হাবিবোৰ ধূনীয়া হৈ উঠিছে। ইপাৰৰ গাওঁখনত কোনোবা ঢেকাই ঢোল কোবাইছে। পথাৰৰ আলিয়েদি দূৰত সেইয়া কোনোবা জাতিৰাম পিছত সেইয়া ভাবে এইবেলি মাঘত অনা মানুহজনী। মাকৰ ঘৰলৈ গৈছিল হবপায়,—সিপাৰৰ গাওঁখনলৈকে পোনেই গৈছে।—বিলখনৰ পৰা কণুৱা দুটা উৰি গ'ল।

কাষৰ মানুহবোৰ, চিন্তাৰ জুইকুৰা আৰু বৰ্ত্তমানৰ অস্তিত্বটো মই পাহৰি পেলাওঁ।

হাবিখন পাৰ হৈ আকাশৰ ৰঙা পোহৰত বাট বুলি মোৰ দৃষ্টি গুছি যায় বহুত দূৰলৈ।—কোনোবা কালত পাহৰি যোৱা অতীতৰ বুকলৈ।......

সম্মুখৰ এইবোৰ এন্ধাৰ হৈ যায়। ৰঙা আকাশৰ বুকুত বুঢ়াৰ নিস্তেজ দীপ্তিহীন চকুযুৰি জিলিকি উঠে।

তৰা জোপাৰ আঁৰত জোপোকা মাৰি বহি থকা নিশ্চল সজীৱ মূৰ্ত্তিটো; তাৰ দৃষ্টিৰ ম্লান পোহৰত মই তাৰ এন্ধাৰ অতীতত বাট বুলি গুছি যাওঁ।......

* * *

—সুপুষ্ট পেশীবহুল তেজে ফুটি যাওঁ ফাটি যাওঁ কৰা যৌৱনৰ ভৰাদেহ। অন্তৰত অদম্য কৰ্ম্মপ্ৰেৰণা শৰীৰৰ দুৰ্জ্জয় শক্তিৰে পৃথিৱীখন কুটা যেন দেখা সেই ওখ ডাঙৰ ধুনীয়া ডেকাজন।—মানৰ অত্যাচাৰৰ পাছত লাহে লাহে ঠন ধৰি উঠা অসময়ৰে কোনোবা এখন হাবিৰ মাজত নতুনকৈ গঢ় উঠা সিইঁতৰ গাওঁখন। তাৰ পূৰ্ব্ব-পুৰুষজন মান ভগনীয়াই আছিল। —মানৰ অত্যাচাৰৰ পিছত সিচৰিত হৈ থকা মানুহবোৰ লগ লাগি নতুনকৈ পতা সেই গাওঁখন,—হাবিবোৰ বনৰীয়া মহ, হাতী, বাঘ ভালুকৰে ভৰা। সেই বিপদ সঙ্কুল হাবিলৈ যাবলৈ তাৰ কোনো সহায়ৰ আৱশ্যক নকৰে। সদায় লৈ ফুৰা চিকু-চিকিয়া দাখন লৈ সি অকলে তাত খৰি গুৰৰ, মৌ বিচাৰে।

—তাহাঁতৰ ঘৰৰ পৰা অলপ দূৰত পথাৰ খনৰ সিদাঁতিৰ হাবিৰ ওচৰৰ হোলাটোত সি মহ চৰায়। সেই বিৰাট শিং লগা শকত ডাঙৰ মহটো চৰোৱা তাৰ এৰাব নোৱাৰা কাম। ····হোলাটোৰ অদূৰৰ পথাৰখন আঘোন মাহৰ সোণেৰে ভৰিথাকে।

সেই সোণ কণোৱা জীয়ৰীবোৰৰ মাজত সি তাৰ দেহৰ ঈশ্বৰী জনীক দেখিবলৈ পায়। সি দূৰতেই চিনিপায় তাৰ লাহৰীজনীক। লাহৰীহাতেৰে দোৱা ঘিলা চকলীয়া মুঠিটো বান্ধিবলৈ পোন হৈ থিয় হোৱা তাৰ দেহেশ্বৰী জনীয়ে তালৈ চাই পঠিয়ালে তাৰ মনটো ভাল লাগে।

সি তাৰ মৰমৰ পেঁপাটোত বনগীতৰ ধুনীয়া সুৰটো বজায়। সেই মিহি উদাস সুৰটোৱে আবেলিৰ বতাহজাকত কিবা অজান আবেগৰ বা তোলে। —তাৰ মৰমীয়ে বুকুৰ সুৰটো বুজি পাই থিয় হৈ তাৰ ফালে এবাৰ চাই। সি ৰং পায়।

এখোজ দুখোজকৈ পথাৰৰ আলিৰ কুমলীয়া ঘাঁহবোৰ খোৱাই খোৱাই সি মহটো মালীদৈৰ ওচৰ পোৱাইগৈ লগৰ ছোৱালী এজনীয়ে কয়—'মালীদৈ মহটো দেখিছ। গাতে তুলিবহি এতিয়া।'

—মালীদৈয়ে পোনে পোনে তালৈ চায়। দিনটো ৰদত থাকি তেজ ওলাওঁ ওলাওঁ কৰা নিপোটল গাল দুখন, ধুনীয়া উঠন বুকুখন, সুঠাম দেহটো দেখি তাৰ মনটো এনেয়ে অলপ চঞ্চল হৈ উঠে। তাইৰ চকুলৈ চাই অৰ্থপূৰ্ণ ইংগিটো মাৰে—আৰু তাইৰ পৰা তামোল এখন খুজি লৈ তাকে খাই সি আঁতৰি গৈ থাকে। পিছ ফালৰ হাঁহিৰ অৰ্থবোৰ সি বুজি পায়—সিও ঘূৰি চাই হাঁহে।

সেইবাৰ মাঘতে সি মালীদৈক পলুৱাই নিলে। দুকুৰি টকাৰে জগৰ মাৰি সি শহুৰেকৰ ঘৰত মিতুৰ হল। —বাপেকে তাক ভাল পালে।

কোনোবা এবছৰ সিহঁতৰ গাঁৱত মাউৰ লাগিছিল ঘৰৰ ভিতৰত মানুহ মৰি পৰি থাকে। শ্মশানলৈ নিবলৈ কাৰো সাহ নহয়। সেই ভীষন উৎপাতত মানুহবোৰ গাও এৰি যেনি তেনি ভাগি গুচি গ'ল।

মালীদৈক লৈ সিও এদিন তাৰ মৰমৰ গাওঁখন, সকলো পৰা ধুলি মাটি লৈ ডাঙৰ হোৱা তাৰ চেনেহৰ দিহৈ চুকটো এৰি গুচি আহিল। মাক বাপেক ভায়েক ককায়েক আটাইকে তাতে এৰি আহিল। —তাৰ ভায়েক এটাই অকলে উজনিৰ ফালে যোৱা মানুহৰ লগত গুচি গ'ল। বাকীবোৰ দিহৈ চুকত থাকি গল—বহুত বহুত দিনৰ কাৰণে।

বিচাৰি বিচাৰি সি এই ওখ ঠাইটো পালেহি সন্মুখৰ ধুনীয়া পথাৰখনৰ মাজত সি কিবা বিৰাট সম্ভাৱনাৰ সপোন দেখে।

* * *

বাব ঘোং ভৰা হাবি খনৰ দাঁতিত তাৰ ঘৰটো কেৱল থিয় হৈ থাকে—সৃষ্টিৰ সাক্ষী—

—সি আৰু মালীদৈ—আদাম আৰু ইভ্।

* * *

পূৰা একুৰি পাঁচোটা বছৰৰ পাচত তাৰ ভবিষ্যতৰ আঁৰপট খনি আঁতৰি যায়। সুদীৰ্ঘ দুটা যুগৰ ভিতৰত পৃথিবীৰ ৰূপটো কেবাবাৰো সলনি হ'ল।

....বহুত সৃষ্টি হ'ল—বহুত ধ্বংস হৈ গ'ল—বিৰাট পৰিবৰ্ত্তনৰ মাজত—সৃষ্টি আৰু ধ্বংসৰ সংঘাতে পাছত এৰি থৈ যোৱা অৱশেষ তাৰেই সৃষ্টি।

—ছটা পৰিয়াল।

বহুত পৰিবৰ্ত্তন হল। তাৰ পুতেক কেইটাই ছোৱালী আনিয়ে খৰিয়াল লাগি বেলেগ হ'ল। জীয়েক তিনিজনীও মানুহ হৈ পলাই গুচি গ'ল। —তাৰ আৰু মালীদৈৰ মাজৰ ব্যৱধানখিনি বাঢ়ি গৈ এতিয়া আৰৌ নাইকিয়া হৈ গ'ল।

সুমাই যাব খোজা চাকিটো শেষবাৰৰ কাৰণে বেছিকৈ জ্বলি উঠিল।—এতিয়া তাৰ যৌৱনটোৱে যেন টোপনিয়াবলৈ আৰম্ভ কৰিলে।—মালীদৈৰ প্ৰতি থকা তাৰ মোহটো এতিয়া আগতকৈ কম যেন লাগে।—তাইৰ যৌৱনৰ গতিটোও যেন মন্থৰ হৈ গৈছে।—

—হাবিবোৰ—কম হ'ল। বনৰীয়া মহ, হাতী, ভালুক আৰু বাংকুকুৰবোৰ কেনিবা দূৰলৈ আঁতৰি গ'ল।—সি বুঢ়া হবলৈ আৰম্ভ কৰে।

সি নাতি-নাতিনীৰ মুখ দেখিলে।—পুতেক বোৱাৰীয়েকহঁতে তাক এতিয়া বিহুৰে সংক্ৰান্তিয়ে সেৱা লবলৈ আহে। দূৰৰ গাৱঁৰ পৰা জীয়েক জোৱাঁয়েক আহে; সি হিয়া উবুৰিয়াই আশীৰ্ব্বাদ দিয়ে—'হব গৌৰীৰ বসতি হওঁক'।

চেনেহৰ নাতিনীয়েহঁতক সি জাকৈ খালৈ জুলুকি সাজি দি ৰং পায়।

শাওনমহীয়া ভলুকাজোপাৰ তলত নিজে সাজি লোৱা বাঁহৰ চাং খনত বহি তামোল খাই খাই সন্মুখৰ বহল ঘাটি পথাৰখনলৈ সি চাই থাকে। —তাৰ সুখ দুখৰ ঘাটি যোৱা বহুত ঘটনাৰে সিহঁত সাক্ষী।—

তেজ মঙহৰে গঢ়া মালীদৈৰ মনটোতকৈ কিজানি বিচাৰবুদ্ধিহীন পথাৰখন—তাৰ নিজ হাতে গঢ়া সৌ ভৰপূৰ বাৰীখনৰ মনৰ কথাটো সি বেছিকৈহে বুজি পায়।

শাওনৰ পথৰুৱা ঘাঁহবোকাৰ মিঠা গোন্ধটো এতিয়াও তাৰ ভাল লাগে। সেই বোকাবোৰ সক লৰাৰ দৰে গায়ে মুৰে সানি লবলৈ এতিয়াও তাৰ মনটো উচ্‌পিচাই থাকে। এতিয়াও কাউৰীয়ে কা নৌকৰোতেই কাণত নাঙলটো লৈ আগে আগে মহটো খেদি পথাৰলৈ যাবৰ কাৰণে মনটো উত্ৰাৱল হৈ পৰে।

নাঙলৰ সিৰলীৰ ফৰ্ ফৰ্ শব্দটো আৰু ফুৰিয়াকৈ উঠি অহা বোকাবোৰ এতিয়াও তাৰ মনত ধুনীয়া যেন লাগে। হেবোৰা অতীতত হাত ফুৰাই সি ভাল পায়।

—সি চহাই দিয়া মাটিত মালীদৈয়ে ভূঁই ৰুৱে।—গছা লবলৈ হালি থকা মালীদৈৰ যৌৱন ভৰা দেহটোৰ সেই অপৰূপ সৌন্দৰ্য্যটো এতিয়াও তাৰ মনত আছে। এহাতে কঠিয়াৰ মুঠিটো আনহাতে আঙুলি দুটাৰে টেপা মাৰি লোৱা সক গোছাটি। দুয়ো হাতৰ খৰতকীয়া বুলনিৰ মাজতো তাৰ চকুত ধুনীয়াবোৰ ধৰা পৰে।

খাবলৈ লোৱা তামোল খন হাতৰ মুঠিতে লৈ সি সেই ৰূপ চাই চাই নিজকে পাহৰি যায়।

লাহী আঙুলীৰে টেপা মাৰি লোৱা সক গছাটিৰে পূৰঠ হাত খন। গোছাটো বোকাত খুঁচি দিওঁতে হাত খনৰ সেই ভাগো নাভাগোকৈ ভগা ধুনীয়া ভাজটো আজিও তাৰ স্পষ্ট মনত আছে।

সৃষ্টিৰ মাধুৰী বোলোৱা অৰূপৰ ৰূপৰ প্ৰতীক মালীদৈ জনী,—তাৰ কাৰণে হয়তো সেইটোৱেই সৃষ্টিৰ আদিম স্বপ্ন।

সি হাল বায়, মালীদৈয়ে কঠিয়া তোলে—ভূঁই ৰোৱে। সিহঁতে দুটাৰ সমন্বয়ত পথাৰ খন আহিনৰ সজালধৰা ধানেৰে সেউজীয়া হৈ উঠে।

সেই সেউজীয়াৰ বুকুৰ মাজত জীয়াই থকাৰ ছন্দটোৱে ৰূপ লয়। সৌ হাল বাই থকা মানুহকেইটা, জাকৈ বাই থকা ছোৱালী কেইজনী, ঘৰ কেইটা, তামোল পানেৰে ভৰা সৌ বাৰীখন—গোটেইবোৰ তাৰেই সৃষ্টি।

তাৰ আৰু মালীদৈৰ যৌৱনৰ সৃষ্টি সেইবোৰ। সেইবোৰ ভাবি সি আত্মপ্ৰসাদ লাভ কৰে। —কাৰবাৰ আগত তাৰ গৌৰৱ কৰিবৰ মন যায়।

···এতিয়া এই বোৰেই যেন তাৰ গোটেইবোৰ।

তাৰ সৃষ্টিৰ সুৰটোৰ গুন্‌গুননি সি এতিয়াও শুনিবলৈ পায়। —জুৰ লোৱা ভলুকাজোপাও যে সিয়েই ৰোৱা। ভলুকা জোপাও এতিয়া বুঢ়া হ'ল।—

—তাৰ সৃষ্টিৰ কবিতাৰ ছন্দপতন হ'ল।

—মালীদৈ পাগলী হ'ল।

দুকুৰি বছৰীয়া তাহাঁতৰ মিলনৰ কাৰেঙটোত ঘুনে ধৰিলে। আজিকালি মালীদৈয়ে" তাক দেখিব নোৱাৰে।—পুতেকহঁতে মাকৰ কাৰণে বেলেগে ঘৰ সাজি দিলে।

পুতেকহঁতে জোকায়—সেইটো কোন চাচোন। মালী-দৈয়ে সেই ফালে নাচায়। মুখেৰে কয়—'এই পাতে মোক থালে। এই মৰিব লগা সম্পূৰক দেখিব নাপায়।'

—এৰা, তাৰ বুকুজুৰ মালীদৈ জনীয়ে তাক দেখিলেই গালি পাৰে। তাৰ হিয়াৰ মৰমবোৰ বেজাৰত কান্দি উঠে।

মালীদৈৰ বিৰাট পৰিবৰ্ত্তনটোৱে তাৰ ওপৰত বহুত ক্ৰিয়া কৰিলে। সি এতিয়া গহীন হৈ গ'ল—অস্বাভাবিক ভাবে।—

দিনটোৰ বেছিভাগ সময়, পিৰালিত বহি দুৰৰ আকাশ খনলৈ চাই সি কটাই দিয়ে। আহিনমহীয়া চকলাচকল আৱতৰীয়া ডাবৰবোৰে তাৰ মনলৈ সোনোৱালী অতীতৰ কাহিনীবোৰ বৈ আনি আকৌ কেনিবা গুচি যায়।

—পাগলী মালীদৈৰ কুটুলাকুটুলি হুপৰা চুলিকোছা দেখি তাৰ সেই তাহানি শুৱলৈ গাক নলগা ডাঙৰ খোপাটোলৈ মনত পৰে। চেকা লগা—মলিয়ন ৰঙচুৱা মেখেলাখন দেখিলে তাৰ তাহানি জিলাৰ পৰা আনি দিয়া জাপানীপাটৰ বিহা মেখেলা জোৰলৈ মনত পৰে।

—সেই ধুনীয়া তাৰ মৰমী মালীদৈজনী মৰি গ'ল ৰিনিকি ৰিনিকি বাজি থকা—তাৰ সৃষ্টিৰ সুৰটো চিৰ-দিনৰ কাৰণে স্তব্ধ হৈ গ'ল।—

—সেইবাৰ সি বৰ টান বেমাৰত পৰিলে। মালীদৈ তাৰ ওচৰলৈ নাযায়।—কিন্তু নাতিনীয়েহঁতক হলে—মনে মনে সুধে,—'ভাল হৈছে নে নাই। উত্তৰ পায়—'চাই নো নাহগৈ কেলৈ ?—সিহঁতে খুজি গালি খাই,—'পাখৰী-হঁত তহঁতি মৰিব নেপাব'।—

সম্পূৰৰ তাইলৈ মনত পৰি হয়তো বুঢ়া দিনতো কান্দি-বৰ মন যায়।

—সি ভাল হ'ল। মালীদৈয়েও তাৰ খবৰ নকৰা হ'ল।—

——কেবাবছৰো পাছত, এতিয়া তাইৰ অৱস্থা আৰু বেয়া হ'ল। —পোন্ধৰ দিন লেকাট ভুঞ্জাৰ পাছত তাই সংসাৰ নিকাৰৰ হাত সাৰি গ'ল।—বুঢ়া দেহৰে কি তাইক পৰ দিছিল।—

—মৰিবৰ আগ মুহূৰ্ত্তত সি তাইৰ মুখত কঁপা হাতেৰে পানী টোপা বাকী দিলে পুতেকহঁতে কয়,—'তোক আয়ে মাতিছিল নহয়'!

—সি আজি দুবছৰৰ পৰা কাণে নুশুনাই হল।—

—মালীদৈয়ে তাক মাতিছিল হয়।

—জীবনৰ শেষৰ কথাষাৰ তাইৰ—'সম্পূৰ জী তই আছে'।

মৃত্যুপথৰ যাত্ৰীৰ সেই ক্ষীন মাতষাৰি ক'লা সম্পূৰে নুশুনিলে। আৰু দুদিন বেচিকৈ জীয়াই থকাৰ আকুল হেঁপাহটোৱে হয়তো শেষৰ সময়কণত তাইক বাধ্য কৰালে সেইদৰে মাতিবলৈ।—

—মৰমৰ সম্পূৰটোৱে তাইক আৰু দুদিন জীয়াই ৰাখিব নোৱাৰিলে। তাৰ দেহেশ্বৰী—তাৰ সৃষ্টিৰ লগৰী—বুকুৰ মৰমীজনী—তাৰ জীবনৰ সাৰথি মালীদৈজনী মৰি থাকিল—।

—তাৰ দেহেশ্বৰী জনী যে তাতকৈ আগতেই মৰিল—বহুদিনৰ আগতে।

—যৌৱন মৰহি যা'য়—

"কাৰোবাৰে মায়াটো থাকি গ'ল হৱলা স্ব"। ধোঁৱাবোৰ গাঁৱৰ ফালে উৰি যোৱা দেখি পদোৱে কয়।

*　　*　　*　　*

মোৰ চাৰিও ফালে আন্ধাৰে আবৰি ধৰে। পশ্চিমৰ দিগবলয়ৰ ৰঙা পোহৰটোলৈ চাই মোৰ চেতনা আহে।

—মানুহবোৰে দা-কটাৰী সামৰি লৈ যাবলৈ ওলাইছে। চিতাৰ এঙাৰবোৰ পানী ঢালি নুমুৱাই দিলে।

—বৰ অন্যমনস্ক হৈ—মানুহ জাকৰ পিছে পিছে ঘৰলৈ আহিলোঁ।—

—বাটত ঘনে ঘনে এন্ধাৰৰ মাজেদি বুঢ়াৰ চকু দুটা মোৰ মানস পটত জিলিকি উঠে; কাণত পৰেহি—কোনোবাই যেন বহু দূৰত গাইছে—

"জীৱটি যাবগৈ বৈকুণ্ঠ ভুৱনে
সজাটি মাটিতে থৈ।"

——:0:——

# আমাৰ জীৱনতো প্ৰেম আছে

কবিতা ]

আলিমুন নিছা
১ম বাৰ্ষিক ( কলা )

শুনিবা জানো ? বিশ্বাস জানো কৰিবা শুনিলেও ?
—আমাৰ জীৱনতো প্ৰেম আছে !!
চঞ্চল ফাগুনৰ নিদৰ্শন লৈ—এছাটি উতলা বতাহ
এটা মধুৰ সন্ধিয়া—
কাৰখানাৰ সুউচ্চ দেৱাল ভেদিও আমাৰ জীৱনলৈকে আহে
আমাকো সোঁৱৰাই দিয়ে—
"জাগা বন্ধু ! যৌৱন অতিথি আজি

তোমাৰেই দুৱাৰ দলিত।"
বলিয়া পবনৰ এয়ে আগমনী গীত।
………তথাপিও এই শুভাগত আহ্বানক উপেক্ষা কৰি
কাৰখানাৰ লৌহ-কৰাট খুলি যায় আমাৰ কাৰণেই।
আহ্বান আছে,—লাগে ৰক্তবিন্দু আমাৰ দেহৰ।
আমি চলমান যন্ত্ৰ। ক্ৰমবৰ্দ্ধমান গতিবেগেৰে
আমিয়ে কাৰখানাৰ প্ৰাণৰ স্পন্দন অব্যাহত ৰাখোঁ।
………যৌৱনে বিচাৰে মৰ্য্যদা………
কাৰখানাৰে কোনোবা লছমী, ফুলুৱাৰ বাবে
আমিও তাজমহল ৰচনাৰ প্ৰয়াস কৰোঁ।
আমিও গীত ৰচোঁ—বিৰহৰ ঝুমুনিয়াহ কাঢ়ি
নোপোৱাৰ বেদনাত ছাটিফুটি কৰি যি দুদিন থাকোঁ।
……উৰুখাপজা জেউতিৰে ওপচাই—লখিমী চাপেহি ঘৰ।
জীৱনে আমাক নঠগে,………
নোপোৱাৰ বেদনাত বিৰহী সাজি—
কবিতা ৰচনাৰ সময় আৰু সামৰ্থ্য আমাৰ
নাই বাবেই হয়তো।
পিতৃ পদৰ গৌৰব লাভ কৰোঁ অনতিপলমে।
'দাৰা', 'চুজা'—'জাহানআৰা' নহয় সিহঁত।
তথাপিতো আমাৰ বাবে সিহঁত কোহিঁৰ-কুহিঁৰী।
………বছৰে বাগৰ সলায়………

চাহ—এটুপি ৰঙাপানী—এমুঠি চিৰাৰ বাবে
          'দাৰা' 'চুজাৰ' অবিৰত ক্ৰন্দন ।
—সচেতন হওঁ ।
          জীৱন কবিতাৰ ইমানতে ছন্দৰ পতন ।
আমাৰ ইমাৰৎ গঢ়াৰ স্বপ্ন লীন হৈ যায়
          অতীতৰ বুকুতে ।
—'মমতাজ' শয্যাগতা ।
দিনটোৰ শেষত ভাত মুঠিৰ আশাতে
'জাহানআৰা'ৰ হাতত গতাই দি কাৰখানালৈ যাওঁ !
গধূলিৰ লগে লগে উভতো ঘৰ্ম্মাক্ত কলেৱৰলৈ ।
—কাৰখানা, পুণ্যতীৰ্থ আমাৰ ।
          ভাত মুঠিৰ সংস্থান ।
'মমতাজ' প্ৰিয়াৰ কাষত বহি সান্তনা দিওঁ—
"দিন আকৌ ঘুৰিব ।"
          হাঁহে তেওঁ ।
—ক্ষীণ উজ্জ্বল হাঁহি ।
নিজক কাঁদি দিন ঘুৰিছিলোঁ ।
          —বুজি পাওঁ ।
সৰগৰ হাতছানি পাই প্ৰিয়াৰ প্ৰাণপখী উৰি যায়—
          দিন ঘুৰালৈ অপেক্ষা আৰু নকৰে ।

নদীৰ পাৰতে শ্মশানত শেষ ক্ৰিয়া সমাপন কৰোঁ ।
—যমুনা নহয় । নাম নাজানোঁ, কিবা সৰু নদী ।
পুত্ৰকন্যাই কৰে হাঁহাঁকাৰ ।
মাতৃ বিয়োগতকৈয়ো তীব্ৰতৰ ক্ষুধাৰ প্ৰকোপ ।
আকৌ যাওঁ—পুৰতীৰ লগে লগে কাৰখানালৈ ।
জীয়াই থকাৰ প্ৰেৰণা হেৰাই যায়,
তাজমহলৰ বিলাসী সপোনও ভাগি যায় ।
তথাপি জীয়াই থাকোঁ ।
দেশ বিদেশৰ ৰজা মহাৰজাই মানিক মুকুতা নাযাচে
তাজমহলৰ—ৰহণ চৰাবলৈ—
······চকুলো ? আমাৰ মমতাজৰ বাবে ?
—নাই । কোনেও চিনিকে নাপায়
কিজানি নামকে শুনা নাই এই জগতে ।
প্ৰিয়াৰ হাতৰ পৰা খুলি ৰখা ৰূপৰ খাৰুযোৰ
ৰবিয়াৰ তাত বন্ধকত আছে ।
—টকা নাই, উলিয়াব নোৱাৰিম ।
তাজমহলৰ সৌধ ৰচনা নকৰোঁ ;
—অসম্ভৱ কল্পনা—
······বেবাদলখাঁৰ প্ৰয়োজন আৰু নহয় ।

——:0:——

# নাট্য সাহিত্যত ৺জ্যোতিপ্ৰসাদ আগৰৱালা

ৰচনা ]

—ৰণীন্দ্ৰ কুমাৰ বৰদলৈ
৩য় বাৰ্ষিক ( কলা )

বেজবৰুৱাৰ ডালিমীৰ বিষয়ে ক'বলৈ যাওঁতে ৺জ্যোতিপ্ৰসাদে কৈছিল, "……লক্ষ্মীনাথৰ মৰমিয়াল বিশ্বপ্ৰেমেৰে ভৰপূৰ অন্তৰখন কুমলীয়া ডালিমীজনী হৈহে যেন নাটকৰ পাঁতে পাতে নাচিবাগি অসমীয়াৰ লগে লগে মানুহৰ মনৰ দুৱাৰে দুৱাৰে ঘুৰি-ফুৰি হোৱাত মৰমৰ ফলফুল লৈ বিলাই ফুৰিছেহি।" তেওঁৰ এই উক্তিৰ পৰা এইটো ফটফটীয়া হৈ পৰে যে বিশ্ব-প্ৰেমিক বেজবৰুৱাৰ সৰল অন্তৰৰ সন্ধান পাবলৈ হ'লে তেওঁৰ অশৰীৰী জীয়াৰী ডালিমীৰ চৰিত্ৰ অধ্যয়ন কৰা আৱশ্যক। ৰূপকোঁৱৰৰ মৃত্যুৰ পিচত আজি তেওঁৰ বেগিকাও সেই একে কথাকে ক'ব পাৰোঁ। ৺জ্যোতি প্ৰসাদৰ শিল্পী-প্ৰাণৰ লগত চা-চিনাকি হ'বলৈ আৰু তেওঁৰ বিপ্লৱী অন্তৰৰ গম লবলৈ হ'লে তেওঁৰ ৰচনা কাহিয়াই চোৱাটো নিতান্ত আৱশ্যক। ৰূপকোঁৱৰৰ অশৰীৰী আত্মাটো তেওঁৰ ৰচনাৰ পাতে পাতে ৰূপায়িত হৈ আছে। তেওঁৰ সুন্দৰ কোঁৱৰে যেতিয়া ৰাজমাও দেউতাৰ আগত কয়।—

"তোমাৰ সাতামপুৰুষীয়া ৰীতি-নীতি ভাঙি চুৰমাৰ কৰিম। তোমাৰ আজ্ঞা, সমাজৰ আজ্ঞা, মোৰ উপৰি পুৰুষৰ আজ্ঞা, শাস্ত্ৰৰ বিধান, শাস্ত্ৰকাৰৰ নিবন্ধন আটাইবোৰৰ বিৰুদ্ধে যাম।" তেতিয়া পুৰণিক ভাঙি নতুনক পতাৰ জ্যোতিপ্ৰসাদৰ প্ৰাণৰ যি আকুল স্পৃহা সি চকুৰ আগত জলজল্ পটপট্ হৈ পৰে।

৺জ্যোতিপ্ৰসাদ আগৰৱালা নতুন অসমৰ শিল্পী, অসমীয়া সাহিত্যত নকৈ পাতনি মেলা যুগটোৰ নাট্য-সাহিত্যত 'জ্যোতি' দেখুৱাওঁতা। ৺জ্যোতিপ্ৰসাদৰ 'লভিতা'ক যুগান্তৰকাৰী নাট বুলি ক'লেও বঢ়াই কোৱা নহয়। 'লভিতা'ই এৰি অহা যুগটোৰ নাট্যসাহিত্যৰ 'গতানুগতিক' বান্ধটো ভাঙি পেলাইছে।

৺আগৰৱালা দেৱে নিজেই কৈছে "হয়তো লভিতাৰ মাজেদি নাটকীয় কাৰিকৰিৰ 'গতানুগতিক' বান্ধ অসমীয়া নাটত ভাগি যাব খুজিছে"। নতুন যুগৰ শিল্পী, সাহিত্যিক, নাট্যকাৰ স্বাধীনচিতীয়া —মুকলিমূৰীয়া। নতুন যুগৰ শিল্পীয়ে পুৰণি গতানুগতিকতাৰ চাৰি ঢাপৰ মাজত থাকি শিল্প ৰচনা নকৰে, জ্যোতিপ্ৰসাদেও কৰা নাই। এৰি অহা যুগটোৰ নাট্য-সাহিত্য গঢ়ি উঠিছিল সমাজৰ প্ৰতি-

পতি বিস্তাৰ কৰি থকা দুই-এক ব্যক্তিক কেন্দ্ৰ কৰি। প্ৰগতিশীল যুগৰ নাট্য সাহিত্য গঢ়ি উঠে সমাজক কেন্দ্ৰ কৰি,—জনসাধাৰণক কেন্দ্ৰ কৰি। ইয়াত নায়ক-নায়িকা বুলিবলৈ সমাজৰ কোনো প্ৰতিপত্তিশালী ব্যক্তিক আৱশ্যক নকৰে; জনসাধাৰণেই ইয়াত নায়ক-নায়িকা। এই খিনিতেই আধুনিক নাট-সাহিত্যৰ বৈশিষ্ট্য। জ্যোতি প্ৰসাদৰ 'লভিতা'ত এই বৈশিষ্ট্য অটুট আছে।

এহাতে বিশ্বজোৰা দ্বিতীয় মহাসমৰৰ খদম্-দম আৰু আনহাতে ভাৰত জুৰি দপ্ দপ্ কৈ জ্বলি উঠা বিয়াল্লিছৰ গণ-বিপ্লৱৰ জুলাজুইৰ মাজত অসমীয়া ৰাইজে, অসমীয়া ডেকা-গাভৰু-বুঢ়াই কেনেকৈ দেশৰ মুক্তিৰ হকে কাম কৰি গৈছিল তাৰ বাস্তৱ ছবি এখনকে আগৰৱালাদেৱে 'লভিতা'ত অঙ্কিত কৰিছে। ৰূপকোঁৱৰৰ 'লভিতাই চাৰ্লচ্ ডিকেন্সৰ 'নগৰ দুখনৰ কথা' [A tale of two cities] লৈ মনত পেলাই দিয়ে। নাটখনৰ সমাপতিৰ দৃশ্যটোক বাদ দি বাস্তৱতাৰ ফালৰপৰা চাই পঠিয়াই 'লভিতা'ক বিয়াল্লিছৰ গণ-আন্দোলনৰ ইতিহাস এখন বুলি আখ্যা দিলেও আপত্তি-বিপত্তি কৰিবলৈ বিশেষ থল নেথাকে। নাট্যকাৰৰ নিজৰ ভাষাত কবলৈ গ'লে, "এই নাটকত যি বোৰ ঘটনা আৰু চৰিত্ৰ দিয়া হৈছে, সেইবোৰ সকলো বিয়াল্লিছৰ আৰু দ্বিতীয় মহাসমৰৰ অসমত হোৱা সঁচা ঘটনাৱলীৰ ওপৰত প্ৰতিষ্ঠিত।" সুক্ষ্মদৰ্শী শিল্পী ৰূপকোঁৱৰৰ 'লভিতা'ত বিয়াল্লিছৰ বিপ্লৱ আৰু যুদ্ধৰ কালচোৱাত ঘটা এটা ঘটনাও বাদ পৰি যোৱা নাই। আনকি যুদ্ধই দেশৰ এমুঠি সুবিধাবাদীলৈ ধন ঘটিবলৈ যি সুবিধা আদি দিছিল তাকো নাটখনত সমাবেশ কৰিবলৈ আগৰৱালাদেৱে পাহৰা নাই। নাটখনৰ আগছোৱাত ঠিকাদাৰ দুজনৰ কথাৰ পৰাই এই কথা ওলাই পৰিছে। লভিতা আৰু ইলাহী বক্চৰ মাজত পিতৃ আৰু জীয়াৰীৰ যি প্ৰীতি গঢ়ি উঠিছিল সিয়ো অসমীয়া হিন্দু আৰু মুছলমানৰ মাজৰ সাম্প্ৰদায়িক সম্প্ৰীতিৰেই এটা পটন্তৰ মাথোন। এই সকলো ফালৰ পৰা চালি জাৰি চালে 'লভিতা' বাস্তৱবাদী নাটৰ শ্ৰেনীত পৰি যায়। আধুনিক যুগৰ নাট-সাহিত্য-শিল্প সকলো বাস্তৱবাদী। বৰ্ত্তমান যুগত কবি-সাহিত্যিক-নাট্যকাৰৰ আকাশকুসুম কল্পনাই মানুহৰ অন্তৰ স্পৰ্শ কৰিব নোৱাৰে। কলা-বিশাৰদ আগৰৱালাই যে এই কথা ভালকৈয়ে উপলব্ধি কৰিব পাৰিছিল সেইটো 'লভিতা'ই প্ৰমাণ কৰে।

সমাপতিৰ দৃশ্যটোত কল্পনাৰ সহায় লোৱা বুলি নাট্যকাৰে নিজেই স্বীকাৰ কৰিছে। এই চিত্ৰটি ৰূপকোঁৱৰৰ মনেগঢ়া চিত্ৰ। সেই বুলি পূৰ্ব্ব ঘটনাৱলীৰ লগত এই দৃশ্যৰ কাৰ্য্যাৱলী ৰজিতা খাই পৰা নাই বুলি কোনেও কব নোৱাৰে।

আগৰৱালাদেৱৰ শিল্পী হাতৰ বুলনিত এই দৃশ্যই নাটকৰ সৌন্দৰ্য্য হানি কৰোক চাৰি বঢ়াইছেহে। এই দৃশ্যতেই লভিতাৰ দেশ-প্ৰেমৰ চৰম ৰূপটো ফুটি উঠিছে। অন্তিম সময়ত লভিতাই যেতিয়া নাৰ্চ ডুগৰাকীক কয়, "......যাবৰ সময়ত মোৰ অসম আইৰ মাটিৰে কপালত এটা ফোট দিয়া—মোৰ দেশৰ মাটিৰে—ফোট—" আৰু "মই যাবৰ সময়ত অসমৰ সুৱদীসুৰীয়া মাত—ভনীটিইত নাম—এটি অসমৰ সুৱদী নাম—" তেতিয়া বেজবৰুৱা দেৱৰ "অ' মোৰ আপোনাৰ দেশ" ইত্যাদি জাতীয় সঙ্গীতটোলৈ মনত পৰে। বেজবৰুৱাৰ লেখীয়াকৈ আগৰৱালাই সেই একেটি দেশ-প্ৰেমৰ সুৰকেই এই দৃশ্যত প্ৰতিধ্বনিত কৰিছে। 'লভিতা' আগৰৱালাৰ দেশ-প্ৰেমৰ নিদৰ্শন। আগৰৱালাৰ দেশ-প্ৰেম এই নাটত পৰিস্কাৰ হৈ দেখা দিছে।

'লভিতা' লিখকে পাতনিত যদিও নাটখনত কোনো 'প্লত' নাই বুলি কৈছে, তথাপি এটা কথা মন কৰিবলগীয়া এই যে তেওঁ নাটখনৰ প্ৰথম দৰ্শনতে ঘটনাৰ মোৰ তৰি লওঁতে আৰু 'বেকৃগ্ৰাউণ্ডটো'ৰ অৱতাৰণা কৰোঁতে চেক্সপিয়েৰৰ লেখীয়াকৈ কৃতকাৰ্য্য হৈছে। এই দৃশ্যত নাট্যকাৰে পোনেপোনেই লভিতা, ৰূপ, সোণ আৰু হীৰাক উলিয়াই দিয়াৰ পিছতে ভলন্টিয়াৰক উলিয়াই দি বিয়াল্লিছৰ বিপ্লৱৰ আৱহাৱাটো সৃষ্টি কৰে। একেটা দৃশ্যৰে শেষৰ পিনলৈ বোমা পৰাৰ শবদেৰে যুদ্ধৰ কথাটো দৰ্শকৰ আগত দাঙি ধৰিছে। স্বাধীনতা যুদ্ধ আৰু দ্বিতীয় মহাসমৰ এই দুয়োটা সুকীয়া ঘটনাক একেটা দৰ্শনত গাঁথি দিওঁতে ৰূপকোঁৱৰৰ সৃষ্টি-প্ৰতিভা ভালকৈ প্ৰকাশিত হৈছে।

'কাৰেঙৰ লিগিৰী' জ্যোতিপ্ৰসাদৰ সৃষ্টি-প্ৰতিভাৰ অনুপম অৱদান। ৰূপকোঁৱৰৰ আটাইখিনি কলানৈপুন্য এই নাটকত সোমাই আছে। আগৰৱালাদেৱৰ এই নাট খনিয়ে তেওঁৰ কলা নৈপুণ্যক অসমীয়া সাহিত্যত অমৰ কৈ ৰাখিব। পুৰণি ৰজাঘৰীয়া আৱহাৱাৰ গাত ভেজা দি নাটখনৰ কাহিনী অৱতাৰণা কৰা কাৰণে 'কাৰেঙৰ-লিগিৰী'ক বুৰঞ্জীমূলক নাট যেন লাগে। আচলতে এই নাটৰ আখ্যান নাট্যকাৰৰ মনে-গঢ়া। এই কথা নাট্যকাৰে নিজেই কৈ গৈছে। কাল্পনিক নাট হলেও এই নাটত পুৰণি ৰজাঘৰীয়া আৱহাৱাটোক অক্ষুণ্ণ ৰাখোতে আগৰৱালা সম্পূৰ্ণ সফল হৈছে।

'লভিতা' আৰু 'কাৰেঙৰ লিগিৰী' দুয়োখন নাটৰ মাজেদিয়েই কাৰুণ্যৰ সুৰ এটা প্ৰবাহিত হৈছে। লভিতাত এই কাৰুণ্য আৰম্ভনিৰ পৰাই আৰম্ভ হৈছে। সুদূৰ দিগন্তৰ পৰা বৈ অহা বনগীত এটিৰেই এই নাটৰ পাতনি মেলা হৈছে। এই বনগীতটিৰ বিষয় বস্তু হ'ল মাহী আইৰ কোপ-দৃষ্টিত পৰি লুইতৰ পাৰত নিৰ্ব্বাসিত হৈ থকা মাউৰা তেজীমলাৰ কৰুণ বিননি। এনে বনগীত এটিৰে নাটখনৰ মোৰ তৰি লোৱাৰ অভিসন্ধিটো

নাটখন পঢ়ি গলেহে উপলব্ধি কৰিব পাৰি। এই বনগীতটিয়ে নাটখনৰ কাৰুণ্য বেছি গভীৰ কৰি তুলিছে। লভিতাও আছিল তেজীমলাৰ লেখীয়া। মাউৰা ছোৱালী। নাটখনৰ আগছোৱাতে তাই পিতৃহাৰা হৈ অশেষ যাতনাৰ মাজেদি গৈ গৈ অৱশেহত একে নগা পৰ্বততে 'কাৰেঙৰ লিগিৰী'ৰ নায়িকা শেৱালীৰ নিচিনাকৈ মৃত্যুমুখী হৈছে। পাৰ্থক্য ইমানেই যে শেৱালী আত্মঘাতী হৈছিল আৰু লভিতাই শত্ৰু পক্ষৰ গুলিৰ আঘাতত জীৱনৰ সামৰণি মাৰিছিল।

'লভিতা' আৰু 'কাৰেঙৰ লিগিৰী' দুয়োখন নাটকৰ মাজেদিয়েই পৰস্পৰ বিৰোধী দুটা আদৰ্শৰ অন্তৰ্দ্বন্দ চলি আহিছে। এহাতে পুৰণি বিধি ব্যৱস্থা; ৰীতি-নীতি, আচাৰ-বিচাৰ ইত্যাদিক অটুট ৰাখিবলৈ এটা বৃথা চেষ্টা চলিছে আৰু আনহাতে পুৰণিক ভাঙি নতুনক পাতিবলৈ এটা বিৰাট বিপ্লৱ চলিছে। 'লভিতা'ত—মৌজাদাৰৰ ঘৰত হোৱা লভিতা আৰু গাওঁবুঢ়াৰ কথা-বতৰা আৰু 'কাৰেঙৰ লিগিৰী'ত ৰাজমাও দেউতা আৰু সুন্দৰ কোঁৱৰৰ বাকবিতণ্ডা ইয়াৰ উদাহৰণ স্বৰূপে উল্লেখ কৰিব পাৰি। পুৰণিক ধ্বংস কৰি নতুনক সৃষ্টি কৰাৰ বিপ্লৱী মনোবৃত্তিটো 'লভিতা'ত উধৰ পৰা মুধলৈকে বৈ গৈছে। 'কাৰেঙৰ লিগিৰী'ত এই মনোবৃত্তিয়ে মাজচোৱাৰ পৰাহে গা দেখা দিছে। মৌজাদাৰৰ ঘৰৰ অভিজাত্যৰ বিষয়ে গোলাপৰ আগত কওঁতে লভিতাই কৈছে, "তেওঁলোকে মানুহক গৰকি গৰকি মানুহক যে মানুহ বুলি ভাবিব লাগে সেইটো পাহৰিয়েই গৈছে।" যুদ্ধই পৃথিবীলৈ আনি দিয়া পাপবোৰ দেখি বুঢ়া ইলাহীবক্সে কৈ উঠিছে, "মানুহৰ তেজ মানুহে খাইছে, দুনিয়াৰ মানুহ আজি ৰাজ্য লৈ পগলা হৈছে।....... আচমানৰ পৰা হাজাৰ হাজাৰ তৰাৰ দৰে বোমা আহি সকলো নাশ কৰি দিয়ক। ভূঁইকপ হৈ তলৰ মাটি ওপৰ কৰি দুনিয়াৰ চব গুণাহবোৰ পুতি পেলাওঁক।" বুঢ়া ইলাহীবক্সে এটা "দৈত্য হৈ" গোটেই খনকে "মোহাৰি মোহাৰি ভাঙি গুৰি কৰি চূৰ্ণ কৰি, ধূলি কৰি ফু মাৰি উৰুৱাই" দিবলৈ ব্যাকুল হৈ পৰে। সেই একেটা মনোভাৱ সুন্দৰকোঁৱৰে কাঞ্চনমতীৰ আগত কোৱা কথাবোৰত ফুটি উঠিছে, "প্ৰলয় হব হওঁক। প্ৰলয়ৰ আৱশ্যক হৈছে। শতাব্দী ধৰি গোটখাই থকা সমাজৰ আৱৰ্জ্জনা ধুই সমাজক নিৰ্ম্মল আৰু পবিত্ৰ কৰিবলৈ এক প্ৰলয়ৰ অতি আৱশ্যক হৈছে। মই সেই প্ৰলয়ক আজি আহ্বান কৰিছোঁ।..." সমাজ-চেতনাৰ ৰূপটো 'লভিতা' আৰু 'কাৰেঙৰ লিগিৰী'ৰ ঠায়ে ঠায়ে এনেকৈ ওলাই পৰিছে।

মানৱ জীৱনৰ একোটা মুহূৰ্ত্তৰ দুৰ্ব্বলতাই ঘটনাৰ পাক-চক্ৰ একেবাৰে আন এপিনে ঘূৰাই দিয়ে। এই কথা কলাবিশাৰদ আগৰৱালাই 'কাৰেঙৰ লিগিৰী'ত ভালকৈ আঁকি দেখুৱাইছে। অনঙ্গই তেওঁৰে সৈতে থকা কাঞ্চনমতীৰ গুপুত প্ৰণয়ৰ কথা সুন্দৰ কোঁৱৰৰ বিয়াৰ আগতে "ওঁৰ আগত লৈ ফুৰাইও" কওঁ কওঁ কৈ কব নোৱাৰিলে। তাৰ ফলতেই কাঞ্চনমতী আত্মঘাতী হ'ব লগীয়া হ'ল; অনঙ্গই নিজে নিৰ্ব্বাসন খাটিলে। অনঙ্গৰ এই "মানসিক দুৰ্ব্বলতা"ৰ কাৰণে তেওঁ কেতিয়াও দোষী নহয়, দোষী সমাজহে, সমাজৰ সোলোক-

ঢোলোক ৰীতি-নীতিহে। এই খিনিতে যদি আগৰৱালাদেৱে অনঙ্গৰ কাপুৰুষালি খিনি আঁকি নেদেখুৱালেহেঁতেন তেনেহ'লে নাটখনৰ সৌন্দৰ্য্য কিছু হানি হ'লহেঁতেন।

অনঙ্গ আৰু কাঞ্চনমতীৰ গুপুত প্ৰণয়ৰ কথা সুন্দৰে যেতিয়া জানিলে, তেওঁ দুৰণিৰ কাজিৰঙ্গালৈ গৈ কাঞ্চনমতীক অনঙ্গক গতাই দি জীৱনৰ মহাভুল শুধৰাবলৈ বিচাৰিলে; অনঙ্গই কিন্তু কাঞ্চনমতীক গ্ৰহন কৰিবলৈ অমান্তি হ'ল। সুন্দৰে অনঙ্গ আৰু কাঞ্চনমতী হাঙ্গকে নিৰ্ব্বাসন দণ্ড বিহিলে। তাৰ পিচমুহূৰ্ত্ততে নাট্যকাৰে পৰৱৰ্ত্তী ঘটনাৱলীৰ আগজাননী অনঙ্গৰ হতুৱাই দিছে চাওঁক।

অনঙ্গ: সুন্দৰ, সুন্দৰ! বন্ধু হৈ বন্ধুক নুবুজিলা। পণ্ডিত হৈ যুক্তি নুশুনিলা! হৃদয়ৱান হৈ আনৰ কলিজাৰ তেজেৰে ফাকু খেলিলা—মনত ৰাখিবা সুন্দৰ কোঁৱৰ তুমিও সাৰি নোযোৱা। যি ৰথৰ বাঘজৰী ধৰি তুমি নিৰ্ম্মম ভাবেৰে আমাৰ ওপৰেদি ৰথ চলাই লোহাৰ চকৰিৰে আমাক নিষ্পেষিত কৰি গ'লা, এদিন—এদিন—তুমিও নিজেই তোমাৰ এই নিজৰ ৰথেৰে চকাৰ তলত পৰি নিষ্পেষিত হ'বা। যি অগ্নিৰে ধেমালি পাতি তুমি আনৰ ঘৰ ভস্মীভূত কৰিলা, সেই অগ্নিয়ে উভটি তোমাৰ জীৱন চাৰখাৰ কৰিব তোমাক তিলতিলকৈ পুৰি তোমাক মৰ্ম্মে মৰ্ম্মে মোৰ হৃদয়ৰ জ্বালা অনুভৱ কৰাব আৰু তোমাৰ প্ৰতি লোমকূপ এটি এটি জ্বলাময়ী আগ্নেয়গিৰিত পৰিণত হ'ব।"

নাটখনৰ দ্বিতীয়াংশৰ থুলমূল এটা এনেকৈয়ে আগৰৱালাদেৱৰ অনঙ্গৰ হতুৱাই দাঙি ধৰিছে। এইখিনিতেই 'কাৰেঙৰ লিগিৰী'ৰ 'প্লট'-টো ধৰা পৰে। অনঙ্গৰ এই ভবিষ্যতবানী পিচলৈ কেনেকৈ আখৰে আখৰে ফলিয়ালে, সি নাটকৰ শেষৰ পিনৰ সুন্দৰৰ বচন এটাত ফুটি উঠিছে,

সুন্দৰ: "দেখিলো বন্ধু। আজি তোমাৰ অভিশাপক মই নিজে প্ৰাণ দি জীৱন্ত কৰি তুলিবলৈ ওলাইছোঁ। মই বাঘজৰী ধৰা ৰথৰ চকাৰ তলত জাপ দি মই নিজেই গুৰি হৈ যাবলৈ ওলাইছোঁ।........"

শেৱালীৰ ভালপোৱা আছিল স্বৰ্গীয়, তাইৰ প্ৰণয় আছিল পবিত্ৰ, তাইৰ মৰম আছিল নিস্বাৰ্থ। সুন্দৰ কোঁৱৰৰ প্ৰতি তাইৰ ভালপোৱা স্বতঃফূৰ্ত্ত ভাৱেই অন্তৰৰ পৰা বৈ আহিছিল। এই কথা সুন্দৰৰ বন্ধু সুদৰ্শনৰ হতুৱাই নাট্যকাৰে সুন্দৰৰ আগত দাঙি ধৰিছে।

সুদৰ্শন: "........ভাল পাই মানে তোমালৈ আকাঙ্ক্ষা নকৰে। জোনটোক যেনেকৈ মানুহে ভাল পায়, কিন্তু তাক পাবলৈ আকাঙ্ক্ষা নকৰে, পোৱা অসম্ভৱ বুলি জানে; কিন্তু তাৰ শীতল কিৰণত ফুৰি আনন্দ পায় সেইদৰে তায়ো তোমাক পাবলৈ আকাঙ্ক্ষা নকৰে কিন্তু তোমাৰ মৰমৰ উমনি দেখি বলিয়া হৈ থাকে।"

আকৌ শেৱালীৰ প্ৰাণৰ প্ৰেমৰ স্বাভাৱিক উচ্ছ্বাস কেনেকৈ প্ৰকাশ পাইছে চাওঁক।

সুন্দৰ: শেৱালী তই মোক ভাল পাৱনে?

শেৱালী : (স্বাভাৱিক ভাৱে) পাওঁ কোঁৱৰ।

× × × ×
× × × ×

সুন্দৰ : কিয় ? কিয় ভাল পাৱ ?
শেৱালী : এনেয়ে ভাল পাওঁ।

× × × ×
× × × ×

সুন্দৰ : ( তাচ্ছিল্যৰে ) এনেয়ে ভাল পাৱ ?
(শেৱালীয়ে কান্দিবলৈ ধৰে)
এনেয়ে ভাল পাৱ ? এনেয়ে ?
শেৱালী : (কান্দি কান্দি) পা—ওঁ। এ—নে—য়ে—।
(কান্দে)

সুন্দৰ : মিছা—মিছা মিছা।

শেৱালী : (বৰকৈ উচুপি) পা—ওঁ—এনে—য়ে। শেৱালীৰ প্ৰেম যে পাৰ্থিব সুখ সম্ভোগৰ পৰা বহু ওপৰত আছিল সেই কথা তাইক আনিবলৈ গৈ সুন্দৰ নগা পৰ্ব্বতত ওলাওঁতে তাই কণুক, জুমুক, ঠুমুকইঁতৰ আগত কোৱা কথাই প্ৰমাণ কৰে—

"ৰজাৰ লৰাই মোক কুঁৱৰী পাতিলে ৰজাৰ ডাঙৰীয়া সকলে কোঁৱৰক ৰজা ভাঙিব। আৰু মৰোৱাই পেলাব পাৰে বুজিছ।"

সেয়েহে তাই আত্মত্যাগেৰে সুন্দৰৰ প্ৰাণ বচাই গ'ল। তাইৰ আত্মত্যাগ হয়তো দৰ্শকৰ কাৰণে হৃদয় বিদাৰক, কিন্তু তাইৰ আত্মত্যাগেহে তাইৰ প্ৰেমক মহীয়ান কৰি তুলিলে, গৰীয়ান কৰি ৰাখিলে,—শেৱালীৰ আত্মত্যাগেহে জ্যোতি প্ৰসাদৰ 'কাৰেঙৰ লিগিৰী'ক অমৰ সাহিত্যৰ শাৰীলৈ তুলিলে।

নাটখনৰ শেষাংশত সুন্দৰে শেৱালীৰ সন্তেদহে পালে; নাট্যকাৰে কিন্তু শেৱালীক সুন্দৰৰ আঁত-ৰতে ৰাখিলে। নাট্যকাৰে শেৱালীক সুন্দৰৰ আগত উলিয়াই দিলে নাটখনৰ সৌন্দৰ্য্য হানি হোৱাৰ আশঙ্কা আছিল, কিয়নো তেতিয়া হলে সুন্দৰৰ লগত হোৱা কথা-বতৰাই শেৱালীৰ আত্ম-ত্যাগ অসম্ভৱ কৰি তুলিলেহেঁতেন।

শেৱালীৰ প্ৰেম নিস্বাৰ্থ আছিল গুণেই আদৰ্শ-বাদী কোঁৱৰে তাইৰ প্ৰাণৰ টানটোক উলাই কৰিব পৰা নাছিল। ইয়াৰ ফলস্বৰূপেই শেৱালীৰ প্ৰতি নিজৰ অজ্ঞাতেই সুন্দৰ আসক্ত হৈ পৰিছিল। এই কথা তলৰ কথোপকথনত কেনে ধুনীয়াকৈ ফুটি উঠিছে সি চাব লগীয়া।

সুন্দৰ : বন্ধু—এই কথাবোৰৰ বিষয় তুমি কি ভাবা ?
সুদৰ্শন : কি কথা ?
সুন্দৰ : শেৱালীৰ সতে মোৰ এনে—
সুদৰ্শন : বুজিছোঁ। (মিছিক কৈ হাঁহে)
সুন্দৰ : হাঁহিলা দেখোন—
সুদৰ্শন : এৰা।
সুন্দৰ : (প্ৰশ্নসূচক দৃষ্টিৰে আৰু কৌতুহলপূৰ্ণ ভাৱেৰে সুদৰ্শনলৈ চাই ৰৈ থাকে)।
সুদৰ্শন : তুমি শেৱালীক আন লিগিৰীতকৈ মৰম কৰা ?
সুন্দৰ : কৰোনেকি ?

সুদৰ্শন : তুমি যেই সেই ভাৱতে শেৱালীকহে মাত্তা ?
সুন্দৰ : জানোঁ। হবলা।
সুদৰ্শন : আন লিগিৰীতকৈ তাইৰ সতে কথা বতৰা সৰহ ?
সুন্দৰ : ......... ......
সুদৰ্শন : লিগিৰীবোৰৰ সতেতো তুমি ঠাট্টা মস্কৰা বা বং ধেমালী নকৰা ?
সুন্দৰ : নিশ্চয় নকৰোঁ।
সুদৰ্শন : কিন্তু শেৱালীৰ সতে মাজে মাজে—
সুন্দৰ : কৰোঁ নে কি ?

সুন্দৰ আৰু শেৱালীৰ মাজৰ প্ৰেম আছিল স্বাভাৱিক, —স্বতঃস্ফূৰ্ত্ত। এই আদৰ্শপ্ৰেমৰ চানেকি দাঙি ধৰোঁতে আগৰৱালাদেৱ সম্পূৰ্ণ সফল হৈছে।

চৰিত্ৰ অঙ্কণত আগৰৱালাদেৱ সিদ্ধহস্ত তেওঁ কণুক, জুমুক, ঠুমুক আৰু নগালৰাৰ চৰিত্ৰ বৰ মনোমোহা। সিহঁতক প্ৰকৃতি দেৱীৰ লৰা-ছোৱালী যেন লাগে। কণুক, জুমুক, আৰু ঠুমুকহঁতক বেজবৰুৱাৰ ডালিমীৰ ভনীয়েৰহঁত যেন লাগে। ডালিমীৰ নিছিনাকৈয়ে সিহঁতৰ অন্তৰ সৰল। ডালিমীৰ নিছিনাকৈয়ে সিহঁতে নাচি-বাগি হাঁহি-মাতি দেও দি দি পৰ্ব্বত বগাই ফুৰে। ভৈয়ামৰ ছোৱালী শেৱালীক সিহঁতৰ মাজত পাই সিহঁতে 'নাচি জপিয়াই' কৈ উঠে, "বৰ ভাল হ'ব আমি এতিয়া চাৰিজনী হ'লোঁ......।"

আগৰৱালাদেৱে বেজবৰুৱাৰ "জয়মতী"ক বোলছবিলৈ পৰিণত কৰিছিল। "জয়মতী"ৰ ডালিমীয়ে তেওঁৰ অন্তৰত এটা দ সাঁচ বহুৱাই গৈছিল। সেয়েহে তেওঁৰ কণুক, জুমুক, ঠুমুকহঁতৰ লগত বেজবৰুৱাৰ ডালিমীৰ সাদৃশ্য আছে। নগাচাওত অনঙ্গই কোৱা কথাবোৰ বেজবৰুৱাৰ গদাপাণিৰ কথা যেন লাগে। অনঙ্গই নগাল'ৰাক যেতিয়া কয়,

"তোৰ চাৰাপেন গছৰ কুমলীয়া পাত হ'ল, ৰঙা ফুল হ'ল, জুৰিৰ পানী হ'ল, বৰযুণৰ টোপাল হ'ল।"—

তেতিয়া আগৰৱালাৰ 'ৰোমাণ্টিচিজিমে' হাতত ধৰা দিয়ে। 'কাৰেঙৰ লিগিৰী'ৰ ৰেৱতীৰ মুখত দিয়া যোজনা বোৰে লচ্‌পচী অসমীয়া ছোৱালীলৈ মনত পেলায়। "লভিতাংতো হীৰা, ৰূপ, সোণ হঁতৰ চৰিত্ৰ একে ধৰণৰ। বপুৰাৰ চৰিত্ৰৰ যোগেদি আগৰৱালাৰ হাস্যৰস ফুটি উঠিছে। 'লভিতা'ৰ ভলন্টিয়াৰৰ চৰিত্ৰত আগৰৱালাৰ আত্ম-প্ৰতিবিম্ব পৰিছে। আগৰৱালা নিজে যেনে আদৰ্শবাদী কংগ্ৰেছী লোক আছিল, ভলন্টিয়াৰো তেনে আদৰ্শবাদী। বুঢ়া ইলাহী বক্সৰ মুখত "হিন্দু" শব্দৰ ঠাইত 'হেন্দু' শব্দ দিওঁতে স্বাভাৱিকতা থকা যেনে লাগে, কিয়নো গাৱলীয়া বুঢ়া মুছলমান মানুহৰ মুখত 'হিন্দু'ৰ ঠাইত "হেন্দু"হে ওলায়। কে শৰ্ম্মাৰ মুখত দিয়া I see ইত্যাদি ইংৰাজী শব্দয়ো স্বাভাৱিকতা ফুটাই তুলিছে। গোলাপ আৰু লভিতাৰ মাজত যদি কিবা প্ৰণয় উপজিছিল, সি সিহঁতৰ চৰিত্ৰৰ মাজেদি ফুটি নুঠিল, অস্পষ্টতাৰ মাজতে ৰ'ল। অনঙ্গ আৰু কাঞ্চনমতীৰ চৰিত্ৰ বাস্তৱমূলক।

'কাৰেঙৰ লিগিৰী'ৰ শেষৰ পিনলৈ নগালৰা আৰু অনঙ্গৰ কথা-বতৰাৰ পিচত নগালৰা আঁতৰি যাওঁতে অনঙ্গৰ মুখত নাট্যকাৰে এটা দীঘলীয়া 'চালিলকি' দিছে। এই 'চলিলকি'ত আগৰৱালাদেৱৰ

কাব্যিক অন্তৰখন বিৰিঙি উঠিছে। আধুনিক যুগত এনে 'চলিলকি'য়ে দৰ্শকৰ মন আমুৱাই পেলায় বুলি বহুতে মত প্ৰকাশ কৰে। তথাপি কোনো কোনো ক্ষেত্ৰত নাট্যকাৰে এনে কৰিবলৈ বাধ্য হয়। নাট্যকাৰ বাৰ্ণাৰ্ড শ্বই বোলে তেওঁৰ 'জনবুলচ্ আদাৰ আইলেণ্ড'ত কোনো এটা চৰিত্ৰৰ মুখত এনে 'চলিলকি' এটা দিবলগীয়া হওঁতে সেই দৃশ্যত ফৰিং এটা সুমাই দিছিল। ৰূপকোঁৱৰ অনঙ্গয়ো এই ক্ষেত্ৰত নিৰ্জ্জীৱ প্ৰকৃতিক সজীৱ কৰি তুলিহে 'চলিলকি'ৰ অৱতাৰণা কৰিছে। একলীয়া হৈ বচন মতা উদাহৰণ আগৰৱালাৰ এই দুই নাটত পাবলৈ নাই। তাৰোপৰি নিপুণ নাট্যকাৰ অগৰৱালাৰ নাটৰ স্থান আৰু সময়ৰ 'ঐক্য'ৰ প্ৰতি বেচ মনোযোগ দিয়া হৈছে।

আগৰৱালাদেৱ নিজে এজন সুনিপুণ অভিনেতা আছিল। তেওঁৰ নাট সমূহ অসমীয়া ৰঙ্গমঞ্চৰ কাৰণে বেচ উপযোগী হৈছে সেই বিষয়ে সন্দেহ কৰিবলৈ থল নাই। এই খিনিতে এটা কথা নকলে ভুল কৰা হ'ব যে আগৰৱালাৰ 'কাৰেঙৰ লিগিৰী' অভিনীত কৰিবলৈ হ'লে চহকী ৰঙ্গমঞ্চৰ আৱশ্যক।

'শোণিত কুঁৱৰী' নাটক আগৰৱালাৰ প্ৰথম প্ৰয়াস হলেও এই নাটখনি অসমৰ সম্পদ বুলি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভাইচচেন্সেলাৰ সন্দিকৈ ডাঙৰীয়াই কৈ গৈছে। 'শোণিত কুঁৱৰী' নাটতো আগৰৱালাদেৱৰ শিল্পী হাতৰ সাঁচ বৈ গৈছে। আগৰৱালাৰ এইখন নাট আদিৰ পৰা অন্তলৈ কবিতা ময়। এগৰাকী অসমৰ সুধীয়ে কৈছে, "ভাব বস্তুৰ ফালৰ পৰা পৃথক যদিও পৌৰাণিক অখ্যান উষা পৰিণয়ক কেন্দ্ৰ কৰি গঢ়ি উঠা 'শোণিত'ৰ কুঁৱৰী'ক বেলিজিয়ামৰ নাট্যকাৰ মেটাবলিঙ্কৰ নাট-কৰ কবিতাৰ উঠলি উঠা জোৱাৰৰ লগত ৰিজাব পাৰি। উদাহৰণ স্বৰূপে চিত্ৰলেখাৰ হাতত উষাৰ ছবি দেখি তন্ময় হোৱা অনিৰুদ্ধৰ উক্তি এই খিনিতে উল্লেখ কৰিব পাৰি।"

"এয়ে সেই ছবিখনি মোৰ কল্পনাৰ মাজৰ পৰা ওলাই আহি এই পটত হাঁহি আছেহি। কত জনমৰে পৰা যেন দেখি আহিছোঁ—কত জন-মৰে পৰা মই তোমাৰ কোলাত মূৰ থৈ আহিছোঁ কত জনমেৰ পৰা মই তোমাৰ অধৰ চুমি আহিছোঁ। কতবাৰ মই তোমাৰ হাঁহিত উটি বুৰি সংসাৰ পাহৰি গৈছোঁ। কত জনমৰ পৰা। এয়া-এয়া মই তোমাৰ বুকুৰ স্পন্দন শুনিবলৈ পাইছোঁ— এয়া তোমাৰ তপত বিৰহৰ নিশাহে মোৰ গোটেই গা তিয়াই দিছেহি—"

'শোণিত কুঁৱৰীৰ' ঠায়ে ঠায়ে নাট্যকাৰে ছন্দ প্ৰয়োগ কৰা দেখা যায়। বিশেষকৈ চিত্ৰলেখাই যেতিয়া উষাৰ আগত একালৰ পৰা চিত্ৰ আঁকি যাবলৈ ধৰিলে তেতিয়া উষাৰ মুখত নাট্যকাৰে ছন্দ প্ৰয়োগ কৰিছে। ভাৱাবেগ প্ৰকাশ কৰিবলৈকে আগৰৱালাই এনে কৰা যেন লাগে; চিত্ৰলেখাই যেতিয়া অনিৰুদ্ধৰ ছবি আঁকিলে তেতিয়া উষাই ওৰণি লোৱা কথাই এই চৰিত্ৰক জাতীয় চৰিত্ৰৰ শাৰীলৈ তুলি দিছে।

'শোণিত কুঁৱৰী'ৰ মূল চন্দ্ৰভাৰতীৰ 'কুমৰ হৰণ'। চিত্ৰলেখাৰ লগত উষাৰ সম্বন্ধই এই কথা

প্ৰমাণ কৰে। কুঁজী চৰিত্ৰৰ সৃষ্টিও চন্দ্ৰ ভাৰতীৰ নিজা। 'কুমৰ হৰণ'ৰ মূল যদিও 'হৰিবংশ' আৰু 'দশম ভাগৱত' তথাপি চন্দ্ৰভাৰতীয়ে মূল আখ্যানৰ লগত বহুতো যোগ-বিয়োগ কৰিছে। "উষাৰ অৱৰোধ আৰু চিত্ৰলেখা'ৰ লগত বৰ মাগি-বলৈ যোৱা কথা" হৰিবংশত নাই। এনেবোৰ কথাই প্ৰমাণ কৰে যে "শোণিত কুঁৱৰীৰ" মূল 'কুমৰ হৰণ'। আগৰৱালাৰ শিল্পীহাতৰ বুলনিত 'কুমৰ হৰণ"ৰ পুৰণি আখ্যানটোৱে এটা মনোমোহা ৰূপ লৈছে।

আগৰৱালাৰ নাট সমূহৰ মনস্তাত্বিক বিশ্লেষণ মন কৰিব লগীয়া। অনিৰুদ্ধৰ ছবি অকঁা হ'লত উষাই ওৰণি লোৱা ঘটনাই উষাৰ মানসিক অৱস্থাটো ধুনীয়াকৈ প্ৰকাশ কৰিছে। ইয়াৰ পিচ-মুহূৰ্ত্তত চিত্ৰলেখাই অনিৰুদ্ধ হৰণৰ কাৰণে যাবলৈ ওলাওঁতে উষাই সখী চিত্ৰলেখাৰ ওপৰত কেনেকৈ সন্দেহ প্ৰকাশ কৰিছে চাওক !

উষাঃ "সখী ! সখী ! মোৰ প্ৰাণে যে—সখী ৰবা ৰবা নাযাবা। নহয়, যোৱা যোৱা।"

'কুমৰ হৰণ'ত এই কথা বেলেগ ধৰণেৰে প্ৰকাশ পাইছে।

"উষা বোলে সখী তোৰ বুজিলোঁ আকলি।
আগে শাস খাই তই দিবিহি বাকলি ॥"

আগৰৱালাদেৱৰ মনস্তাত্বিক বিশ্লেষণৰ বিষয়ে ক'বলৈ যাওঁতে "কাৰেঙৰ লিগিৰী"ৰ আৰু এটা ঘটনা মনত পৰে। সুন্দৰে কাঞ্চনমতীৰ সৈতে তেওঁৰ বিয়াত মত দি সুদৰ্শনক ৰাজমাও দেউতাৰ ওচৰলৈ পঠোৱাৰ পিচত অনঙ্গই যি বিহ্বলতা প্ৰকাশ কৰিছিল, তাত তেওঁৰ মানসিক অৱস্থাটো সুন্দৰকৈ ফুটি উঠিছে।

'শোণিত কুঁৱৰী' নাটৰ কুঁজী চৰিত্ৰই দৰ্শকৰ মন আকৰ্ষণ কৰে। তাৰ প্ৰৱণতা আৰু অলীক কল্পনাৰ মাধুৰ্য্যৰ মাজত তাই উটি বুৰি নাচি-বাগি হাঁহি-মাতি ঘূৰি ফুৰে।

নাট্যকাৰে চিত্ৰলেখাৰ ভবিষ্যতটো অমিমাংসিত ভাৱেই ৰাখিলে বুলি কোনো কোনোৱে মত প্ৰকাশ কৰিব পাৰে, কিন্তু এনে কৰাৰ সাৰ্থকতা আচলতে একো নাই। কিয়নো 'শোণিত কুঁৱৰী' নাট গঢ়ি উঠিছে উষা পৰিণয়ক কেন্দ্ৰ কৰি, চিত্ৰলেখাক কেন্দ্ৰ কৰি নহয়।

আগৰৱালাৰ নাটসমূহত অসমীয়া গীত, নাম, বনগীত আদিয়ে বহল ঠাই এডোখৰ দখল কৰি আছে। 'শোণিত কুঁৱৰী' নাটৰ গীত সমূহকে চেক্সপিয়েৰৰ 'টেম্পেষ্ট'ৰ লিৰিক্ বোৰৰ সৈতে ৰিজাব পাৰি। জ্যোতিপ্ৰসাদৰ 'কাৰেঙৰ লিগিৰী'ৰ গীত সমূহৰ পশ্চিমীয়া সুৰ আৰু অসমীয়া সুৰৰ

মিলনৰ চেষ্টা ফুটি উঠিছে। 'লভিতা'ৰ গীত সমূহ জ্যোতিপ্ৰসাদৰ দেশ-প্ৰেমৰ প্ৰতীক। এই মাটিৰ অন্তত নাচ ডুগৰাকীয়ে যেতিয়া গায়,

"লুইতৰ আকাশত তৰাৰ তৰাৱলী
পাৰত দীপাৱলী তেজেৰে মোৰ—
আই নাকান্দিবি
থাপনাত তেজেৰে বন্তি দিলেহি
ল'ৰা ছোৱালীয়ে তোৰ।"

তেতিয়া চকুৰ আগত ভাঁহি উঠে কনকলতাৰ ছবি, কোশল কোঁৱৰৰ ছবি, আৰু হেজাৰ হেজাৰ বীৰ বীৰাঙ্গনাৰ ছবি, যি সকলে বুকুৰ কেচা তেজেৰে স্বাধীনতা দীপাৱলীৰ মহাশিখা জ্বলাই গ'ল।

জ্যোতিপ্ৰসাদ প্ৰথম অসমীয়া কথাছবি তোলোঁতা। তেওঁৰ 'জয়মতী' আৰু "ইন্দ্ৰমালতী"য়ে অসমীয়া শিল্পীৰ শিল্প-সাধনাত বিৰাট বিপ্লৱ এটা আনি দি গ'ল। অসমীয়া শিল্প, সাহিত্য, সংস্কৃতিত জ্যোতি প্ৰসাদে দ'কৈ ৰেখা পাত কৰি গৈছে,— "জ্যোতি" দেখুৱাই গৈছে।

——:0:——

---

কটন কলেজ সুকুমাৰ কলা প্ৰতিযোগিতাত ১ম পুৰস্কাৰ প্ৰাপ্ত।

# "তুমিওতো শুনিছিলা হিয়াসাগৰত মোৰ"

কবিতা ]

—মহম্মদ পিয়াৰ
প্ৰাক্তন সম্পাদক

জানা জানো? জনমৰ প্ৰথম পুৱাতে মোৰ
আত্মাৰ অসীম তৃষ্ণাই—
আজিৰ দৰেই হাঁয় চাহাৰাত পথভ্ৰান্ত হই
থাইছিল কিয় হাবাথুৰি?

মৰমৰ প্লাৱনেৰে দুকুল ওপচা নিশা—
তুমিওতো শুনিছিলা—হিয়াসাগৰত মোৰ—
কোলাহল,—আবেগৰ উৰ্ম্মিমালাৰ ।
কামনাৰ সাতৰঙী ৰামধেনু ৰচি
জীৱন আকাশ মোৰ বোলাই নতুন ৰূপে
যাচিছিলা—অনন্ত প্ৰেমৰ উৎস—প্ৰীতি মাধুৰীৰ ।....
সেই দিনা,
আদিম মনৰ মোৰ দেখিলা স্বৰূপ তুমি—
আবেশ-বিহ্বল মোৰ স্বপ্নাতুৰ দুচকুত
অপৰূপ মায়াজালে ৰচা—আলসুৱা মোৰ অনুৰাগ ।
আজি চোঁৱা 'মৰ্ম্মৰ-তাজ' ভাগি যায়—
প্ৰেম-ৰঙা পাষাণৰ বুকুৰ বাণীয়ে সোঁৱৰায়
—বঞ্চিতৰ হিয়াৰ বেদনা ।
'মৰমৰ-তাজো' হাঁয় যুগে আজি নলয় আদৰি,
বুজিলাতো ? অৰ্থহীন সেই স্বপ্নৰাগ ।
—যৱনিকা ?
........সুপ্ত মোৰ প্ৰাণ-শক্তি,—নিৰ্য্যাতনক্লিষ্ট,—
আজি মোৰ, জাগিযে উঠিছে হিয়া ;
অদুৰত জ্বলে দীপশিখা—
দিগন্তৰ বুকুছোৱা মোৰ লক্ষ্য পথ,
ৰথৰ চকৰি ঘূৰে মোৰ আলোকৰ ধ্বজা উৰুৱাই
গুৰি কৰি যত নিষ্পেষণ ।

তুমি আজি ভিক্ষা মোক দিয়া—

ধূলিৰ ধৰাত এই—

মহীয়ান কৰা মোৰ প্ৰেম-ভালপোৱা.

গৰিমা-দীপ্ত ত্যাগে,— প্ৰেৰণাৰ ককণাৰে

অপূৰ্ব্ব কামনাৰ তৃপ্তি আনি দিয়া।

----

# হেৰোৱা সুৰৰ কঁপনি

গল্প ]

—নীলিমা দত্ত
প্ৰাক্তন ছাত্ৰী

অৰ্থপূৰ্ণ জগতখনত তাইৰ জীৱনটো তাইৰ কাৰণে এটা মাথো অৰ্থহীন প্ৰশ্ন।—

মীৰাই মাথো ভাবে;....জীৱনৰ চৌদিশ ঘেৰি থকা প্ৰশ্নবোৰ তাই সমাধান কৰিব নোৱাৰে।....আনবিলাকৰ লগত তাই তুলনা কৰে নিজৰ জীৱনটো।....

....পাহাৰৰ সিপাৰে বেলিটো মাৰ যায়........মাৰ যোৱা বেলিৰ শেষৰ সোণালী ৰহনবোৰ লাগি পাহাৰৰ সীমাৰেখাবোৰো হৈ উঠে সোণালী........। অলপ পিছতে আন্ধাৰ নামি আহে। সোণালী ৰেখাডাল আন্ধাৰৰ পৰশ পাই আন্ধাৰৰ লগতে মিলি যায়।

হোষ্টেলৰ 'বেলকনি'ত বহি মীৰাই মাথো ভাবে—আৰু কান্দে।

........তলত জাকে জাকে ছোৱালীবোৰ ঘুৰি ফুৰিছে, ইজনীয়ে সিজনীৰ ডিঙিত ধৰাধৰিকৈ....। চঞ্চল একো একোটা যেন জুৰি। উচ্ছল সিহঁতৰ গতি। হাঁহিৰ ফোঁৱাৰা নামে,—আধাকোৱাকৈ এবা সিহঁতৰ কথাবোৰ বতাহত উৰি যায়।

........হোষ্টেলৰ সমুখৰ ঘাঁহনিখনৰ সিমূৰত নাৰ্চ-বিলাকৰ হোষ্টেলটো। সোনকালে যিবিলাকৰ ছুটি হয় সিহঁতেও বাহিৰত ফুৰেহি।........সিহঁতৰো জীৱন চঞ্চল

জুৰিয়েই,– কিন্তু গতি তাৰ যেন অলপ বেলেগ।........ কামৰ গহীন 'শিল'বিলাকত ঘঁহনি খাই সিহঁত বাগৰি যায়।কলেজ হোষ্টেলৰ ছোৱালীবোৰৰ লগ সিহঁতে নলয়! তেও সিহঁতৰো আছে মৰমচেনেহৰ অনুভূতি, ....আবেগৰ কঁপনিবোৰ। ধুনীয়া—অলিমন, লীলা, ৰমা, মৃণাল........আৰু বহুতো। সিহঁতেও জীৱন গঢ়ে।........

কঠিন বন্ধা দিনবোৰ সিহঁতৰো বৰ নীৰস লাগে।.... নহবনো কিয়—প্ৰাণে যাৰ বিচাৰে অপৰূপৰ সন্ধান.... মধুৰ সোৱাদ,—একোটা দিনৰ মাথো সময় মতে খোৱা, লৰালৰিকৈ ড্ৰেচ কৰি ডিউটিৰ কাৰণে ওলোৱা আৰু তাৰ পিচত সেই বেমাৰীৰ প্ৰতিপালন....চাৰ্ট লিখা....। এইবিলাকে জানো প্ৰাণটোক সৰস কৰি ৰাখিব পাৰিব–? প্ৰাণৰ উচ্ছাসক সিহঁতে বাধা দিব নোৱাৰে। ........সিহঁতেও বিচাৰে বহুতো কিবাকিবি........।

ইফালে কলেজ হোষ্টেল।.......ৰাণু, জীনু, কমলা, বীণা আৰু বহুতো—! কঠিন বন্ধা দিনবোৰৰ মাজতো সিহঁতে পুৰামাত্ৰাই প্ৰাণক সৰস কৰাৰো উপকৰণ গোটায়।.......হিয়াৰ মাজত সিহঁতে একোৰে অভাৱ অনুভৱ নকৰে, নাইবা তাৰ বিচাৰ কৰিবলৈও সিহঁতে পাহৰি যায়—হয়তো বিচাৰি নাপায়ো তাৰ প্ৰয়োজনো বোধ নকৰে...। যতীন, মনোজ, বসন্ত আদিৰ চকুৰ আগেদি আঁচল উৰাই, সিহঁতে চঞ্চল খোজ পেলাই গুছি যায়।

ক্লাচত প্ৰফেচাৰৰ লেক্‌চাৰ।....কেতিয়াবা তাকো আমনি লাগে,—মনটো কৰবালৈ উৰি যায়....ভাল লাগে— মাথো সেই অহা আৰু যোৱাখিনি।

........মীৰাই নিজক বুজনি দিবৰ চেষ্টা কৰে।.... জোনটোৰ সোণালী জোনাকবোৰ আহি তাইৰ গায়েমুখে আৰু গোটেই 'বেলকনি'খনতে সিঁচৰিত হৈ পৰে।.... সেমেকা বতাহ বয়।.. ছোৱালীবোৰ হোষ্টেলৰ ভিতৰ সোমাল।....দেওবাৰ,...শৃঙ্খলাৰ মাপকাঠিৰ পৰিমাণ বেছি নহয়।.....

.....তলত চান্নুৱে গান গায়——

অ' প্ৰীতম প্যাৰা—

ছুনিয়ামে কৌন হামাৰা—

.....ধুনীয়া তাইৰ গলা, হিয়াৰ কঁপনি লাগি সজীৱ হৈ উঠে ভাষাবোৰ–মীৰাৰ অসহ্য লাগে...ছুই হাতেৰে তাই ঢাকি ধৰে তাইৰ কাণ ছুখন ....।

নিজক পাহৰিবৰ কাৰণে তাই যত্ন কৰে....। নাৰ্চৰ হোষ্টেলটোত জ্বলি থকা লাইটবোৰৰ তলৰ ছোৱালী বোৰক তাই চাবৰ চেষ্টা কৰে.....।

তাই ভাবে সিহঁতৰ কথা—

সিহঁতৰ প্ৰাণৰ আবেগ, অনুভূতিবোৰৰ ওপৰত শৃঙ্খলা আৰু একেৰাহে চলি থকা বৈচিত্ৰহীন দিন-বোৰৰ হেঁচা পৰি মনবোৰো ম্লান হৈ যায়....বেছি ভাগৰে চকুৱে মুখে সেই ম্লান ভাবটোৱেই ফুটি উঠে।...

তথাপি,.. তাকে লৈয়ে সিহঁতেও জীৱন ৰচে।.....

ভৱিষ্যতৰ কাৰণে হিয়াভৰা ৰঙীন আশা,....সপোন.... আৰু কল্পনা....'সেই ভৱিষ্যৎটো' নোপোৱালৈকে সেই খিনিয়েই হৈছে সিহঁতৰ পাথেয়।.....

ধুনীয়া লীলাজনীৰ ধুনীয়া চকু ছুটাৰ তলতো পৰিছে— গভীৰ ক'লা ডাগ। তাইৰ দীঘলীয়া নাইট্ ডিউটি। ..ভাষাভৰা তাইৰ ছুটা চকু। ....বেছি কথা নকয়।

শূন্যৰ মাজে মাজে তাই এনেয়েই চাই থাকে...অন্য-মনস্ক ভাবে। ...মনত হয়, চকু দুটাই যেন দুৰত,... বহুত দুৰত থকা জীৱনৰ ধুনীয়া ছবি এখন বিচাৰি গৈছে।....

....আৰু ৰমা—! ওঁঠৰ ধুনীয়া হাঁহিটোৰে তাই কিবা এটা ভাবক সদায় লুকুৱাবলৈ চেষ্টা কৰা যেন লাগে। সদায় শুশ্ৰূষা কৰি থকা বেমাৰাবোৰৰ কালে চায়ো তাই একোটা মিচিকিয়া হাঁহি মাৰে....জীৱনৰ মোহ আকলুৱা সেই বেমাৰীবোৰে আন্ধাৰ বাটত সঁহাৰি পায়...। সিহঁতে ভাল পায় ৰমাক—। কিন্তু অকলশৰে যেতিয়া তাই থাকে....তেতিয়াতো সিহঁতে চোৱাগৈ নাই—! হোষ্টেলৰ পিচফালে থকা বেঞ্চখনত বহি অকলশৰে ৰমাই ভাবে...তাইৰ এৰি অহা দিন-বোৰৰ কথা....। হোষ্টেলৰ কাষতে এখন বহল বিল। ....বাৰিষাৰ পানীৰে উপচি পৰিছে......সিপাৰে এটা পাহাৰ। ৰমাই তাইৰ দৃষ্টিক বহুত দূৰলৈ এৰি দিয়ে। বিল আৰু পাহাৰৰ মাজৰ বহল বতাহৰ আঁৰে আঁৰে জাগি উঠে বহুতো ছবি......সেইবোৰ হেৰোৱা দিন-বোৰৰে স্মৃতি।......

ক্ষীণ মৰমা মৃণাল—! শৃঙ্খলাবদ্ধ নিয়মবোৰৰ লগত তাই নিজকে মিলাই পেলাবৰ চেষ্টা কৰে।.....চকু দুটাইদি মৰমৰ নিজৰা বয়। তাই বেমাৰীবোৰৰ প্ৰাণত আশাৰ সঁহাৰি দিয়ে। সিহঁতেও তাইক ভাল পায়। ........যন্ত্ৰপাত সিহঁতে কেতিয়াবা মৃণালক সাৱটি ধৰে দুইহাতে।......মৃণালে সিহঁতৰ চকুৰে মুখে হাত বুলাই মৰমৰ পৰশ সানি দিয়ে।......খোৱাৰ 'বেল' পৰি যায়........একোজনী বেমাৰীয়ে তেতিয়াও এৰি দিব নোখোজে......মৃণালে 'আকৌ আহিম' বুলি কথা দি তাৰ পৰা আঁতৰে।......সিহঁতে আশাৰে বাটচাই থাকে....। মৃণাল কাষত থাকিলে সিহঁতে পাহৰি যায় বহুতখিনি যন্ত্ৰণা....। কিন্তু মৃণালে কেৱল বেমাৰীৰ কথাই নাভাবে, তাই ভাবে—নিজৰ জীৱনটোৰ কথা, মৰমৰ সজুঁলিৰে সজা এখন ধুনীয়া সংসাৰৰ কথা—।

অলিমনে কাম কৰে পুৰুষবিলাকৰ ওৱাৰ্ডত।....হাঁহি হাঁহি তাই সোমাই যায়।...কেতিয়াবা তাইৰ হাতত থকে এসোপা ফুল। .....ক্ষিপ্ৰতাৰে কামবোৰ কৰি যায়। নতুন ভাৱ এটা তাইৰ কামবোৰৰ মাজেদি চকুৰে মুখে প্ৰকাশ হৈ পৰে। তাই ভাৱে তাইৰ নাৰ্চৰ গ্ৰেজুৱেশ্যনৰ কথা.....তাইৰ বিয়াৰ কথা,..... ৰবীনৰ কথা। 'এনগেজমেণ্ট' সিহঁতৰ হৈ আছে, হয়তো দুই-তিনি মাহৰ পিচতে বিয়া হব।

আন্ধাৰ বেছি হৈ আহে। ........ নাৰ্চৰ হোষ্টেলত শোৱাৰ বেল পৰে এটা এটাকৈ লাইট বোৰ নুমাই দি সিহঁত শুই পৰে......। সিহঁতে সপোন দেখে...... হাঁহি আৰু বেথা ভৰা সপোন বোৰ—।

কলেজ হোষ্টেলতো মীৰাৰ বাহিৰে বাকীবোৰে জিৰণি লয়। মীৰাই আকৌ 'বেলকনি'ত বহেগৈ। ৰেলিঙত আউজি বহি তাই অসীম আকাশখনৰ বুকুলৈ অন্য-মনস্ক দৃষ্টিটোকে এৰি দি ভাবে——

তাই ভাবে,——সেই একে আগগুৰি নোহোৱা কথাবোৰ,......ভাবি তাইৰ ভাল লাগে,......যেতিয়া বেছিকৈ ভাবে- তাইৰ হিয়াৰ আবেগবোৰ...নোপোৱাৰ

বেদনাবোৰ চকুৰ পানী হৈ বাগৰি আছে। তাতেই তাইৰ শান্তি। আগেয়ে তাই ভাল পাইছিল কল্পনা কৰি। কিন্তু সপোনৰ যত আকাশ কুসুম তাইৰ বাস্তৱৰ পৰশ নোপোৱাকৈয়ে মাৰ গল.......

জগতখনক এটা গহীন নিস্তব্ধতাই আগুৰি ধৰে।... কোনোবা এটা কোঠাত ৰাণু আৰু মীনুৱে ফুচফুচাই কথা পাতে ···কথা সিহঁতৰ শেষ নহয় কেতিয়াও..। কিহৰ কথা সিহঁতে পাতে মীৰাই অনুভৱ কৰিব পাৰে .. হাঁহিও উঠে তাইৰ।...দিনটোৰ কথাবোৰ সিহঁতে আলোচনা কৰে···· পিচদিনাৰ প্লেন ঠিক কৰে।...... ......মনত ভৰা কথাবোৰ সিহঁতে দুয়োজনীৰে আগত প্ৰকাশ কৰে। মনোয়ে আজি পিন্ধিছিল সেই 'ক্ৰীম' ৰঙৰ চাৰ্টটো ধুনীয়া চকুদুটাত হাঁহিৰ আভা সানি সিহঁতৰ কাষেদি পাৰহৈ গৈছিল। বসন্তও যায় সিহঁতৰ আগেদি। আকৌ ঘূৰি আহি অনাৱশ্যক ৰূপে নটি-চবোৰ্ডখনত চকু ফুৰায়। পৰিপাটিকৈ পিন্ধা সাজপাৰ··· কিন্তু মুখত কৃত্ৰিম এটা উদাসীন ভাব। মীনুহঁতে কিন্তু সকলো বুজি পায়। ·····সিহঁতেও নিৰ্ব্বিকাৰ ভাবে থাকে। সিহঁতবো ভাববোৰ বুজা টান।...বীৰেণ বিজয়হঁতৰ আগত সম্পূৰ্ণ নিৰ্ব্বিকাৰ,·· মুখত গহীন ভাৱ; পঢ়িবলৈকে যেন সিহঁত আহিছে—, বাহিৰা কথাত সময় নিয়াবৰ আৱশ্যকতা নাই। মনোজ, প্ৰবীনহঁতৰ আগত কিন্তু সিহঁতৰ মুখৰ ভাববোৰ কোমল হৈ পৰে। চকুদুটা চঞ্চল, মিঠা হাঁহিৰে ভৰি পৰে—। ক্লাচৰ পৰা ওলাই সিহঁতৰ কাষে কাষে যোৱা অমিয়হঁতৰ ওচৰেদি সিহঁতে দাম্ভিক খোজ পেলাই গুছি যায়।......

অমিয়ই হয়তো তাৰ অসংযত মুখখনক বাধা দিব নোৱাৰি কিবা একোটা মন্তব্যও কৰি পেলায়।...

......ঠাণ্ডা বতাহ এজাক বৈ আহে।... মীৰাৰ চমক ভাগে, তাই গাত চাদৰখন ভালকৈ মেৰিয়াই লৈ আকৌ আগৰদৰে বহে।......

...ৰাণুমীনুও নীৰৱ হল......হয়তো টোপনি গল...।

মীৰাই কেউফালে চায়...। বীণাৰ কোঠাটোৰ দুৱাৰ মুখত জোনাকৰ পোহৰ পৰেহি—। বীণা শুইছে।— টোপনিৰ বুকুত বেথা বেদনাৰে ভৰা জীৱনবোৰ নিশ্চল হৈ পৰি আছে।——

বীণাই হয়তো সপোন দেখিছে-। তাইৰ কথাবোৰ ভাবে মীৰাই।——তাইৰো আছে আশা আকাঙ্ক্ষা— তায়ো পাবলৈ বিচাৰে,——বহুতো আশা কৰে।-কিন্তু যিহক পাবলৈ তাই হাত মেলে—সি আঁতৰি যায় ক্ৰমান্বয়ে——নিবিচাবোৰে অনাহুত ভাবে মাথো আহি তাইৰ আগত ধৰা দিয়ে। চকুদুটাই তাইৰ সুন্দৰৰ সন্ধানত আৰু হিয়াই আন্তৰিকতাৰ পৰশ বিচাৰি হাবাথুৰি খায়।- মণিয়ে কিন্তু ভুল বুজে। তাইৰ দৃষ্টিৰ আগত পৰি নিজেই মাথো বাট পাহৰি যায়। কলেজলৈ যোৱা ৰাস্তাৰ কাষত মণি বৈ থাকে; বীণাৰ এবাৰ কথা,— এটা চাৱনিয়েই তাৰ বহু প্ৰত্যাশিত। বীণাৰ মনে মনে দয়া হয়।—কিন্তু বাহিৰে দয়া তাই প্ৰকাশ নকৰে।— কথা তাই নকয়। মাথো আৰফালে চায়। তাকে লৈ মণি উভতি যায়।

বহুতো সি আশা কৰে। কিন্তু বীণাইতো তাক নিবি-চাৰে। তাৰ আন্তৰিকতাৰ নিঃস্বাৰ্থ নিবেদন বীণাই

বিচাৰে। কিন্তু সিযে একোকেই দিবলৈ ৰাজী নহয়। মণিয়ে কিন্তু বৰ ভুল বুজে—বীণাই ভুল বুজিবলৈ তাক বাধ্য কৰে।

সিমুৰৰ কমটোত থাকে কমলা।—মীৰাৰ কমলাক ভাল লাগে। নিজৰ নথকা কিবা এটা তাই কমলাৰ মাজত বিচাৰে। কিন্তু দুয়োৰে স্বভাৱ ভিন্ন।——কমলাৰ সাধাৰণ জীবনৰ মাজত তাই অসাধাৰণ কিবা এটা দেখা পায়। ভাষাভৰা দুটা চকুৰ মাজত পৃথিৱীত তাই নোপোৱা মৰমখিনি, সহানুভূতি খিনিৰ আভাস পায়——বেছি কথা তাই নাভাবে——কি কৰিলে বা কি কলে তাকে লৈ মীৰাৰ দৰে তাই মূৰ নঘমায়—যি পাইছে তাতে তাই তৃপ্তি বিচাৰে।

—মীৰা নিজলৈ ঘূৰি আহে। —তাই ভাবে তাইৰ জীৱনটোৰ কথা। হেৰোৱা অতীতটোৰ পাতবোৰত লেখা মৰহা স্মৃতিৰ ৰেখাবোৰ তাইৰ চকুৰ আগত উজ্বলি উঠে।...

এৰা, তাইৰ জীৱনৰ সুৰবোৰ হঠাতে ছন্দহাৰা হৈ গ'ল। কৰি পেলোৱা এটা মধুৰ ভুলে তাইৰ জীৱনত এটা ডাঙৰ ক্ষত দি গল।.... নিজৰ মনটোক উপযাচি আঘাত দি তাই সেই ভুলৰ প্ৰায়শ্চিত বিচাৰে...।

—জীৱনৰ উচ্ছাসভৰা সময়টোৱে তাইৰ কবিতামনা প্ৰাণটোক দিছিল এখন ধুনীয়া জগতৰ সন্ধান...। চকুৰ আগত তৰি দিছিল এখন ৰঙীন জাল।...সপোনত ৰূপ দি দি তাই শুই আছিল।.......

—পৃথিৱীখনে তাইৰ চকুৰ আগত মোহিনীৰূপ ধৰিছিল।...তেতিয়াই কোনোবা এটা দুৰ্ব্বল মুহূৰ্ত্তৰ সুযোগত তাইৰ বিবেকক হেঁচি ধৰি সপোনকে সাৰটি লোৱা, তাইৰ প্ৰাণটোৰ আগত শৰীৰত সৌন্দৰ্য্যৰ ৰূপসুধা আৰু দুচকুত হিয়াৰ মাধুৰিমা সানি ঠিয় দিছিলহি বিৰাজে...। তাই হয়তো তেতিয়া নিজকে পাহৰি পেলাইছিল...। জগতখনে তাইৰ মনটোক প্ৰলোভিত কৰি তুলিছিল।...তাইৰ প্ৰাণত বাজি উঠিছিল "লোৱা আৰু পলম নকৰিবা সময়যে পাৰহৈ যায়, তোমাৰ ধুনীয়া জীৱনটোক সুধাপূৰ্ণ কৰি লোৱা।"——

তাৰ পিছত——

দিনবোৰ ক্ৰমে পাৰহৈ যায়,——সিহঁতো বহুত দূৰ আগবাঢ়ে। পোৱাৰ আকাঙ্ক্ষাটো সিহঁতৰ তীব্ৰ হৈ উঠে।——

——মীৰাই মিলনৰ সোণালী কাৰেং ৰচে।——

এদিনাখনৰ কথা——প্ৰাণক আকুল কৰা এটা সন্ধিয়াত বিৰাজে তাইক কথা দিছিল "তোমাৰ কাৰণে মই জগতৰ সকলো বাধাকে নেওচিম——।" —চিৰাচৰিত প্ৰেমিকৰ মুখৰ ভাষা! মীৰাই বিশ্বাসে ভৰা দুটা চকুৰে মুগ্ধ হৈ চাইছিল তাৰ ফালে। বিৰাজে তাইৰ ওঁঠত, গালত আঁকি দিছিল মৰমৰ ৰাঙলী ৰেখা—! সি মীৰাৰ আশা আৰু বিশ্বাসক গভীৰ কৰি তুলিছিল। নিজকে হয়তো বিৰাজে তেতিয়া চিনি পোৱা নাছিল——।

——মীৰাই ভবিষ্যতৰ সোণালী ছবিখনত কামনাৰ তুলিকাৰে গাঢ়কৈ বোল দিয়ে।——

বিৰাজে তাইৰ পৰা আদায় কৰে সম্পূৰ্ণ বিশ্বাস আৰু আন্তৰিকতা।——

——মনৰ আকুলতা তাৰ লাহে লাহে কমি আহিল—মীৰাক তাৰ বৰ পুৰণি যেন লগা হ'ল——। দিনে দিনে সি আঁতৰি যাবৰ চেষ্টা কৰে।——মীৰাৰ অভিমান হয়। তায়ো থাকে নীৰৱে—যদিও বিশ্বাস তাইৰ হেৰাই যোৱা নাছিল।——কিন্তু বিৰাজে যিদিনা বেনাৰচলৈ পঢ়িবৰ কাৰণে যাবলৈ ওলাল——তাই উপযাচিয়ে তাক মাতি আনিলে।—বিৰাজে সেইদিনা—তাইৰ সকলো আশাকে ভৰিৰে গছকি পেলাই তাইৰ জীৱনৰ আটাইতকৈ ডাঙৰ প্ৰশ্নটোৰ সমাধান কৰি দিছিল— "অসম্ভৱক সম্ভৱ কৰিবলৈ যাবৰ কাৰণে মোৰ শক্তি নাই। তোমাৰ আৰু মোৰ মাজত বিৰাট ব্যৱধান।——তোমাৰ জীৱনৰ পৰা মোক বাদ দি তুমি সুখী হোৱা——"

—মীৰাই কান্দিছিল——ইমানদিনে ভাবি নোপোৱা কথাবোৰে আহি তাইৰ মনৰ মাজত ভুমুকি মাৰে। তাইৰ আশ্ৰয়দাত্ৰী মিচনাৰী মিচেছ্ চোৱান্চনক সাৱটি ধৰি তাই আকুলভাৱে কান্দি কান্দি সুধিছিল তাইৰ মন [illegible] মাক বাপেকৰ কথা,——তাইৰ জন্মৰ কথা——।

—চোৱান্চনে তাইক সকলো কয়——

——উনৈশটা বছৰৰ আগতে আনবিলাক অহা আৰু গৈ থকা বেমাৰীবোৰৰ দৰেই মীৰাৰ মাকো হস্পিটেলটোলৈ আহিছিল।——কিন্তু তাঁৱাই থকাৰ মোহে তাইক ধৰি ৰাখিব নোৱাৰিলে। মীৰাৰ বাপেকে আকুলভাৱে কান্দি গৈ ধৰিলে।——চোৱান্চনে তাক শান্ত্বনা দিছিল।——তায়ো নাৰী। সি স্নেহ মৰমিয়াল মাতৃহৃদয়ৰ হাতত মীৰাক দি কৈছিল—কেতিয়াবা যদি তাই ইচ্ছা কৰে তেতিয়াহে "বেপ্তাইজড" কৰিব।——। সি গুচি গ'ল——[illegible] নিচেক উঠাই দিলে——[illegible] [illegible] মৰিল।——চোৱান্চন গ'ল—চিৰদিনৰ কাৰণে শুই থকা—সেই গাভৰুজনীৰ ওচৰলৈ——। মাৰ্চে মুখখন উলিয়াই দিলে—তাইৰ মুখৰ কৰুণ হাঁহিটোৱে আৰু কপালৰ ফোটৰ ৰঙা ভাগটোৱে চোৱান্চনক যেন অনুৰোধ কৰিলে—"মীৰাক চাবা——মোৰ 'দৰিতৰ' কথা ৰাখিবা।" পৃথিৱীখনৰ কথা একোকে গম নোপোৱা অকণমানি কেচুৱাটোক বুকুৰ মাজত লৈ মিচেছ চোৱান্চন ঘৰলৈ আহিল। তেওঁৰ মৰহি যাবলৈ ধৰা হিয়াখন মীৰাই জগাই তুলিলে—।

——মীৰাই নীৰৱে সকলো শুনিলে। ——অলপ ভাবি তাই লাহে লাহে কলে "মই খৃষ্টান হম মাম্মী। তোমাৰ বাহিৰে মোৰ আৰু কোনো নাই। ধৰ্ম্মৰ ব্যৱধানে তোমাক যে মোৰ পৰা আঁতৰাই থব তাক মই নিবিচাৰোঁ। —মইয়ে বিচাৰো মৰম——"তাই কান্দে—চোৱান্চনে তাইক ভাবি চাবলৈ কয়।

——নিজকে শাস্তি দিবলৈ তাইৰ আৰু মন যায় মীৰা 'বেপ্তাইজড' হয়——। গীৰ্জ্জাত তাইক অভিনন্দিত কৰিলে।—চোৱান্চনে আঁকোৱালি ধৰি আশীৰ্বাদ দিলে—।

——তাইৰ আৰু বিৰাজৰ মাজত নিজেই সৃষ্টি কৰি ললে এটা ডাঙৰ ব্যৱধান।——

হিয়া তাইৰ ভাগি যায়——হেৰাই যোৱাক পাবৰ কাৰণে কেতিয়াবা ভুলতে তাইৰ প্ৰাণটোৱে হাহাকাৰ কৰি উঠে।——তাই নিজে শান্ত্বনা দিয়ে—[illegible] কৰা ভুলটোৰ কাৰণে সেয়েই তাইৰ প্ৰাপ্য।——জীৱনৰ ডাঙৰ ক্ষতটোত তাই চকুৰ পানীৰে প্ৰলেপ দিবৰ চেষ্টা কৰে।——

——হোষ্টেলৰ 'বেলকনি'খনত বহি মীৰাই ভাবে তাইৰ পৰৱৰ্ত্তী যোৱা [illegible] কথা, [illegible]——[illegible] কান্দে।——তাৰ [illegible] উঠিল হাঁহি [illegible]—

আধাডোখৰীয়া গানৰ টুকুৰাবোৰে তাইক পাহৰিব খোজা স্মৃতিৰ তাৰ ডালত কঁপনি তোলে ।——

——তাই তথাপিও ভাবে——নিজৰ কথা,——আনবিলাকৰ কথা, আৰু——তাই জীয়াই থকা এই পৃথিবীখনৰ কথা——।

——পৃথিবীখন আগবাঢ়ে নতুন নতুন আবিষ্কাৰৰ পথত—

——লীলাই সপোন দেখে——

——মৃণালে মৰমৰ সৰগ ৰচনা কৰে——

——হিয়া-ভৰা চঞ্চলতা লৈ ৰুণুমীণুইঁত—মনোজইঁতৰ কাষেদি আগবাঢ়ে——

সিহঁতে নতুন আশা আকাঙ্ক্ষা লৈ জীৱনৰ পথ ৰচনা কৰে—আৰু মীৰাই—তায়ো,—নোপোৱাৰ বেদনা-বোৰ গোটাই তাইৰ মৰহা জীৱন ৰচে——।

আৰু বিৰাজে বিচাৰে নতুনৰ কোঁহ——।

——:0:——

# মোৰ কবিতা

কবিতা ]

—সত্য চেটিয়া
২য় বাৰ্ষিক ( বিজ্ঞান )

মোৰ কবিতা—
নহয় ৰূপৰ পিয়াসী
অসীম অনন্ত ভৰা
যৌৱনৰ জোৱাৰত হিলদল ভঙা,—
প্ৰেয়সীৰ ৰূপৰ কথিকা ।

মোৰ কবিতা
নহয় বসন্তৰ
নৱ-উন্মাদতা জাগি উঠা
কুসুমৰ হিৰণ্ময়ী
সুগন্ধি বৰণ সনা;
সৌন্দৰ্য্যৰ এপাহি গোলাপ ।—

মোৰ কবিতাৰ
নহয় লঙ্কা,
হিয়াহীন পাষাণৰ
সোণালী কাৰেঙ গঢ়া
বিবিধ সৌন্দৰ্য্যে ভৰা
আকাশক চুমি চুমি থকা
সুন্দৰৰ চূড়া ।......

মোৰ কবিতা—
হিয়া ভেদি বৈ যোৱা
অন্তৰৰ ক্ষুধা তৃষ্ণা........,

আৰু—
কলিজাৰ উত্তপ্ত তেজেৰে
ধৰাৰ বুকু ৰাঙলী হোৱা;
মৰি মৰি জী উঠা
প্ৰাণৰ সৰ্ব্বস্ব দিও
একোকে নোপোৱা·······।—

দুখতাপে জৰ্জ্জৰিত হোৱা
উকৰা পঁজাত থকা
বাঁহতলে আলিকাষে
পৰিধৰি মৰা প্ৰায় হোৱা,—
তাপক্লিষ্ট দেহৰ
এখনি মৌন অন্তৰ
মোৰ কবিতা।

উচ্চ-নীচ হৃদয়ৰ,······
পাপে কলুষিত হোৱা ধৰাৰ বুকুত
পাৰ্থক্যৰ প্ৰাচীৰ ভাঙি
সমান বসুধা গঢ়া
ভেদাভেদ নাইকিয়া
সমস্বত্ববাদৰ
এটি কবিতা,——
মোৰ কবিতা।

মোৰ কবিতাৰ লক্ষ্য—
'বিশ্বমানবে' গঢ়া

অহিংসা প্ৰেমৰ
জ্বলন্ত আদৰ্শ থকা
সাম্য-ভাৱৰ
এটি কবিতা—।
—সেয়ে এখনি স্বৰ্গৰাজ্য—
য'ত বলী-নিৰ্ব্বলী
দুখীয়া চহকী নাই
সত্য-শিব-সুন্দৰৰ
অনুপম চানেকী লই
ন্যায়ৰ বাটত,
হিংসা-দ্বেষ ত্যজি
কৰ্ত্তব্যৰ মহান পথত—
আগুৱাব পাৰি।

—মোৰ কবিতা—
মোৰ কবিতা আজি
হৃদয়ৰ নিভৃত কোণত
গুমৰি গুমৰি উঠা,
সাম্য মৈত্ৰী স্বাধীনতাৰ
আদৰ্শ প্ৰাচীৰে ভৰা
মহান জ্যোতিৰে ঘেৰা ;
জগতৰ শ্ৰেষ্ঠ মানৱক
সমীমত ৰূপ দিব পৰা
কলিজাৰ তেজেৰে লিখা
—এটি কবিতা…।

—:0:——

# হেৰাই যোৱা অতীতৰ পৰিচয়

গল্প ]

—আনন্দ গোস্বামী
২য় বাৰ্ষিক বিজ্ঞান

"অ' বিজু।"

মাকৰ মাতত নিজৰ কোঠাৰ পৰাই বিজয়ে উত্তৰ দিয়ে,—"গৈছোঁ মা। কিছু সময়ৰ পাছত মাকৰ ওচৰলৈ আহি সি সোধেহি,"—মাতিছিলা মা ?"

—"শুন, বোপাই ব'হ—" মাকে উত্তৰ দিয়ে।

নিস্তব্ধতাৰ মাজেদিয়েই কিছু সময় পাৰ হৈ যায়।

বিজয়ে ভাবি পাব নেপায়,—হঠাৎ মাকৰনো কি এনে জৰুৰী দৰকাৰ হ'ল যে সন্ধিয়া ফুৰিবলৈ ওলাওঁতেও তাক মাতিবলগীয়া হ'ল।

—"অৰুণ, লৰাটি বৰ ভাল নহয়নে ?" —হঠাৎ নিস্তব্ধতা ভঙ্গ কৰি মাকে কয়।

—"হয় মা! সচাঁকৈয়ে অৰুণৰ নিছিনা ভদ্ৰ আৰু অমায়িক মানুহ মই খুব কমেইহে দেখিছোঁ। বুলুক পঢ়ুৱাৰ ভাৰ তাৰ ওপৰত জাপি দি মই সম্পূৰ্ণ নিশ্চিন্ত হৈছোঁ, নহ'লে—সি ইমান দুষ্ট হ'ল যে তাক পঢ়ুওৱা নাইবা চকুকাণ দিয়া মোৰ পক্ষে একেবাৰেই অসম্ভৱ হৈ উঠিছে। দীপায়ো কৈছিল সেইদিনা........।"

—"চা বোপাই। তই যদি বেয়া নেপাৱ মই এটা কথা কওঁ।"—মাজতে বাধা দি মাকে কৈ উঠে।

মাকৰ কথাৰ ধৰণ দেখি বিজয় প্ৰথমতে অপ্ৰস্তুত হৈ যায় তাৰ পাছ মুহূৰ্ত্ততেই সি আৰম্ভ কৰে,—"ছিঃ মা—এইটোনো কেনে ধৰণৰ কথা ? তুমি মোক কিবা কৰ খোজোতে মই বেয়া পাওঁ বুলি তোমাৰ ধাৰণাৰ অৰ্থ কি মা ?"

—"নহয় বোপাই, মহজনে দহোটা কথা কয়...... কথাতো সঁচা বা মিছা যিয়েই নহওঁক, সিহঁতেতো নুবুজে সেয়েতো........।"—পুতেকৰ মুখলৈ চাই সস্নেহে মাকে কওঁ নকওঁকৈ কৰ খোজে। বিজয় আৰু বেছি অবাক হৈ পৰে। মাকৰ মুখৰ ফালে উদ্বিগ্নতাৰে চাই থাকে সি; হয়তো কিবা এটা অশান্তিজনক অৱস্থা অনুমান কৰিয়েই। পুতেকৰ মুখৰ প্ৰতিটো চিনতে ভয় আৰু উদ্বিগ্নতাৰ ৰেখা পৰিস্ফুট হোৱা দেখি মাকে কয়,—" অৰুণ লৰাটো সচাঁকৈয়ে ভাল। কথা-বতৰাই, আচাৰে ব্যৱহাৰে বৰ সুন্দৰ; তথাপিও এটা কথা বিজু—ন ছোৱালীৰ সৈতে তাৰ ইমান বেছি মিলাপ্ৰীতি বাহিৰা মানুহৰ চকুত বৰ ভাল নেদেখায়। সউ সিদিনা থনেই তাহাঁতৰ ঘৰৰ মীৰাৰ মাকে কৈছে নহয়........।"

—মাকৰ কথা সম্পূৰ্ণ হ'বলৈ নিদিয়াকৈয়ে বিজয়ে কৈ উঠে,—"থোৱা মা এই বিশাক অৰ্থহীন কথা শুনিবলৈ মুঠেই ভাল নেলাগে। অৰুণ প্ৰায় ঘৰৰ লৰাৰ নিচিনাই হৈ পৰিছে—আৰু—দীপাক মযেই মিলিজুলি আত্মীয়তাৰে থাকিবলৈ কৈছোঁ,........বাৰু, যেইহওঁক শেষ ফলটো যে

এনে হবগৈ মই আগতে ভাবিবই পৰা নাছিলোঁ।" —ক্ষন্তেক নীৰৱ হৈ সি পুনৰ আৰম্ভ কৰে,—"মোৰাৰ মাকক মই ভালকৈয়ে জানোঁ ;—গতিকে তেওঁক কৈ দিবা, তেওঁ এইবিলাক কথাৰ আলোচনা অন্ততঃ তোমাৰ লগত যেন দুনাই নকৰে......আৰু এই বিষয়ে দীপাক যি কৰ লাগে ময়েই ক'ম। তুমি যেন ইয়াকে লৈ কোনো কথা নোসোধা— ।"

—"নোসোধো—নোসোধো,—বোপাই, ···তই যেতিয়া আছই, মই কিয় শুধিবলৈ যাম ? মোৰ মনত হলে এই বিলাক কথাই এধানমানো ঠাই পোৱা নাই ; তথাপি যে দহ জনে কলে শুনি বেয়া লাগে, সেয়েহে········মাকে হাঁহি এটি মাৰি কয়।

বিজয় লাহে লাহে গুছি যায়গৈ ভিতৰলৈ। বান্ধনি ঘৰৰ কাষত যেন অপৰাধীৰ নিচিনাকৈ ঠিয় হয়হি সি। আধা মলিয়ন চাদৰখনৰ আগটো ককাঁলত খোঁচনি মাৰি দীপালি বান্ধনি ঘৰত ব্যস্ত ;—বেৰাহী খনত কিবা এটা ভাজিছে। জুইৰ ৰশ্মিয়ে তাইৰ বগা মুখ খনি টিকটিককৈ ৰঙা কৰি তোলাত, তাই আৰু বেছি ধুনীয়া হৈ উঠিছে। হঠাৎ বিজয়ৰ বুকুৰ পৰা ওলাই আহিল এটি দীর্ঘ নিশ্বাস।

আজি সাত বছৰ পাৰ হৈ গ'ল,—তাহাঁতৰ বিয়া হৈ যোৱা। তাৰ পাছত········কিমান আনন্দত····কিমান উল্লাহত সিহঁতৰ দিন বিলাক কাটি গৈছে। নিচেই সৰু অৱস্থাতেই মাকবাপেক হীনা, মোমায়েকৰ আশ্ৰিতা দীপালিক সি যিদিনা বিয়া কৰাই আনিলে ; সিদিনাৰে পৰা কিমান সুখ সন্তোষত সিহঁতৰ দিনবিলাক পাৰ হৈ গৈছে—, তাক কোনেনো জুবুজাকৈ আছে! উটি যোৱা পাতবিলাকে যি ভাবে গছৰ গুৰিকেই পৰম নির্ভয়ে আশ্ৰয় কৰি নিশ্চিন্ত হৈ থাকে, তেনেকৈয়ে দীপালিয়েও তাক আজি সাত বছৰ আশ্ৰয় কৰি আছে। বিয়াৰ পিছত লাজতে তাই কাৰো লগত মিলিব নোখোজে। তাকে লৈ বন্ধু-বান্ধৱে ঠাট্টা কৰে বিজয়ক, —"হেৰ'! তই এম, এ পাচ কৰি শেষত গাঁৱলীয়া মূর্খ ছোৱালী এজনীহে পালিগৈ ?" সিহঁতৰ প্ৰশ্নবিলাকৰ উত্তৰ দিবলৈ সি চেষ্টা নকৰে,—মাত্ৰ হাঁহে। ইয়াৰ পিছত দীপালিক লিখা-পঢ়া শিকাবলৈ তাৰ কি যত্ন! দীপালিয়েতো প্ৰথমতে মান্তিয়েই হোৱা নাছিল,—"অ' আই—আদবয়সত কেচুৱা ছোৱালীৰ নিচিনাকৈ অ, আ; ক, খ পঢ়িবলৈহে বাকী আছে আৰু,"—তাই আপত্তি কৰে।—সেই দীপালিয়ে আজি অসমীয়া ভালকৈয়ে জানে, ——ইংৰাজীওযে অলপ অচৰপ নেজানে এনে নহয়। বন্ধুবান্ধৱীৰ লগত নানা তৰহৰ আলোচনা প্ৰসঙ্গত যোগ দিব পৰা হৈছে তাই। বিজয়ৰ চিন্তাৰ সাঁত চিগি যায় ;—কেতিয়াযে তাৰ 'দীপা'জনী তাৰ কাষ পালেহি—সি উমানকে নেপালে।

—"চোৱৰ নিচিনাকৈ ভদ্ৰমহিলাৰ দুৱাৰৰ কাষত ঠিয় হৈছেহি চোৰাচোন! কিবা নিবৰ অভিপ্ৰায় আছেনেকি ?—" হাঁহি হাঁহি সোধে দীপালিয়ে। বিজয়ে যেন কিবা এটা উত্তৰ দিবলৈ গৈ হঠাৎ হেকৰাই পেলায়। তাৰ ভাব দেখি দীপালিয়ে ব্যগ্ৰভাবে কাষলৈ আহি কপালত হাত দি সোধেহি,——"কি হৈছে ? গা ভালে আছেতো ? ক'তা গা দেখোন ঠাণ্ডাই ?"——

—"নহয়,—গা ভালেই। একাপ চাহ দিব পাৰা ?"—

একে উশাহতে কৈ পেলায় বিজয়ে। হাঁহি হাঁহি উত্তৰ দিযে তাই,—"পাৰোঁ; কিন্তু নিদিওঁ। ইস্, ইমান গৰম; অলপ আগতেই চাহ খাইছে, আকউ চাহ? তামোল এমোকোৰা লাগেনে——মাতিব নোৱাৰা হৈ থাকিবলৈ—?"

বিজয়ে তাইৰ হাতখন নিজৰ হাতৰ মাজত সুমুৱাই লৈ কয়,—"নহয় দীপা! বাৰু, এপিয়লা নহয় আধা পিয়লা……।" দীপালিয়ে তাৰ কথা কোৱাৰ ধৰণ দেখি খিলখিলকৈ হাঁহি দিয়ে,—"বাৰু, দিম। জোলখিনি নমায়েই কৰি দিছোঁ——আপুনি সেইকণ সময় নহলে বাহিৰতে বহকগৈ—বতাহ লাগক। মই চাহ কৰি লৈ গৈছোঁ——কেনে?"—বিজয়ে যাবলৈ ভৰি আগবঢ়াওঁতেই তাই পুনৰ কয়,—"অ'—পাহৰিছিলোঁৱেই,—আবেলি অৰুণ বোপাৰ ঘৰৰ পৰা চাকৰ লৰাটো আহিছিল; তেওঁৰ হেনো আজি পুৱাৰে পৰা খুব জ্বৰ। বিদেশত আপোন মানুহ কোনো নাই, আপুনি কালিলৈ পুৱাই এবাৰ খবৰ লৈ আহকগৈচোন! লগতে বুলুকো লৈ যাব, সি একেবাৰে মাষ্টৰবাবুৰ মহাভক্ত হৈ পৰিছে——বুজিলে?"—একে উশাহতে কথাবোৰ কৈ তাই নীৰৱ হৈ পৰে। আনদিনা হোৱা হ'লে হয়তো বিজয় তেতিয়াই যাবলৈ ওলালেহেঁতেন। কিন্তু আজি অলপতে তাৰ কাণত যি বিহ সোমাইছিল, তাৰ উপৰিও দীপালিৰ প্ৰত্যেকটো কথাত অৰুণৰ প্ৰতি আপোনজনৰ নিচিনা টানৰ যি আভাস সি পালে; সেই কাৰণেই তাৰ মন আৰু বেছি বিৰক্ত হৈ উঠিল। সি যথেষ্ট আগ্ৰহহীনভাৱে সুৰেৰে উত্তৰ দিলে,—"চাওঁ বাৰু; যদি সময় কৰিব পাৰোঁ যাম।"

তাৰ পাছত, কেইদিনমান কাটি গৈছে। অৰুণ কালিৰ পৰা আকউ আহিছে। বিজয়ৰ মনটোৰে কি হৈ উঠিছে, সি নিজেই আচৰিত হৈ যায়! আগেয়ে হোৱা হলে অৰুণৰ লগত ক'ত ধৰণৰ আলোচনা চলিলহেঁতেন। সিহঁত দুয়োটাই 'ইকনমিক্স'ৰ ছাত্ৰ আছিল;—সেয়েহে সিহঁতৰ আলোচনা আৰু তৰ্কই কেতিয়াবা কেতিয়াবা হয়তো সীমা চেৰাই যায়;—বুলুৱেযে কেতিয়া কিতাপ সামৰি বুঢ়ীমাকৰ ওচৰলৈ যায়গৈ, তাকো হয়তো লক্ষ্য কৰিবলৈ বহুত সময়ত অবসৰ নেথাকে। অলপ আঁতৰত এখন চকীত বহি দীপালিয়েও প্ৰায়েই তৰ্ক শুনে। কেতিয়াবা হঠাৎ অৰুণে প্ৰশ্ন কৰে,—"বাৰু মিচেছ বৰুৱা; এই বিষয়ে আপোনাৰ অভিমত কি?" দীপালিয়ে সেই বিষয়ে একো উত্তৰ দিব নোৱাৰে—নাজানে, কিয়নো তাই মাথো চাই থাকে অৰুণৰ বগা মুখখনি,—তৰ্কৰ উত্তেজনাত কিমান ৰঙা হৈ পৰিছে নাইবা—চেষ্টা কৰিছিলে,—অৰুণৰ দৃষ্টিৰ মাজেদি অতীতৰ কিবা এটি লক্ষ্য কৰাৰ। তেতিয়া বিজয়ে হয়তোবা কয়,—"আহা! বেচেৰীক কিয় লাজ দিছ অৰুণ? তেওঁ সম্ভৱ ভাবিছে, আজিৰ ৰন্ধা-বঢ়া যদি বেয়া হৈ যায়, তেতিয়াহ'লে অৰুণে খাই বৰ ক'তবে নিন্দা নকৰিব! কি খবৰ, সেয়ে নহয় জানো দীপা—?" তাই পৰাহলে লাজত লৰমাৰি আঁতৰি পলালহেঁতেন; কি কৰিব, উপায়ো যে হেৰাই যায়!

সেইদিনা ৰাতি প্ৰায় ৮টা মান বজাত ফুৰি চাকি বিজয় ঘৰ সোমাইছি। সি ইচ্ছা কৰিয়েই—এতিয়া বেছি সময় বাহিৰত কটায়। কিবে তাৰ হৈছে! সি ভৰিবই নোৱাৰা হয়। চিৰিয়েদি ওপৰলৈ উঠি যাওঁতে তাৰ

কাণলৈ আহে দীপালিৰ হাঁহিৰ শব্দ। সেই হাঁহিটোৱেো তাৰ অচিনাকী নহয়! সি চক্‌খাই উঠে;—লাহে লাহে নিশব্দে ওপৰলৈ উঠিবলৈ চেষ্টা কৰে। চিৰিৰ কাষতেই পঢ়াৰ কোঠা। বিজুলীৰ প্ৰখৰ ৰশ্মিত সহজেই ভিতৰখন চকুত পৰে। বুলু তাত নাই; হয়তো পঢ়া শেষ কৰি ইমান সময়ে সি বুঢ়ীমাকৰ লগত শুলেগৈ। অৰুণে এখন চকীত বহি, টেবুলৰ ওপৰৰ কিবা এটা বস্তু খুব আগ্ৰহেৰে চাইছে। ঠিক তাৰ কাষতেই দীপালিয়ে এনেভাৱে আউজী আছে, যিটো অন্ততঃ অৰুণৰ লগত ৰজিতা নেখায়। বিজয়ৰ বুকুৰ মাজত জ্বলি উঠে একুৰা তীব্ৰ জুই; অনেক কষ্টেৰে সি আত্ম সংবৰণ কৰে। কোঠাৰ ভিতৰত শুনে অৰুণৰ মাত,—"ইয়াৰে সৈতে তোমাৰ এতিয়াৰ অকণো সাদৃশ্য নাই; নহয়নে?" তাই হাঁহি হাঁহি উত্তৰ দিয়ে,—"মোৰেই সৌভাগ্য। ইস্,—এইটো এটা চেহেৰানে? সঁচাকৈয়ে অৰুণদা, মই যদি এতিয়াও দেখিবলৈ তেনেকুৱাই হলোঁহেঁতেন তেতিয়া বাৰু কি হ'ল হেঁতেন?"

—"তেতিয়া আন কাৰোবাৰ লাভ হওক নহওক, অন্ততঃ মোৰ হলে যথেষ্ট লাভ হ'লহেঁতেন, তাত সন্দেহ নাই।"

—"কিয়,—সেই চেহেৰাটো আপোনাৰ ইমান পচন্দ হৈছেনে?"– দীপালিয়ে উত্তৰ দিয়ে আগৰ নিচিনাকৈয়ে হাঁহি হাঁহি।——

অৰুণৰ কালৰ পৰা আৰু কোনো কথা শুনা নেযায়। বিজয়েও আৰু অপেক্ষা কৰিব নোৱাৰা হয়,—যি দেখিছে, যি শুনিছে সেয়ে জানো যথেষ্ট নহয়? খুব বেগেৰে ভিতৰ সোমাই সি কৈ উঠে, "ওঃ! বৰ অসময়ত আহি ওলালোঁহি নহয়নে?" তাৰ কণ্ঠস্বৰত এনে এটা ভাব মিহলি হৈ আছিল যে দীপালি উচপ্‌খাই উঠে। অৰুণৰ কিন্তু সমূলি চঞ্চলতা দেখা নেযায়,—হয়তোবা মানুহটোৰ লাজ ভয় একোৱেই নাই। শান্তসুৰে দীপালিৰ ফটোখনৰ ফালে চাই সি মাথো প্ৰশ্ন কৰে,—"বিজয়! দীপাক দেখিবলৈ কিন্তু সৰু কালতেই ভাল আছিল নহয়নে? তোৰ বাৰু কেনে অনুমান হয়—?"

'দীপা'……অৰুণৰ মুখত এনে ধৰণৰ সম্বোধন অসহ্য! বিজয়ে বিদ্ৰূপৰ সুৰত উত্তৰ দিয়ে,—"শিক্ষক মানুহ তই; তোৰ সকলোবিলাকেই অদ্ভুত।"

অৰুণে,—কিন্তু বিদ্ৰূপক সম্পূৰ্ণ উপেক্ষা কৰি কয়,—"এৰা আমি অন্ততঃ মই অদ্ভুত, নহয় বিজয়?" তাৰ মুখখনত ফুটি উঠে, পোৱা নোপোৱাৰ এটা তীব্ৰ অভিব্যক্তি ওঠত ক্ষীণ হাঁহি এটি বিৰিঙাই আকৌ কয়—"সেই কথা কেইতো দীপাক কৈছিলো যে———।"

—"অৰুণ,"—বিজয়ৰ ক্ৰুদ্ধ কণ্ঠস্বৰে আত্ম প্ৰকাশ কৰে। দীপালি কিবা এটা অমঙ্গলৰ আশঙ্কাত কাঠ হৈ পৰে। অৰুণ কিন্তু আগৰ দৰেই নিৰ্ব্বিকাৰ। বিজয়ে কৈ যায়,—"ভদ্ৰমহিলাক সম্বোধন কৰাৰ জোখাৰে ভদ্ৰ আচৰণকণ অন্ততঃ তোৰ শিকি লোৱা উচিত আছিল।"

প্ৰত্যুত্তৰত অৰুণে হো হো কৰি হাঁহি উঠে; প্ৰাণ খোলা হাঁহি, কোনো জড়তা নাই, কোনো দ্বিধা নাই যেন বহুত দিনৰ পাছত বাঞ্ছিত মানুহক ঘূৰাই পোৱাৰ আনন্দৰ হাঁহি। হাঁহি হাঁহিয়েই সি কয়,—"তই হঠাতেই

অলপ উত্তেজিত হৈছ যেন অনুমান হৈছে, বিজয়! হ'ব বাৰু, তোক এটা গল্প শুনাওঁ।"

—"গল্প শুনিবলৈ মোৰ সময় আৰু আগ্ৰহৰ একান্ত অভাব; বৰং সেইটো তোৰ ছাত্ৰ মহলতেই বৰ্ণাবি,—তেতিয়াহ'লে হয়তোবা ভাল শিক্ষক বুলি যশসাও অলপ কৰিব পাৰিবি।"—বিজয়ে গম্ভীৰ ভাবে কৈ উঠে।

অৰুণে শান্ত সুৰে উত্তৰ দিয়ে,—"মই কিন্তু গল্পটো তোক শুনাম বুলিয়েই বহি আছোঁ বিজয়! তই শুনিবই লাগিব" —শেষৰ কথাত তাৰ কণ্ঠস্বৰত ফুটি উঠে এটা আকুলতাৰ আভাস!

বিজয় নীৰৱ হৈ পৰে। অৰুণে কবলৈ আৰম্ভ কৰে,—"অসমৰে কোনো নিভৃত গাঁৱৰ, সৰু এটি শান্তিময় পঁজা। স্বামীস্ত্ৰী আৰু তেওঁলোকৰ দুটি সন্তান,—এটি লৰা আৰু আনটি ছোৱালী—এই কেইজনেই ক্ষুদ্ৰ সংসাৰ খনি। লৰাটিৰ যেতিয়া ছবছৰ আৰু ছোৱালীটিৰ তিনিবছৰ। সেই সময়তে সিহঁতৰ আই বোপায়ে দুদিনৰ আঁতৰা-আঁতৰিকৈ বিদায় লয়, এই জগতৰ বুকুৰ পৰা। পিতৃ মাতৃ হাৰা দুটি শিশুৰ জগতত মৰম স্নেহৰ স্থান শূন্যত বিলীন হৈ যায়। সিহঁতৰ কোনো এক দূৰ-সম্পৰ্কীয় মোমায়েকে আহি কৰ্ত্তব্যৰ দায়ত ছোৱালীটিক লৈ যায়হি নিজৰ ঘৰলৈ; আৰু লৰাটিক এজন সম্পূৰ্ণ অনাত্মীয় ভদ্ৰলোকে লগত লৈ আহে গুৱাহাটীলৈ। তাৰ পাছতে দীঘল ২২ টা বছৰ পাৰ হৈ গৈছে! ....এৰা—পুৰা ২২টা বছৰৰ পাছত...ছোৱালীটিৰ বিয়া হৈ গৈছে। শিক্ষিত আৰু ভদ্ৰ স্বামী তাইৰ। সংসাৰত অৰ্থৰ প্ৰাচুৰ্য্যতা নেথাকিলেও শান্তি আছে;—আৰু লৰাটি...."অৰুনে যেন লৰাটিৰ দুখত মুহ্যমান হৈ মৌন হৈ পৰে।

বিজয়ে হঠাতে আগ্ৰহৰ সুৰেৰে প্ৰশ্ন কৰে,—"আৰু লৰাটি—? লৰাটিৰ কি হ'ল অৰুণ?" অৰুণে ম্লান হাঁহিৰে উত্তৰ দিয়ে,—"লৰাটিয়ে সেই ভদ্ৰ লোকৰ অসীম কৰুণাত বিশ্ববিদ্যালয়ৰ আটাই কেইটা খাপ এটা এটাকৈ পাৰ হৈ—শেষত কোনো এক কলেজৰ অধ্যাপনা পালে। নাম-যশ হয়তো সকলোবিলাককেই সি আজি পাইছে; তথাপিও—তাৰ মনত শান্তি নাই, সুখ নাই। গোটেই দিনটোৰ কৰ্ম্ম ব্যস্ততাৰ পিছত——যেতিয়া ৰাতিৰ নিস্তব্ধতা আহি পৃথিবীৰ বুকুত বিয়পি পৰে; —অন্ধকাৰত ঘৰৰ সঙ্গীহীন বিছনাত পৰি থাকোতে তাৰ মন তেতিয়া উৰি যায়,—কোনোবা সুদূৰ অতীতৰ সৌন্দৰ্য্যৰে পৰিবেষ্টিত সৰু সেই গাঁৱলীয়া পঁজাখনিলৈ। তাৰ কণ্ঠস্বৰ গাঢ় হৈ যায়; এক মিনিট হয়তো নিস্তব্ধ তাৰ মাজেদিয়েই পাৰ হৈ যায়। অৰুণৰ উত্তেজিত কণ্ঠৰে পুনাই সি আৰম্ভ কৰে;—"তাৰ পাছত হঠাতে এদিন লৰাটিয়ে আবিষ্কাৰ কৰিলে তাৰ হেৰাই যোৱা ভনীয়েকক। প্ৰথমতে তাৰ মনত সন্দেহ জাগিছিল; কিন্তু নাই, নাই, আজি আৰু সন্দেহ নাই—" কওঁতে কওঁতে চকুৰ পলকতে একে জাপেই উঠিগৈ দীপালিৰ হাতত ধৰি জোৰ কৰি তাইক কাষলৈ টানি আনে,——"এয়ে সেই মোৰ কল্পনাৰ ছবি, হেৰাইযোৱা সৰু ভনী জনী 'ইলা'—তাহানি তাইক এই নামেৰেই মাতিছিলোঁ বিজয়! জবাপি কাপত তাইক এদিন এটা ৰাতিৰ ওপৰত গাঁত মাৰি পেলাই দিছিলে;—যা!

চা, আজিও তাৰ দাগ মোৰ বুকুৰ দাগৰ নিচিনাকৈয়ে স্পষ্ট আৰু গভীৰ" !—বুলিয়েই দীপালিৰ খোপাটি ডাঙি ধৰে। সচাঁকৈয়ে চুলিৰ তলত এটা সুগভীৰ ক্ষতচিহ্ন।

······অন্ধকাৰ ভেদকৰি এক দিব্যজ্যোতি ফুটি উঠে তাৰ মনৰ সমুখত। তাৰ মাজত সুস্পষ্ট ভাবে প্ৰতিফলিত হয় এখনি সুন্দৰ, সৰল মুখচ্ছবি····আৰু একো নাই। চিন্তাৰ আঁতদালৰ ক'ৰবাত আঁজোৰ খাই উঠে—। অচেতন মনৰ দুৰ্ব্বলতম মুহূৰ্ত্তত আহি ধৰা দিয়ে। হেৰাই যোৱা অতীতৰ মৰহিযোৱা স্মৃতিবোৰে·········।

বিস্ময়ে লাজত মূৰ তুলিব নোৱাৰা হয়। আনন্দত আৰু উত্তেজনাত দীপালিৰ গোটেই দেহা থৰ্‌থৰৈকৈ কঁপি উঠে, অকণে তাইৰ মূৰটো নিজৰ বুকুৰ মাজলৈ টানি আনে। দুচকুৰ অবাধ অশ্ৰু বৈ আহে—ভিয়াই পেলায়, দীপালিৰ বুকুৰ কাপোৰ খন! খোলা খিৰিকিৰে জোনাকৰ পৰশে আহি সিহঁতৰ গাত বিধাতাৰ আশীষৰ নিচিনাকৈয়ে যেন হাত বুলাই যায়হি;—নিয়তিয়ে হয়তো অলক্ষস্থানৰ পৰাই মৃদু মধুৰ হাঁহি মাৰে। কাৰো মুখৰ পৰাই কথা নোলোৱা হৈ যায়,—মুখৰতা এটা নিমিষতে মূক হৈ পৰে, মাত্ৰ—টেবুলৰ ওপৰৰ 'টাইমপিচ্‌'টোৰ টিক্‌ টিক্‌ শব্দে অবিৰাম গতিত আগবাঢ়ি যায়······।

——:0:——

# "ভুল"

কবিতা :

—দুৰ্গাপ্ৰসাদ নেওগ
২য় বাৰ্ষিক ( বিজ্ঞান )

ভুল হ'ল বন্ধু— মহাভুল হ'ল মোৰ—
বৃথা মোৰ জীৱনৰ আদিম পাতনি,
মায়া. মৰীচিকা ভৰা মৰুভূত পৰি
কৰু বৰু কৰে মোৰ জীৱন তৰণি :
জীৱনৰ আদিম পুৱাৰে পৰা—
ভুলকেই বাৰে বাৰে কৰি যে আহিছোঁ,
সংসাৰৰ থলা বমা বাটত বাগৰি
সৰগৰ পাৰিজাত মালাতে গাঁঠিছো :
ভুলকেই কৰি, ভুলৰে সপোন ৰচি
ভুলৰেই গালোঁ গান অবুজ সুৰত,
নিঠুৰ পৰশলাগি ভাগি গ'ল হিয়াখনি
আকুলিত প্ৰাণ আজি স্বাৰ্থৰ বিষত।
ভুলৰে সপোন দেখি মিছা আশা কৰি
ৰচিছিলো আকাশত কাৰেঙ সোণালী,
দিঠকৰ পৰশত মোৰ সি সকলো
ভাগি গ'ল, আজি আছে অতীত পথালি।
ভুলৰেই পৰশত নিজক পাহৰি
ৰচিছিলোঁ কল্পনাত কবিতা ধুনীয়া,
অনুতাপ, হুমুনিয়াহ, লোতক চকুৰ
ভুলৰেই পৰিণাম,—মোৰ চিৰলগৰীয়া।

——:0:——

# সুৰ, সপোন আৰু জীৱন

গল্প ]

—চন্দ্ৰনাথ শৰ্ম্মা
৩য় বাৰ্ষিক ( বিজ্ঞান )

চহৰৰ প্ৰধান আলিটোৰ দাঁতিতেই বেঙ্ক এটাৰ বাৰাণ্ডাখনৰ এচুকত সুদামাই আজি তাৰ কাৰখানা পাতিছে। সি বহি থকা লেতেৰা থৈলা খনৰ চাৰিওকাষে হাঁতুৰি, বটালি, বেজাবোৰ, গজালৰ টেমাকেইটাৰ চামৰাৰ বেগটো, ফৰ্ম্মাডাল আৰু তেনে টুকুটাক কিছুমান।

মুচিয়াৰি কৰিবলৈ তালৈ সি আজিহে আহিছে। ইমান দিনে চহৰৰ আলিয়ে আলিয়ে ঘূৰি সি কাম কৰিছিল। ইয়াত বহিছিলহি তাৰ বাপেক। বাপেকৰ আজি বেমাৰ।—

দহটা বাজি যায়। বাটটো বেচ ব্যস্ত, চঞ্চল আৰু আৰু মুখৰ হৈ উঠে;—মানুহবোৰ ভাৰ যায়। কাৰোবাৰ জোতা বেয়া হলে তাৰ সমুখত থিয় দিয়ে। অলপ পিছত পইচা দি জোতা পিন্ধি গুচি যায়। কামৰ পিছত সি কাম পায়েই থাকে।

পাম্পচু এজোৰত গেৰোৱাটো লগাই দিয়াৰ পিছত অলপ সময় সি কাম নাপায়। বেঙ্কটোৰ বেৰাখনত আঁউজি সি বাটটোলৈ,—মানুহবোৰলৈ চায়। জোতাবোৰত চকু পৰে। মটৰবোৰ, চাইকেলবোৰ, ৰিক্সাবোৰ বিবিধ শব্দেৰে পাৰ হৈ যায়। চাৰিওফালে ব্যস্ত জগতৰ হুলস্থুলৰ মাজত অলস হৈ, কোনো ঔৎসুক্য নোলোৱাকৈ সি বাটটোলৈ চায়। অসংখ্য মানুহ, মটৰ তাৰ চকুৰ আগেদি পাৰ হৈ যায়। মনৰ ওপৰেদিও পিচলি যায়; সেইবোৰ তাৰ একোকেই মনত নাথাকে।

বাৰাণ্ডাখনতেই দুটা লৰা আহি ৰয়। এটাই কয়, "গান শুনো আহ।" আনটোও মান্তি হয়।

কথাবাৰ সুদামাৰ কাণত পৰে। বাটটোৰ সিপিনে তাৰ মুখামুখিকৈ নহয়, অলপ বাওঁপিনে ৰেডিও-গ্ৰামোফোনৰ দোকান খন।

ইমান সময় দোকানত লাউডস্পীকাৰেৰে দিয়া গান তেন্তে সি শুনা নাছিল? শুনিবই বা কেনেকৈ। চাৰিওপিনৰ বিৰাট সুৰহীন গোলমালৰ মাজত নিজৰ কাৰখানা লৈ ব্যস্ত হৈ থকা তাক গানে কেনেকৈ চুব? আজৰি সময় খিনিও সি অলস ভাবেই বাটটোলৈ চাই কটাই দিছে।

সি মন দিবলৈ চেষ্টা কৰে। লাউডস্পীকাৰটোৰ পিনে মুখ দি ৰহে। প্ৰথমতে অস্পষ্ট হৈ এটা দুটা শব্দ হৈ তাৰ কাণত পৰে। বাটৰ গোলমাল বোৰে আমনি দিয়ে। বাটৰ হুলস্থুলবোৰক সুদামাই, তাৰ জীৱনত আজিহে প্ৰথম বেয়া বুলি, আপত্তিজনক বুলি গম পালে। আচাৰিত!—পুৱাৰ পৰাই আজি কম গোলমাল হৈছে জানো বাটটোত। কিন্তু কামত ব্যস্ত তাক আমনি লগাব পৰা নাছিল! এতিয়াহে গান শুনিবৰ বেলিকা ওলাল ৰাজ্যৰ যতমানে গোলমাল! !!

'যাঃ...' সি দেখোন গানৰ কথা পাহৰি ভাৱিবলৈ ধৰিছে, মানুহ, মটৰ, চাইকেল বোৰে মিলি সৃষ্টি কৰা আকাৰহীন গোলমালটোৰ কথা, তাৰ দেখোন গান শুনাই নহব। 'যাঃ–, আকৌ ভাবিছো দেখোন—।'

জোৰ কৰি সুদামাই তাৰ মনটো লাউডস্পীকাৰটোৰ ফালে—গানটোৰ পিনে লৈ যায়। সুৰটো তাৰ কাণত পৰেহি; মনৰ ভিতৰত সুৰটোক কোনোবাই ৰেকৰ্ডিং কৰে, সি ভিতৰত যেন গুণ্ গুণনি শুনিবলৈ পায়। গানৰ বাক্যবাৰ শেষ হোৱাৰ লগে লগেই হঠাৎ সি—নিজে নজনাকৈ আপোনাআপুনি গুণ্ গুনাই উঠে, সুৰটো সি ঔঁওৱাবলৈ যত্ন কৰে।

কিন্তু সিযে শব্দ এটাও—কথা এষাৰো দোঁহাৰিব নোৱাৰিলে। কি হ'ব সুৰ শুনি? শব্দতহে গান থাকে। এই বাৰ সুৰলৈ মন নিদি কথাবোৰ মনত পেলাবলৈহে যত্ন কৰে।

এফাঁকি গান আৰু সুৰটো তাৰ কাণত বাজে। তাৰ সঙ্গীতময় ভিতৰখন সচেতন হৈ উঠে; সি শুনি যায়। গানটোৱে তাৰ আগত অশেষ সম্পদৰ ভড়াল যেন মুকলি কৰি দিয়ে। সি সকলো বুজি পায়।—

"হেৰৌ চেন্দেলপাতৰ ফিটা ডাল লগাওঁতে কিমান লবি?"

মানুহ জনে ব্যাঘাত জন্মোৱাত তাৰ খং উঠে। আহিবলৈ বাচি বাচি এইখিনি সময়হে পালেনে? গানটো শুনি তাৰ ভাল লাগি আহিছিল; মনৰ ভিতৰত অমূল্য চাকিৰ পোহৰ সি দেখা যেন অনুভৱ কৰিছিল।—অথচ সকলো মাটি হৈ গ'ল।

"কিমান লাগিব নকৱ কিয়?"

"আঠ অনা," লৰালৰিকৈ সুদামাই কৈ পেলায়।

"আঠ অনা? থ' থ' তোৰ পয়চা তয়েই ৰাখ"

মানুহজনে ভোৰভোৰাই আঁতৰি যায়।

বিনা কাৰণত গ্ৰাহকক অসন্তুষ্ট কৰি পঠোৱা তাৰ বেপাৰৰ কাৰণে হানিৰ কথা, সুদামাই জানে। কিন্তু অসময়ত তাক বদমেজাজী কৰি দিলে মানুহজনেহে। তাৰ গাত দোষ নাই। সি বেটানো আহিছিল কিয়? দুমিনিট মান আগতে অহাহেঁতেনতো এনে নহ'ল হেঁতেন। 'যাওক যা গুচি, মই 'কেয়াৰ' নকৰোঁ।'

গুচি যোৱা মানুহজনলৈ সি অৱজ্ঞাৰে চায়।

আকৌ গানটো তাৰ কাণত পৰেহি। সুৰটো তাৰ আচহুৱা যেন লাগে। ভাৱনা আৰু ঔৎসুক্যতাত মনটো বেচিকৈ কেন্দ্ৰীভূত হৈ পৰে।

অলপ পিচতে ৰহস্য মুকলি হৈ পৰে। সেইটো নতুন বজাইছে, আগৰ গানটো সি শেষলৈ শুনিবলৈ নাপালে। কিমান ভাল আছিল গানটো—! সেই সুৰটো তাৰ মনত পৰে। সি গুণ-গুণায়, পিচ মুহূৰ্ত্ততে সি সুহুৰিয়াবলৈ আৰম্ভ কৰে। পুৰণি গানটো আকৌ জীৱন্ত হৈ উঠে। কোমল কোমলকৈ সুহুৰিয়াই সি হেৰোৱা গানটো পুনৰ 'ফিৰাই' পায়।

আচম্বিতে সি সুহুৰিওৱা বন্ধ কৰি দিয়ে। নতুন গানটো জানিলে এদিনতে তাৰ দুটা গান জনা হ'ব। তাৰ হিয়া মন নতুন গানটোৰ ওপৰত নিবদ্ধ হয়। সুৰৰ সুৰদি গতিৰ তালে তালে, কথা বোৰৰ মৰ্ম্ম উপলব্ধি কৰাৰ লগে লগে তাৰ অন্তৰ জগততো গঢ়ি উঠে এখন

নতুন জগত, সুৰৰ, কথাৰ, কল্পনাৰ, এখন অতি ধুনীয়া মনোৰম, আনন্দোজ্বল জগত।

"মৌ সনা বসন্তৰ মাধবী ৰাতি
বৰণৰ মালা লৈ আহিবা সখীটি—।"

দুৰদুৰণিলৈ, বহু আতৰলৈ অঁতাৰ মন ভাহি যায়! সৰষু নৈৰ পাৰৰ, বিহাৰৰ এখন সৰু শান্ত, গুৱনি গাওঁ তাৰ চকুৰ আগত ভাহি উঠে। চৌদিশে বসন্ত মতলীয়া জগত। সৰষুৰ বুকুত জীৱনৰ কঁপি উঠা স্পন্দন; গছ লতিকাৰ মৃদু মধু শিহঁৰণ, বিহঙ্গমৰ কলকাকলি, নৃত্য চঞ্চল নাৰীৰ লীলায়িত দেহ ভঙ্গীমা; উছাহৰ বা লাগি পাহি মেল খোৱা পুৰুষৰ হাঁহি—কেউকাষে জীৱনৰ সুস্থ সবল বিকাশ, গোটেই জগত উৎসব বিভোৰ, আনন্দত উত্ৰাৱল।

সেই গাওঁতেই তাৰ সখীটিৰ ঘৰ।—

তাই তাক ভাল পায়; সি তাইক ভাল পায়।

সেই বসন্তৰেই এদিন সুৱদি নিশা। সিদিনা আকাশত পূৰ্ণিমাৰ জোনবায়ে আনন্দত অথিৰ অধীৰ হৈ নামি আহি সৰষুৰ কণ কণ ঢৌ বোৰৰ লগত লুকাভাকু খেলিব; সেইদিনা আমৰ কেঁচা ফুলৰ গোন্ধত পৃথিবী খন বেছি আপোন আপোন লাগিব; সি বাঁহীটো লৈ সৰষু পাৰত বহিবহি; সপোন বিভোৰ সি বজাই যাব; বহুদিন আগেয়ে কলীয়া গোসাঁয়ে বৃন্দাবনত বজোৱাৰ দৰে;—সি বজাই যাব।

হঠাৎ এবাৰ সি আম গছৰ ফাঁকে ফাঁকে চৰণ রুণু জুনু মাত শুনি ঘূৰি চাব; সি কাকো নেদেখিব, সি ঘূৰি চোৱা দেখি তাই আমগছৰ আঁৰত লুকাব—বেছিকৈ প্ৰাণঢালি সি বজাই যাব। হাতত বৰণৰ মালা লৈ তাক সচকিত কৰি দিবলৈ, নুপুৰৰ মিহি হৈ যোৱা রুণু—জুনু শব্দৰে তাই কাষ চাপি আহিব।—

—তন্ময় হৈ, আভিভূত সি গান শুনি যায়। সুৰবোৰে তাৰ অন্তৰত হেন্দোলনি তুলি দিয়ে, কথাবোৰে তাৰ মজ্জালৈ অসংখ্য অনুভূতি লৈ আহে, তাৰ ভাষা ভাবৰ মাজত হেৰাই যায়। সি যেন মন্ত্ৰমুগ্ধ হৈ যায়···।

গীত শেষ হয়, সুৰটোৱে তাৰ কাণত গুণ গুণাই; ধীৰে ধীৰে, সি সুহুৰিয়াবলৈ আৰম্ভ কৰে;—তাৰ চাঞ্চল্য জাগে।

গ্ৰাহক এজন আহে। সেই বেঙ্কটোৱেই কেৰাণী।

জোতা যোৰ কেবা ঠাইটো বেয়া হৈছে। সুদামাই জোতাযোৰ লুটিয়াই ঘূৰাই ভালকৈ চায়। সুদামাই দাম এটা কৈ তাতে লাগি ধৰে।

"মই ঠিক দামেই কৈছো বাবু, এক পয়চা বেচি লোৱা নাই।"

"ময়োতো জোতা ভাল কৰিয়েই বুঢ়া হলোঁ।" দাম কমাবলৈ—পাৰিলে বিনা পয়চাতে সৰকাবলৈ বাবুজনে বিচাৰে।

"আনৰ তালৈ নিয়ক তেন্তে, মই নোৱাৰোঁ।"

বাবুজনে ভাবি চায়, মুচিয়াৰটোৱে একো বেচি দাম খোজা নাই; দিয়াই যাওক। "বাৰু তোৰ কথাতে মান্তি হলো;" সুদামাক যেন সন্তুষ্ট কৰিবলৈহে তেনে কৰিলে। "কিন্তু ভাল চামৰা আৰু ভাল চিলাই দিবি বুজিছ, মই অলপ পিছতে আহিম।"

এইবোৰ কামত সি অভ্যস্ত। মনোনিবেশ দৰ্কাৰ নপৰে—তাৰ মনত আগৰ গানটোৰ সুৰ ভাহি উঠে। সি গুণ্‌ গুণাই আকৌ চিলাই কৰি যায়।

তাৰ গুণগুণনিৰ ওপৰ উঠি দোকানখনৰ পৰা নতুন সুৰ ভাহি আহে। সি মন দি শুনে। কোনোবা চুম্বন-মদিৰা নিশা কোনোবা প্ৰেয়সীয়ে গোৱা আনন্দ বিভোৰ গীত। গীতৰ সুৰত সুদামাই অনুভৱ কৰে—প্ৰণয়ীৰ গভীৰ চেনেহী চুমাই তপত কৰি তোলা ওঁঠৰ উষ্ণতা, তেজৰ ৰঙা কণিকাবোৰৰ অস্থিৰ বিহ্বলতা আবেগচঞ্চল কোমল পেলোৱা—অন্তৰ খনিৰ দ্রুত স্পন্দন আৰু ঢুলু-ঢুলু কৰা দুচকুৰ চাৱনিত মিলন তৃপ্ত মিচিকিয়া। হাঁহি মাতবোৰ কঁপি কঁপি তাক সকলো বাতৰি জনাই যায়। তাৰো মাদকতা জাগে।

হাতৰ বেজিটো তাৰ খৰ হৈ যায়। জোতাজোৰত আপোনা আপুনি হঠাৎ তাৰ চকু পৰে। চিন্তাৰ ধাৰাই বাট সলায়। "এঃ, জোতাযোৰ বহুত বেয়া হৈছে। বহুদিন আগতে মেৰামতি কৰিবলৈ লাগিছিল। ভালকৈ চিলাই কৰি দিব লাগিব। বাবুজনে খুব ভাল পাব। কি ঠিক ঘৰলৈ যাওঁতে বাবুৱনীয়ে জোতাযোৰ দেখা পালে—অ," নিশ্চয়, বাবুৱনীৰো ভাল লাগিব।

ইতিমধ্যে গানটো শেষ হৈ যায়। "আকৌ এবাৰ যদি বজায়," সি আশা কৰে। আন এটাহে বজায়। পুৰণি গানটোক ইমান সোনকালে এৰি দিবলৈ তাৰ বেয়া লাগে। সি সুহুৰিয়াবলৈ আৰম্ভ কৰে; কিন্তু কথাবোৰ যে ধাৰাবাহিক হৈ মনত নাই, সুৰটোত গোলমাল লাগে। সি সুহুৰিয়াই আৰু কথাবোৰ ভাবিবলৈ ধৰে। তাৰ মনত কোনোমতেই নপৰে। এটা-দুটা শব্দ উদ্ধাৰ হয় কিন্তু গানটো—হেৰাই গ'ল।

তাৰ বেয়া লাগে। পাহৰি যাব বুলি জনাহেঁতেন সিতো বেচি মন দি শুনিলেহেঁতেন। নহ'ল, ইমান ভাল গানটো হেৰাই গ'ল। কিন্তু হেৰাই নগলেও সি এনেকৈ পাব পাৰিলহেতেন! অন্তৰৰ গভীৰতম প্ৰদেশৰ পৰা ওলোৱা সেই কথাবোৰত অনুভূতি ঢালি দি জানো জীৱন্ত আৰু সাৰ্থক কৰি তুলিবলৈ পাৰিলে-হেঁতেন—

এঃ সি চিলাই কৰিবলৈ পাহৰিয়েই গৈছে। বাবুজন আকৌ আহিব। জোতাযোৰ দিব নোৱাৰিলে বেয়া পাব। খৰিদ্দাৰে বেয়া পোৱা মানে পিচলৈ তাৰ বেপাৰ নষ্ট হোৱা। তাৰ উপৰি তাক পইচাও লাগিব। খাবতো লাগিব। গান শুনিলে পেট নভৰে।

সি বেজিটো লৈ কাম আকৌ আৰম্ভ কৰে।

বাপেকৰো বেমাৰ। কিমান দিনলৈ থাকে কোনে জানে! সঁাচতীয়া পইচা অলপ আছে। সেই খিনি শেষ হৈ গলে কি কৰিব? আহা, সি আহোঁতে আজি পুৰা ডাক্তৰখানাটো সোমাব লাগিছিল। পুৰাই যোৱাহেঁতেন ঔষধ বটল সি এতিয়া কাষতেই থব পাৰিলেহেঁতেন। গধূলি সি যাবই লাগিব, পাহৰিলে নচলিব।

টকা তাক লাগিবই। গান শুনিলে নহয়। চিলাই কৰা তাৰ শেষ হয়। তলুৱা লগাব লাগে। চামৰা এডোখৰ কাটিলৈ গজাল পিটিবলৈ ধৰে।

গজাল মাৰি থাকোতেই আগৰ সেই "বসন্তৰ ৰাতিৰ" গীতৰ সুৰটো তাৰ অন্তৰত উজ্জ্বল হৈ উঠে। তাৰ মুখত সুঁহুৰি হৈ প্ৰকাশ পায়। সি সুহুৰিয়ায়। অলপ পিচতে তাৰ মনটো আকৌ পাখী লগাই আঁতৰি যায় দূৰলৈ.......।

আজি বহুদিন সৰযু পাৰৰ সেই গাওঁ খনলৈ সি যোৱা নাই। ডেৰ বছৰ আগতে বাপেকে তাক লৈ আহিছিল গৈ। বাপেক এবাৰ গৈ আহিল। এইবাৰ সিও হোলিৰ সময়ত যাব।

তাৰ বান্ধৱীয়ে ৰঙৰ মালা লৈ তাৰ কাৰণে ৰৈ আছে। কিমান দিন বাট চাই আছে। সি গলে তাই কিমান ভাল পাব। তাক কবলৈ কিজানি তাইৰ পেটত কথাৰ পাহাৰ জমা হৈ আছে।

আমজোপাৰ তলত বহি তাই লাহে লাহে কৈ যাব। সিও ডেৰবছৰ অসমত ঘূৰি পকি, দেখা শুনা অভিজ্ঞতা বৰ্ণাই যাব। তাই শুনিব। দুয়ো দুয়োকো ভাল পাব।

হোলিৰ দিনা তাইক সি ৰঙা বোলেৰে ৰঙা কৰি দিব। তাই বাৰু তাক কি দিব? ক'লা ৰং সানি বান্দৰ কৰি দিলে। সি তেতিয়া ভয় খুৱাব, "মোৰ জোতাৰ ৰং লৈ আহিম গৈ ৰ'বি।"

ৰাতি সি বাঁহীটো লৈ ওলাই আহিব। নৈৰ পাৰৰ গৰাটোৰ পৰা ভৰি ওলোমাই দি সি বহিব। অকলশৰে বহি থাকোঁতে মাটিৰ গোন্ধবোৰ তাৰ নাকত লাগিবহি। সৰযুৰে কৈ যোৱা সাধুবোৰ তাৰ কাণত পৰিব। বাঁহীটোত সি সুৰদি সুৰ বজাব।......

পাম্পচুযোৰ ইতিমধ্যে মেৰামতি হয়। সি বুৰুজ মাৰিব ধৰে। সি ৰঙো দি দিব। বাবুজনে ভাল পাব।

কিন্তু? কিন্তু, সি যে বাঁহী বজাব নেজানে। সিহঁতৰ গাওঁত কোনোৱে নেজানে। সিও ইয়ালৈ আহিহে শুনিছে। বাঁহী বজোৱা প্ৰথমে শুনা দিনাই আৰু ভাল লাগিছে। কিন্তু ভাল লাগিলেতো নহয়।

"ছেঃ, বাঁহী বজাব নাজানিলে সকলো মাটি হৈ যাব।" সিতো সুৰো নেজানে। গাৱঁত সিহঁতে গোৱা গানবোৰ এই বোৰৰ তুলনাই নহয়, একেবাৰে সস্তা, একে বাৰে বাজে। সেইবোৰ গাই সি ভাল নাপাব। এই ৰেকৰ্ড বোৰে ইমান ভাল গায়।

সুৰবোৰৰ আস্বাদ সি নতনকৈ অনুভৱ কৰে; আকৌ সি এবাৰ গুণগুণাই উঠে, সি সুহুৰিয়ায়।

সিও এনেকৈ গান ৰচিব; মনোমোহা সুৰ সংযোগ কৰিব; এনেকৈয়ে তাত প্ৰাণ ঢালি অনুভূতি ঢালি দি গাব।

সি কল্পনা কৰে: গাৱঁত মেলা বহিছে। চাৰিও কাষে তাৰ মানুহ ওচৰ পাজৰৰ গাওঁ ভাঙি আহিছে। সকলোৰে মাজত সি গান গাইছে মূৰত বকুল ফুলৰ এধাৰি মালা পিন্ধি, সকলোৱে আনন্দত অধীৰ হৈ মূৰ দুপিয়াইছে, ছোৱালীবোৰৰ প্ৰশংসা মুখৰ হৈ উঠিছে। বুঢ়া বুঢ়ী বোৰে যেন কৈছে "ধন্য বোপাই, তোৰ গাওঁৰ বাহিৰ ওলোৱা সাৰ্থক হৈছে।"

কিন্তু কি গান ৰচিব সি? কি সুৰ তাত যোজনা কৰিব? কেনেকৈ সি অনুভূতি ঢালি আনৰ অন্তৰত ভাৱৰ হেন্দোলনি তুলিব।

নিজৰ অক্ষমতা গম পায় সি অসহায় হৈ পৰে; খন্তেকলৈ পৰাজয়ৰ গ্লানিয়ে তাক আগুৰি, ধৰে জীৱন সংগ্ৰামৰ সকলো ক্ষেত্ৰতে যে সি পৰাভূত হৈ যায়, তাৰ তৰোৱাল ভাঙি পৰে।

নিৰুদ্যম হৈ জোতাযোৰত ৰং সনা আৰম্ভ কৰে। জোতাযোৰ অলপ পিচতে চিকমিকাই উঠে। পুৰণি জোতাযোৰ নতুন যেন দেখা হয়। নিজৰ কাৰুকাৰ্য্য দেখি আনন্দৰ ৰস তাৰ হিয়াত নিজৰি পৰে।

বাবুজন আহি জোতাযোৰ লয়। দাম ঠিক ঠাক কৰোতে ভুল শুনাতো নাছিল? জেপত হাত দি

সোধো নোসোধোকৈ—সোধে "কিমান লাগিব বুলিছিলি ?"

সুদামাই আগৰ দামটোৰেই কয়।

বাবুজনৰ চকুদুটা উজ্জ্বল হৈ উঠে, গোটেই মুখমণ্ডল হৰ্ষত ওপচি পৰে, তেওঁৰ সুদামাক খুব ভাল লাগে,—কৈয়ো পেলায়।

সুদামাৰো ভাল লাগে। তাৰ একো নোহোৱা নহয়—তেন্তে! এনেকৈ উপহাৰ কিছুমান দিব পাৰিলে! বান্ধবীয়েও ভাল পাব; তাইৰো চকুমুখ সৰস হৈ উঠি অন্তৰৰ নিভৃত কোণৰ বাৰ্তাৰে সুদামাক দি যাব। তায়ো বেচিকৈ ভাল পাবলৈ আৰম্ভ কৰিব!

হুঁ, সি তাইক গান উপহাৰ দিব।

মগজুৰ সকলো শক্তি খাপ খুৱাই, গানটোৰ ওপৰত সি নিবদ্ধ কৰে। সি তাইক গান উপহাৰ দিব, সি গৈ পোৱাৰ গধূলি। সৰবুৰ ঘাটলৈ পানী নিবলৈ তাই আহিব, পাৰৰ ঘাঁহনি ডৰাত সি ভৰি হাত মেলি শুই সি গুণগুণাই থাকিব; তাই যাওঁতে কলহটো নমাই তাৰ কাষতে বহি অনুৰোধ কৰিব গান এটা গাবলৈ ...।

........দিহঙৰ পিছোঁদি তেতিয়া বেলি মাৰ গৈছে। এজাক ৰাজহাঁহ দিহঙৰ মূৰৰ ওপৰেদিয়েই কলধ্বনি কৰি বাহলৈ উভতি যায়। দূৰৈৰ পথাৰত গাত গাই গাই গৰখীয়া বোৰে আনে গৰু খেদি; গৰুৰ গ'লত আঁতৰি দিয়া টিলিঙা বোৰ বাজি থাকে; আম গছবোৰ গুৰু-গম্ভীৰ হৈ আকাশৰ বহুত ওপৰলৈ মূৰ তুলি থিয় দি থাকে।

তাই তাক অনুৰোধ কৰে গান গাবলৈ।......

সুদামা চঞ্চল হৈ উঠে;—উতলা হৈ যায়। তাৰ প্ৰতিবিন্দু-অণুবিন্দু কণী মুখৰ, চঞ্চল হৈ উঠে, তেজবোৰ যেন তৰল হৈ পৰে; বেচি খৰকৈ ববলৈ ধৰে। ঢৌৰে উথল-মাথল লগায়; তাৰ চেতন অচেতন মনৰ সীমাৰেখা ভাঙি দি এটা অজান অলৌকিক আবেগে এখন ৰূপহীন, ছয়াময়া সপোন পুৰী ৰচনা কৰে। তাৰ জীৱন সাগৰৰ অতল তলিৰ পৰা সৃষ্টিৰ আগ্নেয়গিৰিয়ে কোটিকলীয়া টোপ-নিৰ পৰা সাৰ পাই উঠি উত্তাল তৰঙ্গমালাৰ জন্ম দিয়ে।

হাজাৰ বিজাৰ কথা হাজাৰ বিজাৰ সুৰ প্ৰকাশ বিচাৰি উতলা হৈ, অধীৰ হৈ অন্ধ হৈ উঠে; অসংখ্য চিন্তা অসংখ্য অনুভূতিয়ে তাৰ শৰীৰ মন জোকাৰি পেলায়, ৰোমাঞ্চিত কৰি তোলে; সি তাৰ নিজস্ব স্বত্তা হেৰুৱাই পেলায়। নিজক সি পাহৰি যায়।.......

অপ্ৰকাশৰ অপাৰ বেদনাই তাক মন্থন কৰি দি যায়, বোমাৰ দৰে সি ভীষণ শব্দৰে ফাটি যাব খোজে, টুকুৰা টুকুৰি হৈ গোটেই জগতত বিয়পি পৰিবলৈ তাৰ দুৰ্জ্জয় হেঁপাহ জাগে; দেশ কালৰ সীমা উলঙ্ঘা কৰি সকলো দেশৰ সকলোৰে লগত মিলি যাব খোজা প্ৰবল আকাঙ্খাই তোলপাৰ লগাই দিয়ে; নিজক চুৰমাৰ কৰি উৰাই দিবলৈ, পিহি খুন্দি গুড়া কৰি পেলাবলৈ উন্মাদ প্ৰবৃত্তিয়ে তাক উগ্ৰ উতলা কৰি তোলে।

—সি অস্পষ্ট অনুভৱ কৰে। কোনোবা এজনে তাৰ কাষত থিয় হৈছি; কিবা বোৰ কৈ যায়, সি বুজি নাপায়। মানুহ জনে জোতা যোৰ থৈ গুচি যায়।

——গ্ৰাহক!

ধীৰে, ধীৰে সি বাস্তৱৰ ৰাজ্যলৈ নামি আহে।

'তুফান'ৰ প্ৰচণ্ড মত্ততা শেষ হৈ যায়। ঘোৰ আস্ফালনৰ তীব্ৰতা লাহে লাহে হ্ৰাস হৈ উঠে। সাগৰৰ বুকুত ফেনবোৰ লক্ষ্যহীন হৈ ইফালে সিফালে উটি ফুৰে। নিশ্চল নিসাৰ হৈ সাগৰখন আকৌ নিস্ত-ব্ধতাই আগুৰি ধৰে!

..... বেপাৰৰ কথা, বাপেকৰ কথা, টকাৰ আৱশ্যকতাৰ কথা তাৰ আকৌ মনত পৰে। কৰ্ত্তব্যবোধ তাৰ আকৌ সজাগ হৈ উঠে। গ্ৰাহক জনে এৰি যোৱা জোতা-যোৰ সি বুটলি লয়। এপাত চায়েই সি কি কাম কৰিব লাগে বুজি পায়; সি আকৌ কামত লাগে।

তাৰ দৈনন্দি জীৱনৰ গতানুগতিক ধৰণেৰে অন্তঃসাৰহীন নির্জীৱ কলৰ দৰে সি কাম কৰি যায়। সৰষু পাৰৰ সেই অকণমান গাওঁখনৰ মৌসনা কল্পনা আঁতৰাৰ লগে লগে অন্তর্জগতৰ সকলো সম্পদ আকৌ টোপনিত লালকাল হৈ পৰে; সেইদৰে সি হেৰুৱাই পেলায়। সুৰ-সপোনৰ মোহ জীৱনৰ বাস্তৱতাত ভাহি যায়·····। তাৰ তুঁহ জুইকুৰা প্রাণদায়ী বতাহৰ পুলক পৰশ পোৱাৰ পিছতো জ্বলি উঠিব নোৱাৰে। তাৰ জীৱন ৰথৰ কিট ঘৰ্ঘৰণিয়ে তাৰ বীণত সুৰৰ মৰণ গীতিকা গায়, তাৰ বীন আৰু নাবাজে।

——:0:——

# শিল্পীৰ গান

কবিতা ]

প্রফুল্ল ভূঁঞা
১ম বার্ষিক (কলা)

আমি শিল্পী,
আমি গাওঁ গান,
গানৰ সুৰত
সঞ্জীবিত মানুহৰ মৃত্যুমুখী প্রাণ।
আমি—
ভাঙো গঢ়ো,
গঢ়ো ভাঙো,
পুৰণিক ভাঙি ভাঙি, নতুনক গঢ়ি গঢ়ি
শান্তিৰ শীতল ছাঁয়া
যুগে যুগে দিওঁ বিয়পাই।

—সেইদিনা······
সৃষ্টিৰ আঘাত লাগি—
অনাদিৰ ঘোৰ আন্ধাৰত
মানুহৰ যাত্রাপথ শূন্যতাৰে ধুঁৱলি কুঁৱলি;
সেইদিনা আমি
উজ্জ্বল পোহৰ ঢালি,
ঢালি সুৰ আমাৰ গানৰ,
পোহৰাই তুলিলোঁ জগত
নমালোঁ নতুন আশা
দিলো প্রাণ।
সসীমৰ পৰিধি গুচাই
অসীমৰ অখণ্ড ছটাৰে
সসীমক তুলিলো ৰেঙাই।

আকাশৰ নীলাই নীলাই
আমি দিলোঁ ঢালি, অন্তৰোৰ নীলাভ অঞ্জন ।
সাগৰৰ পাৰে পাৰে
আমিয়েই তুলি দিলোঁ
অন্তৰোৰ ফেনিল কম্পন ।
সন্ধিয়াৰ ডাৱৰৰ একা বেঁকা আগে আগে
চকা-চন্দা পোহৰৰ
দিলো ঘঁহি—
হেঙুলীয়া বোল;—
বিশ্বত লুকাই থকা
সৌন্দৰ্য্যৰ ঢল আনি
মাটিৰ পৃথিৱী—ত্বাতে—
তুলিলোঁ কল্লোল ।

এয়া চোঁৱা !
আমাৰ গানত বাজে মানুহৰ;—জগতৰ
সকলো সঙ্গীত ।
বুৰঞ্জীৰ শুকান কথাত
অৰ্থহীন, সুৰহীন, ছন্দহীন,
প্ৰানহীন আমাৰ জীৱন ।
চোৱাঁ আমি;—
কদমৰ তলে তলে মুকলী ৰজাই
সুৰবে কঁপাই তোলো যমুনাৰ পানী ।

আৰু চোৱাঁ !—যুগৰ মামৰে খোৱা
স্তব্ধ, নিৰ্বিপ্লৱ, আমাৰ সমাজ ।
আমি—
পৃথিৱী সজাগি উঠা
যুগৰ হাতুৰি গঢ়ি
ঢং ঢং আৱাজেৰে
ৰূপ দিওঁ নতুন গঢ়ত ।
শতাব্দীৰ খচকনি খাই
সুপ্ত, মৃত, লাখ লাখ
বঞ্চিত মানব……;
সিইঁতৰ হাড় বোৰ
অন্যায়ৰ ঘোৰ চলনাত
পোতযায় মাটিৰ বুকুত !
ধ্বনি শুনি আমাৰ গানৰ
হাড়ৰ মাজৰ পৰা কোটি কোটি
জাগে সেনা,
যেন—অক্ষয় সেনানী ।
সাজিছোঁ, সাজিম আমি
আমাৰ পৃথিবী ।……
আমাক শান্তি লাগে । শান্তি লাগে !
শান্তিৰ পিপাসা জাগে,
জাগে তৃষ্ণা মানুহ প্ৰেমৰ ।

অদূৰত সউ ! আমি সজা
স্বপ্নলীল পৃথিবী আহিছে নামি,
আমি গাম এনে গান !
যিগানত উঠিব মুঞ্জৰি
প্ৰতি মানুহৰ প্ৰাণ
ধৰা দিব এই ধুলিৰ ধৰাতে
আকাশৰ জোন তৰা,—
প্ৰকৃতিৰ শ্যামলিমা;
দিগন্তৰ সেদ র্ষ·সে ·নি

——:0:——



# সম্পাদকীয়

শতাব্দীৰ বুকুৰ পৰা ১৯৫০ চনৰ বছৰটো, —হয়তো পুৰণি পৃথিবীৰ লেখ জোখ নোহোৱা কাহিনী বোৰৰ সীমাৰেখা বোৰ বঢ়াবলৈকে আঁতৰি গ'ল। আমি,—মানৱজাতি এটা অৰ্দ্ধ শতাব্দীৰ কোলাহল এৰি অন্য এটা অৰ্দ্ধশতাব্দীৰ বুকুত সোমাই পৰিছোঁ—জীৱনৰ ক্ৰমবৰ্দ্ধমান গতিটো অব্যাহত ৰাখিবলৈকে। গচকি পাৰ হৈ অহা এই অৰ্দ্ধ-শতাব্দীৰ দুৰন্তীখনে আমাৰ চলিত বৰ্ত্তমানক আজি দেখুৱাই—১ম আৰু ২য় মহা-সমৰৰ উমি উমি জ্বলি উঠা ভয়াৱহ সমস্যা আৰু পৰিণতিবোৰ,—যি বোৰক আজিও আমি এৰাদি তেনেই আঁতৰি যাব পৰা নাই। সন্ধানী বিজ্ঞানবিদ সকলে যুদ্ধৰ আঁৰ পটত কৰি যোৱা মাৰাত্মক আবিষ্কাৰ বোৰে পৃথিবীৰ শান্তি ক্ষুণ্ণ কৰি পেলালে আৰু সেই শান্তি অক্ষুণ্ণ ৰাখিবলৈ আগবাঢ়ি আহিছিল সমূহীয়া জাতিৰ "লীগ অব্ নেচন্‌চ" লীগঅব নেচন্‌চ' অকৃতকাৰ্য্য হ'ল আৰু ২য় মহাসমৰৰ পিছত, কিছুমান ক্ষমতালোভী দলৰ মাজত অঙ্কুৰিত হৈ আজিও যে, "সম্মিলিত ৰাষ্ট্ৰপুঞ্জ" ই শান্তি ৰক্ষাৰ প্ৰচেষ্টাত সাফল্য লাভ কৰিছে, সি সন্দেহ ·····এনে এখন ৰোগগ্ৰস্ত পৃথিবীতেই আমি দেখোঁ ১৯১৭ চনৰ ৰুছিয়াৰ বিপ্লৱ আৰু আজিৰ কোৰিয়া, মুক্ত চীনা, ইণ্ডোনেচিয়া আৰু ভাৰতৰ স্বাধীনতা।

## *আন্তৰ্জ্জাতিক ৰঙ্গমঞ্চত এভুমুকি—*

·····এই এৰি অহা বছৰটোত আন্তৰ্জ্জাতিক পৰিস্থিতি বোৰে যি ভাজ লৈছে সেইটো পৃথিবীৰ প্ৰতি দেশৰে প্ৰত্যেক জাতীয় দৰ্শনৰ কাৰণেই চিন্তা আৰু ভয়ৰ নিদৰ্শন। ইৰাণৰ তেলখনি লৈ লগা অসন্তুষ্টিয়ে কেতিয়া কিৰূপ কেনেদৰে লয় কোনে জানে! ১৯৫০ চনৰ ২৫ জুন তাৰিখে উত্তৰ আৰু দক্ষিণ কোৰিয়াৰ সীমাৰেখা ৩৮ অক্ষাংশ অতিক্ৰমি যি জুই জ্বলি উঠিল সি ক্ৰমান্বয়ে জটিলতৰ হৈ আহিছে। কোৰিয়াৰ লোহ-আবৰণৰ আঁৰে আঁৰে প্ৰকাৰান্তৰে দুটা শক্তি ব্যূহৰ মাজত লাগি থকা শক্তি পৰীক্ষাৰ যুদ্ধই গৰজি উঠা মুক্ত চীনৰ ৰঙা পতাকাই মাথোঁ Tennysten ৰ Old order changeth yielding place to new. কথাষাৰেই প্ৰত্যক্ষ ভাবে প্ৰতিপন্ন কৰে। এই এৰি অহা অৰ্দ্ধ শতাব্দীটোৰ বুকুতো আমি তাকেই দেখি আহিছোঁ।

কোৰিয়াৰ যুদ্ধবাদী সন্মিলিত ৰাষ্ট্ৰপুঞ্জৰ সৈন্যবাহিনীৰ সৰ্বাধিনায়ক মেকআৰ্থাৰৰ পতনৰ পাছত, নবনিযুক্ত ৰিজৱেৰ অধিনায়কত্বত শান্তিৰ কিবা আঁচনি আমি কৰি লব পাৰোনে? হয়তো নোৱাৰিম বা নোৱাৰো। —আজিও তো ৰাতি পুৱাৰ নিস্তব্ধতা ভৰা দেশ খনত

-দুর্যোগ ভৰা আঁউসী নিশাৰ গতি সলনিহোৱা নাই। ……ভাৰতে কোৰিয়াৰ শান্তিৰ কাৰণে —ষ্টেলিন আৰু আমেৰিকাৰ চেক্রেটাৰী অব্ ষ্টেটচ্ ডিন একেছনলৈ যি প্ৰস্তাৱ পঠিয়াইছিল সি ব্যৰ্থ হৈ পৰিল।

(……এনে কিছুমান পৰিস্থিতিৰ মাজতে এছিয়া-বাসীক আজি ছুটা আদৰ্শই নেতৃত্ব লৈ বাট দেখুৱাব খুজিছে বুলি কলেও ভুল কৰা নহব। এছিয়াৰ ৰাষ্ট্ৰীয় দৰ্শনৰ আঁৰে আঁৰে চোভিয়েট আৰু ইঙ্গআমেৰিকান শক্তিৰ মাজত যি শীতল যুদ্ধ চলি আহিছে—সেই মনোভাৱৰ শামুকীয়া গাঁঠি কাহানি স্থলকি পৰে তাৰ ইয়ত্তা নাই। এছিয়াৰ পৰা বৈদেশিক ঔপনেবিশকতা আঁতৰি শেষ হৈ যোৱা সত্বেও ষ্টাৰ্লিং আৰু ডলাৰৰ কিনি অনা বৈদেশিক ৰক্তচাপ যেন আজিও আছে।)বিদেশী United Nation's World (Jun) নামৰ আলোচনী-খনতে এই কথা ফাঁকিৰ ৰূপটো ওলাই পৰিছে।

"The year 1950 is the year of decision for U. S, policy in Asia. In the twelve showdown months ahead, the united states has its last chance to recoup its loss of face in Far east & to win the allegiance of its people to the Democratic side. Otherwise the U.S.S R. will annex their loyalties, if not their land.

—আকৌ "Only a progressive America can make contact with revolutionary Asia & win the Asiatics from the Influence of reactionary Sovietism………The Asiatics are not afraid of American military power or indeed of any western power. Rabbles in Arms destroyed Datch military power in Indonesia & American military power in China, and if the British had not left India peacefully, Indian Rabbles would have thrown the British out of India"

## আমাৰ দেশৰ কথা—

ভাৰতৰ স্বাধীনতাই চতুৰ্থ বছৰত ভৰি দিছেহি। এই কোমল বয়সতে দ্বিখণ্ডিতা ভাৰতৰ সমুখত বহুতো সমস্যাই মূৰ দাঙি উঠিছে। তিব্বত মুক্ত চীনা চিনীৰ দ্বাৰা আক্ৰান্ত হোৱাটো ভাৰতৰো এটা চিন্তাৰ বিষয়। তদুপৰি হায়দৰাবাদৰ সমস্যা সমাধান হোৱাৰ পাছতো কাশ্মীৰৰ সমস্যা দূৰীভূত হোৱা নাই। আচম্বিতে এখন যুদ্ধৰ পাতনি মেলি কাশ্মীৰে দ্বিতীয় কোৰিয়াৰ অৱস্থান যেন দেখুৱাইহে গৈছে। অনেক ডেপুটেশন, প্ৰস্তাৱ, আন্দোলন আদিয়ে যুদ্ধৰ আগেয়ে আৰু পিছতো ব্যৰ্থ চেষ্টা চলাই থাতাং সিদ্ধান্তত উপনীত হব পৰা নাই; কাশ্মীৰ কাৰ,—ভাৰতৰ নে পাকিস্থানৰ। U. N. O.ৰ Security Council ৰ নিৰ্ব্বাচিত মধ্যস্থতা-কাৰী Owen Dixon ৰ Mission অকৃতকাৰ্য্য হোৱাৰে পৰা আৰম্ভ কৰি অনেক ব্যৰ্থ চেষ্টাই হৈ গ'ল, কিন্তু কোনো সিদ্ধান্ত হোৱা নাই কাশ্মীৰ ভাৰতৰ নে পাকিস্থানৰ।……

….নেপালৰ আও পুৰণি সামন্তবাদী নীতি উঘৰি পৰাত আমি আনন্দিত। অধুৰিত নতুন গৱৰ্ণমেণ্টক অভিনন্দন জনাই আমি নেপালৰ উজ্জল জাতীয় দৰ্শন কামনা কৰিলো।

## অসমৰ বুকুত পঞ্চাছ চনটোঃ—

এই যোৱা বাৰ মাহৰ ভিতৰতে অনেক পৰিবৰ্ত্তনেই আমাৰ চকুৰ আগত ধৰা দিয়েহি।……দিনা ৫০ চনৰ ১৫ আগষ্ট, আমাৰ স্বাধীনতাৰ ৪ৰ্থ বাৰ্ষিক উৎসৱ পালনৰ দিন। মু নিহ-তিৰোতা, ডেকা-গাভৰু,

লৰা-ছোৱালী সকলোৰে আনন্দ উপচি পৰা মনত চমক্ লগাই সেই ডাঙৰ ভূইকঁপটো আহিল। তেতিয়া ৰাতি প্ৰায় ৭টা ৪৫ মিনিট। ... উজনি অসমৰ চহৰবোৰৰ ঘৰ-দুৱাৰ ভাগি চুৰ্ণ হ'ল; পকী ঘৰ-দুৱাৰ আৰু পকী হৈ নাথাকিল; সকলো সমান হৈ গ'ল। ঠায়ে ঠায়ে মাটি ফাটিল, পানী-বালি-বোকা ওলাল। পুখুৰী উটি বাম হ'ল; কঠিয়াতলীবোৰ বহি পুখুৰী হ'ল, আৰু পকী ট্ৰাঙ্ক ৰোডটোৰে চিৰাল ফটা দিলে। *এই প্ৰাকৃতিক দুৰ্যোগে অসমৰ যাতায়াতৰ যোগাযোগ*বোৰ বিচ্ছিন্ন কৰি পেলালে, শদিয়াৰ ফালৰ সেউজীয়াখিনি বিৰাট ভূমিস্খলনৰ কাৰণে পাথৰে খোৱা যেন হ'ল। ১৯৩৪ চনৰ বিহাৰ আৰু ১৯৩৫ চনৰ কোৱেটাৰ ভূমিকম্পতকৈয়ো ভীষণতৰ এই ভূমিকম্পটোৱে অপেক্ষাকৃত ভাবে কমহে মানুহৰ——জীৱন হানি কৰিলে! কাৰণটো হ'ল—এই ভূমিকম্পটোৰ উপকেন্দ্ৰ আছিল জনবিৰল অসমৰ পাৰ্ব্বত্য পুব সীমান্তৰো সিপাৰে।—

........অনেকে ভাবিছিল ভূমিকম্প আহিল যাবগৈ কিন্তু সেয়ে হৈ নুঠিল, সেই দিনাৰে পৰা কমবেছি বুজন ধৰণৰ ভূমিকম্প প্ৰায় ৫ মাহলৈকে আহিয়ে থাকিল।.. ....

........সিমানতো অসমৰ দুৰ্যোগৰ লানি নিচিগা অভিযানত দাঁৰি নপৰিল। ভূমিকম্পত ভূমিস্খলন হৈ আৱদ্ধ হৈ থকা পৰ্ব্বতীয়া পানীৰে উপচি সোৱণশিৰি বলিয়া হৈ উঠিল। সোৱণশিৰিৰ বলিয়াবানে সোৱনশিৰি পৰীয়াক ধুই নিলে। গাৱঁবোৰ পলসে পুতি পেলালে....শেষ অস্তিত্বকনো হয়তোবা কোনো কোনো গাৱঁত নাথাকিলেই জন গ'ল ধন গ'ল; বলিয়া বানত সকলোবোৰেই উটি গ'লগৈ। মাকে জীয়েকক বুঢ়া অন্ধ বাপেকে চেমনীয়া পুতেকক, কোনোবা কনেঙে কোনোবা চেনেঙক চিৰকাললৈ হেৰুৱালে।....শোৱণশিৰি পৰীয়া কনেঙ-চেনেঙৰ সোণবৰণা হাঁহিবোৰত পলস পৰিল; সেইবোৰ নাইকীয়া হ'ল।......

অসমৰ এনে দুৰ্য্যোগৰ সময়ত আমি স্বদেশ বিদেশৰ অনেক ঠাইৰ পৰা আৰ্থিক সাহায্য আৰু সক্ৰিয় সহানুভূতি পাই ভাগ্যবান মানিছোঁ। অন্যান্য দেশৰ লগতে U. N. E. S. CO য়ে দেখুৱাও সক্ৰিয় সহানুভূতিৰ কথা আমি— অসমীয়াই কিয় কোনো ভাৰত বাসীয়ে সহজে পাহৰিব নোৱাৰে। অসমৰ ৰাজ্যপালৰ "*ভূমিকম্প সাহায্য পুজি*" আজিলৈকে প্ৰায় ৬৫½ লাখ টকা জমা হৈছে। এতিয়া কথা হ'ল কৰ্ত্তৃপক্ষই সুপৰিকল্পিত ভাৱে উক্ত ধনেৰে দুৰ্দ্দশা গ্ৰস্ত সকলক সৰ্ব্বতো প্ৰকাৰে সহায় কৰে।

* * * *

অসমৰ ঠায়ে ঠায়ে মুৰ দাঙি উঠা বিপ্লৱী কমিউনিষ্ট সকলৰ বিৰুদ্ধে চলোৱা পুলিছ মিলিটাৰীৰ অভিযানত অনেক নিৰীহ মানুহে অযথা কষ্টভোগৰ প্ৰতি কৰ্ত্তৃপক্ষৰ দৃষ্টি আৰু সুবিচাৰ আমি আৰ্কষণ কৰিলো।

* * * *

### *কটন কলেজ—*

১৯৫০ চনৰ বছৰটো শেষ হৈ ৫১ চনত ভৰি দিয়াৰ লগে লগে কটন কলেজৰো ৫০ বছৰীয়া গৌৰৱময় অতীত এটা আঁতৰি গৈছে আৰু আমি কটন কলেজৰ সোনালী জয়ন্তীৰ আগ মুহূৰ্ত্ত পাইছোঁহি।(..... অনেক অভাৱনী দুৰ্যোগ পাৰ হৈ আমি— কটনিয়ান সকল ঋজু গতি-পথৰ ৰেখা ডালেদি আগ বাঢ়ি আহিয়ে আছোঁ আৰু আৰু কটন কলেজৰ স্থিতি বুৰঞ্জীৰ—দুৱাৰ ডলিত, অচিন ভৱিষ্যত এটাও আগ বাঢ়ি আহিছে। ... কটন

কলেজৰ উজ্জ্বলতৰ ভবিষ্যত সকলোৱে বিচাৰে—আমিও বিচাৰো। —)

*    *    *    *

## ধৰ্ম্মঘট—

কটন কলেজত অন্যান্য বেচৰকাৰী কলেজ সমূহৰ মাছুলৰ সমতা দেখুৱাই মাছুল বৃদ্ধি কৰাৰ কথা সকলোৱে জানে। লগতে, কলেজৰ ছাত্ৰৰ আসন সংখ্যাও হ্ৰাস কৰি প্ৰায় ওঠৰ শ'ৰ পৰা প্ৰায় চৌদ্ধ শ" কৰা হৈছে। বাজেটত টকা নাই; বৃত্তি আদি বঢ়াব, বেচৰকাৰী কলেজ সমূহৰ লগত সমতা, আদি নানা অজুহাতত চৰকাৰে পৰি পোষণ কৰা শিক্ষা সংকোচন নীতিৰ প্ৰতিবাদ কৰি, অনেক আবেদন নিবেদন, আলাপ আলোচনা আদিৰ ব্যৰ্থ চেষ্টাৰ পিছত যোৱা ৫ আগষ্টৰ পৰা অবিৰাম ধৰ্ম্মঘট কৰিবলৈ কটন কলেজৰ ছাত্ৰ সংগ্ৰাম পৰিষদে সিদ্ধান্ত লয়, আগষ্ট মাহৰ ১২ তাৰিখে সমগ্ৰ অসম জুৰি "সদৌ অসম শিক্ষা সংকোচন নীতি বিৰোধী দিবস" যথেষ্ট সাফল্যভাৱে পালন কৰাৰ পিছত সংগ্ৰামৰ গতি ধুৰাবলৈকে চৰকাৰে কলেজ অনিৰ্দ্দিষ্ট কাললৈ বন্ধ কৰি দিয়ে।........নানা কেৰোণ লাগি সংগ্ৰামৰ গতি ধীৰ হৈ হৈ পিছত ক'মা পৰিল আৰু অৱশেষত দাঁড়ি পৰিল। আনকি সৰ্ব্বশেষত সুবিচাৰ বিচাৰি শেষ সংগ্ৰামত ৩৪ জন কটনিয়ান বন্ধুৰ অনশন ধৰ্ম্মঘটো ব্যৰ্থ হৈ পৰিল। —

এনে এটা নীতিৰ প্ৰতিবাদ কৰিয়ে গোৱালিয়ৰ, সৌৰাষ্ট্ৰ আৰু ৰাজ কোটৰ ছাত্ৰ সমাজ জাগি উঠিছিল—উঠিছিলোঁ আমিও অসমৰ এক প্ৰান্তত।....কিন্তু হঠাতে কিবা যেন এটা হৈ গ'ল। সংগ্ৰাম আমাৰ ব্যৰ্থ হৈ গ'ল।........

*    *    *    *

## কটন কলেজৰ ভিতৰ চ'ৰা—

(অসমৰ একমাত্ৰ চৰকাৰী কলেজ কটন কলেজত ছাত্ৰৰ আসন সংখ্যা যথেষ্ট ৰূপে কমোৱাৰ পিছতো আমি দেখিবলৈ পাওঁ অধ্যাপকৰ অভাৱ আৰু সেই অনুপাতে পৰীক্ষাৰ্থী সকলৰ কাৰণে আচুতীয়া টিউটৰিয়েল ক্লাছবো অস্তিত্ব থাকিলেও মূল্যৰ যথাৰ্থতা নাইকীয়া হৈ পৰিছেহি। )

*    *    *    *

"নৃতত্ত্ব বিদ্যাৰ" বিভাগটোৰ প্ৰতি চৰকাৰে যেন অলপ চকু কাণ দিয়ে। সেই বিভাগটোৰ অস্তিত্বকণ আজি এটা সৰু ঘৰতে আবদ্ধ। আনহাতে সেই বিষয়ত ছাত্ৰৰ সংখ্যাও দিনে দিনে বাঢ়িছেহে।"

*    *    *    *

লাইব্ৰেৰীৰ অৱস্থাও শোক লগা। আধুনিক সাহিত্য বিজ্ঞান সমন্ধীয় কিতাপৰ লাইব্ৰেৰীত নিতান্ত অভাৱ। পুৰনি কিতাপৰ Catalogue আছে সঁচা কিন্তু সেইবোৰ চাই কিতাপ আনিবলৈ গলে প্ৰায়েই হয় " Book is

out ।” কিন্তু উপযুক্ত সংখ্যক কিতাপ থাকিলে এনে কেতিয়াও নহয় সি ধুৰুপ। তাৰোপৰি লাইব্ৰেৰী কৰ্তৃপক্ষৰ অযত্নতাত অনেক কিতাপক উঁই পৰুৱাই চুমা যাচিছে নতুবা মকৰা জালে আবৰি ধৰিছে।

আনহাতে এইবছৰ লাইব্ৰেৰীত শৃঙ্খলতা বঢ়াই তুলিবলৈ প্ৰয়োগ কৰা টিকেট দিয়া প্ৰথাটো আমি শলাগিলোঁ। .........

*　　*　　*　　*

এটা অভাৱ আমি অনেক দিনৰ পৰাই অনুভৱ কৰি আহিছোঁ সেইটো হ’ল ছাত্ৰসকলৰ এটা ‘কমন ৰুম’। আমাৰ নিজা “কমন ৰুম” নথকাত “চুড়মাৰ্চন হ’লেই আমাৰ উক্ত কমনৰুমৰ কাম চলাই আহিছে। এনে অৱস্থাত যেতিয়া উক্ত হ’লত কিবা সভা সমিতি হ’ব লগীয়া হয়,— তেতিয়া “কমন ৰুম”ৰ অস্তিত্ব হেৰাই অনেক অসুবিধাৰ সৃষ্টি কৰে। সুবিচাৰ বিচাৰি আমি কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

*　　*　　*　　*

আৰু এটা অভাৱ আমাৰ আছে,— সেইটো হ’ল কৰ্তৃপক্ষৰ পৰিচালিত এখন কলেজ কেন্টিন। কটন কলেজৰ চৌহদত যে এখন স্বাস্থ্যকৰ কেন্টিণৰ আৱশ্যক তাক কোনেও নুই কৰিব নোৱাৰে, এনে এটা সু-ব্যৱস্থাৰ অভাৱতে কটনিয়ান সকলে আজৰি সময়ত খৰধৰৰ মাজতো অস্বাস্থ্যকৰ চাহৰ দোকান আৰু ৰেস্তোৰাবোৰত ভুমুকি মাৰেগৈ। সমূহীয়া স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি কৰ্তৃপক্ষই ইয়াৰো কিবা এটা সুব্যৱস্থা কঁৰক,—আমি তাকেই বিচাৰোঁ।

লাইব্ৰেৰীৰ অৱস্থা উন্নত ক’ৰক; অধ্যাপকৰ সংখ্যা বঢ়াওক, ছাত্ৰৰ আসন সংখ্যা বঢ়াওক। কেন্টিন দিয়ক ইত্যাদি—এইবোৰ এটা পুৰণি গানৰে কথা, মাথোঁ নতুন সুৰত আজি দেখা হৈছে। তথাপি উপযুক্ত প্ৰতিবিধান বিচাৰি এইবাৰো আমি টানি অনুৰোধ কৰিলোঁ।

*　　*　　*　　*

## *বিয়োগ বাতৰি—*

এই যোৱা বছৰটোৰ বুকুতে পৃথিবীৰ পৰা অনেকেই বিদায় ল’লে—চিৰকাললৈ।—মানুহৰ জীৱনটো সপোন, নতুবা সপোনতকৈও যুক্তিপূৰ্ণ অন্য কিবা এটা—হয়তোবা জীৱণ এটা তাচৰে ঘৰ” গঢ়ি উঠে, আকৌ ভাগি যাবলৈকে। A little hoping„ a little dreaming & then Good night.

## *বাৰ্নাৰ্ডশ্ব—*

সাহিত্য জগতত নতুন পোহৰৰ সন্ধান দিওঁতা মনিষী বাৰ্নাৰ্ডশ্বক আমি যোৱা ২ নবেম্বৰ তাৰিখে ৯৪ বছৰীয়া বয়সত হেৰুৱাইছোঁ, Man & Superman ৰ দিগদৰ্শক সেই মহান পুৰুষজনৰ আত্মাৰ শান্তি হওক —এয়ে প্ৰাৰ্থনা।

*　　*　　*　　*

## *ঋষি অৰবিন্দ—*

যোৱা ৫ ডিচেম্বৰৰ দিনা আধ্যাত্মিক ঋষিপ্ৰবৰ অৰবিন্দ পণ্ডিচেৰীৰ নিজা আশ্ৰমত স্বৰ্গী হয়। ভাৰতৰ স্বাধীনতাৰ হকে, লণ্ডণৰ পৰা উচ্চশিক্ষা সাং কৰি আহি জীৱণৰ আগছোৱা কাল—স্বাধীন সৈনিকৰ বেশেৰে ঋষি অৰবিন্দই যুঁজিছিল আৰু ফল স্বৰূপে কাৰাবৰণো

আদবি লব লগীয়া হৈছিল। তেখেতৰ জীৱনৰ শেষ-ছোৱাত আমি তেখেতক পাওঁ আধ্যাত্মিক তত্ত্বাৰ্থী যোগী হিচাবে। তেখেত আজি আৰু নাই—তেখেতৰ মহান আদৰ্শই সমগ্ৰ জগতকে অনুপ্ৰেৰণা যোগাওঁক, এয়ে আজি আমি প্ৰাৰ্থনা কৰিলোঁ।

*　　*　　*

ভাৰতৰ লৌহ মানৱ, উপ প্ৰধান মন্ত্ৰী চৰ্দাৰ বল্লভভাই পেটেলও যোৱা ২০ ফেব্ৰুৱাৰীৰ দিনা স্বৰ্গী হয়। আজীৱন এজন আদৰ্শ কংগ্ৰেছ কৰ্ম্মী হিচাবে ভাৰতৰ স্বাধীনতাৰ কাৰণে যুঁজি অহা তেখেতক আমি জীৱনৰ বিয়লি বেলিকা পাওঁ ভাৰতৰ উপ প্ৰধান মন্ত্ৰী হিচাবে। যি সময়ত তেখেতৰ প্ৰয়োজনীয়তা দেশৰ কাৰণে অপৰিহাৰ্য্য হৈ উঠিছিল,—সেই সময়তে তেখেতে সহযোগী সকলৰ ওপৰত আধকৰা কামবোৰ জাপি দি আঁতৰি গ'ল গৈ। তেখেতৰ আত্মাৰ শান্তি প্ৰাৰ্থনা কৰিলোঁ।

*　　*　　*

এনেহেন দুৰ্যোগ পূৰ্ণ বছৰটোতে আমি —বিহাৰৰ ডাঃ সচ্চিদানন্দ সিংহক ৬ মাৰ্চ্চত; ইউছুফ মেহেৰ আলীক জুলাই ২ তাৰিখে, শৰৎ বসুক ২০ ফেব্ৰুৱাৰীত, আৰু লুইতৰ বুকুত নাও ডুবাত ৺জীৱনৰাম ফুকনকে আদি কৰি ছজন দেশ-সেৱীকৰ্ম্মীক হেৰুৱাইছোঁ।····শোক সন্তপ্ত পৰিয়ালবৰ্গ লৈ আমাৰ আন্তৰিক সহানু-ভূতি থাকিল।

*　　*　　*

আগষ্টৰ যোৱা ৬ তাৰিখে অসমৰ জনপ্ৰিয় প্ৰধান মন্ত্ৰী গোপীনাথ বৰদলৈ ডাঙৰীয়া হঠাৎ হৃৎক্ৰিয়া বন্ধ হৈ স্বৰ্গী হোৱাত, অসমৰ তথা ভাৰতৰে এটা সহজে পূৰাব নোৱাৰা ক্ষতি হৈ গ'ল। যি সময়ত তেখেতৰ প্ৰয়োজনীয়তা দেশে বিচাৰিছিলে—সেই সময়তে তেখেত আঁতৰি গ'ল গৈ —এতিয়া তেখেতৰ আধৰুৱা কামৰ ভাৰ পৰিছে নৱনিযুক্ত প্ৰধানমন্ত্ৰী শ্ৰীযুত বিষ্ণুৰাম মেধি আৰু অন্যান্য সহযোগী সকলৰ ওপৰত। আমি আশা কৰো যে, তেখেত সকলে মহান অগ্ৰজৰ আদ-ৰ্শতে অনুপ্ৰাণিত হৈ কাম কৰি যাব।

*　　*　　*

চিত্ৰবনৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আজি আৰু আমাৰ মাজত নাই;—তথাপি আমি তেখেতৰ শিল্পীসুলভ কাৰ্য্যদক্ষতা পাহৰি যাব নোৱাৰো। তেখেতে অসমীয়া সাহিত্যত, নাটত, কবিতাত, গানত ৰঙ্গমঞ্চত—সকলোতে "জ্যোতি দেখুৱাই গৈছে—অসম শাখা গণ-নাট্য সঙ্ঘ জীয়াই তুলি গৈছে বুলি কলেও অত্যুক্তি কৰা নহব।··প্ৰথম অসমীয়া কথা ছবি তেখেতৰ ''জয়মতী'য়ে অসমীয়া স্বায় পৰিচালিত সংস্কৃ-তিৰে ধাট চিবুন কৰি থৈ গৈছে।····আমি, অসমীয়াই তেখেতক সেয়ে পাহৰি যাব নোৱাৰো তেখেত গ'ল সচাঁ;—কিন্তু অসমৰ চুকে কোণে—তেখেতৰ "জ্যোতি" উজ্জ্বলিয়ে আছে—সেয়ে দীৰ্ঘজীৱি হওঁক—এয়ে প্ৰাৰ্থনা।

*　　*　　*

এই যোৱা বছৰটোতে আমাৰো এজন কটনিয়ান বন্ধু ৺নবীন বৰ্মণক আমি হেৰুৱালো। বৰ্মণ আছিল

তৃতীয় বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ। স্বভাৱসুলভ অমায়িক বৰ্মণক কেৱে পাহৰিব নোৱাৰে। বৰ্মণ ছাত্ৰ হিচাবে বেচ মেধাবী আছিল আৰু সাহিত্যতো তেওঁৰ যথেষ্ট হাত আছিল। আমি তেওঁৰ আত্মাৰ শান্তি প্ৰাৰ্থনা কৰিলোঁ। আৰু শোক-সন্তপ্ত পৰিয়ালৈ আমাৰ আন্তৰিক সমবেদনা থাকিল।

*  *  *

## "কটনিয়ান"ৰ বিষয়ে একাষাৰ—

"কটনিয়ান"ৰ এই বছৰেকীয়া সংখ্যাটি আমি গৰম বন্ধৰ আগতে উলিয়াবলৈ যৎপৰোনাস্তি চেষ্টা কৰা সত্ত্বেও আশাতীত ৰূপে পলম হোৱাৰ কাৰণে বন্ধুসকলে যেন আমাক ক্ষমা কৰে। অনেক—অসুবিধাৰ হেঙাৰ সমূখত লৈ আজি আমি "কটনিয়ান"ক ৰাইজৰ মাজলৈ উলিয়াবলৈ সক্ষম হৈছোঁ। অনিচ্ছাকৃত ভাৱেই অনেক ভুল-ক্ৰুটি থাকি গৈছে—বন্ধুসকলে সেইবোৰও যেন ক্ষমা কৰে।—

"কটনিয়ান"ৰ কাৰণে দিয়া তুলনাত—মুষ্টিমেয় পুঁজিৰে এখন সুষ্ঠ বছৰেকীয়া আলোচনী উলিওৱাটো এটা টান কথা। তাতে বছৰেকীয়া প্ৰকাশ এটা 'বুলেটিন'ৰ শাৰীতো পেলাব নোৱাৰি। গৱৰ্ণমেণ্টে যেন আমাৰ স্নায়ু চালনাৰ কেন্দ্ৰ স্বৰূপ "কটনিয়ান" উজ্জ্বলতৰ ভৱিষ্যত কামনা কৰি আৰ্থিক সহায় আৰু সহানুভূতি দেখুৱায়।

....উপৰুক্ত কাৰণতেই অনিচ্ছাকৃত ভাৱেই বাধ্য হৈ এই সংখ্যা "কটনিয়ান"ৰ আকাৰ অলপ সৰু কৰিব লগীয়া হ'ল।

দ্বিতীয়তে কাগজৰ দুষ্প্ৰাপ্যতাৰ কাৰণেই "কটনিয়ান"ৰ প্ৰকাশন কাৰ্য্য ভালেমান দিন স্থগিত ৰাখিব লগীয়া হৈছিল।

আশা কৰোঁ বন্ধু সকলে এই সকলোবোৰৰ কাৰণে ক্ষমা কৰিব।

স্থানাভাৱত কেইবাটাও সুচিন্তিত গল্প-কবিতা-প্ৰবন্ধই "কটনিয়ান"ৰ বুকুত ঠাই নোপোৱাত যেন লিখক বন্ধু কেইগৰাকী নিৰুৎসাহিত নহয়। কটনিয়ানলৈ অনেক গল্প-কৱিতা প্ৰবন্ধ আদি দি সহায় কৰাত বন্ধু সকললৈ আমাৰ আন্তৰিক ধন্যবাদ থাকিল।

সৰ্ব্বশেহত যি সকল কটনিয়ন বন্ধুৱে এতিয়া "কটনিয়ান" নোপোৱাকৈ আছে তেখেত সকলে টিকিটসহ লিখি পঠালেই আমি পঠিয়াই দিম। কটনিয়ানৰ দোষ ক্ৰটিৰ ভাৰ বন্ধু সকল আৰু ৰাইজৰ মাজলৈ এৰি দি আমি বিৰতিৰ পথলৈ আগবাঢ়িলো—৷



THE

COTTONIAN

1951 | Annual Publication | Vol. 27

Editor : Chida Baruah

# UNION SECRETARY'S ADDRESS IN THE FRESHMEN'S SOCIAL.

*Mr. President, ladies and gentlemen present, and my dear Cottonians, old and new,*

At the outset I must thank my Cottonian friends for giving me this opportunity of welcoming into our midst those friends who have newly come over to our institution. I regret that this year we are considerably late in holding this function. The delay was caused by the late holding of the general elections due to a big change that was effected in our Society's Constitution. In the place of the proportional system of election which obtained uptill now, we have introduced the cumulative system. This required a good deal of deliberation and hence the delay. Yet it is a great occasion in our lives and with intense feelings of joy and happiness, I, on behalf of the Cotton College Union Society accord you our hearty welcome.

Dear Freshers, you have come to an institution which has a glorious past, reared and cherished for us by our predecessors. The Cotton College has been a kind of nursery for the Assamese nation, supplying it with Scholars, patriots, martyrs, sufferers, servants, administrators. It has nursed the stamens and carpels of Assam's talents into full-bloomed flowers. But I may kindly be pardoned if I say that the panorama of our recent past gives an aspect no better than a

large patch of penumbral region. True it is that we alone are not responsible for this. A general lowering down of academic standards seems to have over-taken the entire country, and we have not been an exception to this. The changed political set-up in the country created unforseen problems. The values received a rude shake-up. The throes are even now there. It was therefore perhaps inevitable that emphasis did not know where to fall. Yet every thoughtful man knows that it is imposible to bring the desideratum of all—viz. peace and progress for all—without good education. It is time we realized this, and set our education right both externally and internally. Ours is an age of big changes, both nationally and internationally. In Assam and India we have lost many of our big and tall leaders. In the world abroad powers of darkness and destruction stalk murderously over this poor globe! It would seem as if the times themselves are going to pieces! The glamour of atomic fission, clamour of the Korean front frankly bespeak the approach of the third world war. Economic depression and communistic disruption are the other monsters on the scene. The second half of the 20th. century begins with passion, hatred, and ill-will among the nations. It is difficult to say into what evolutonary paths they will lead history. Menacing though these forces are, they are in a sense what humanity itself has suffered to grow and prosper, and as such, every one of us, in varying measures, are responsible. The crisis before us demands of every one of us that we do our duty. But what is that duty? Where is the light? Dear freshers, that light is already ours. India has a distinct message of her own handed down to us by our sages and Rishis—the message of peace and goodwill among men on earth. The message is old, and yet it has already attracted the attention of the war-weary west. If India is to make an abiding contribution for world peace she must move in conformity with her best traditions. In all reforms and movements including the educational, this heritage of India's emphasis upon the spiritual force must be properly laid. Let us not learn to be antithetic to the synthetic culture which is ours.

Friends, I fear, I have tried your patience already by outlining things which you all know better. Let us then vow to set our faces unitedly against the ills of our times. We as students of this College have, within

resticted limits, the most stiff responsibilities. Our institution is the largest of its kind in Assam. We are far more privileged, compared to our fellow collegians of other Colleges. A wrong word or a step on our part may well-nigh be a kind of betrayal of a trust.

Freshers, you have hailed from far and near, from the different parts of Assam and outside. You have brought with you new aptitude for things and attitude to life, new out-look and enlightenment. You have new, varied, and rich potentialities too. Let us all be connected in series and constitute a huge magnanimous potential for the institution we belong to. Let us march forward to peace, progress and enlightenment, in our strength, and in the strength of our forbears. Let me conclude with the poet.

"Let knowledge grow from more to more,
But more of reverence in us dwell."

Dated, the 29th. Jan. '51
Gauhati.

Comradely yours,
**Jiban Chandra Chakravarty.**
General Secretary, Catton College Union Society.

—:0:—

Presented to Cotton College Library
Pradip Saikia

# VAISHNAVITE CYCLE OF SONGS: THE BARGITAS

—Principal Hem Baruah.

Old Assamese Poetry was mainly propagative in purpose and didactic in character. The main feature of Indian literature of the time as a whole like sculpture and art in mediaeval Europe was mainly under the influence of religion. The people of the age, as Pandit Haraprasad Sastri has pointed out "found aesthetic, moral and spiritual food in the personality of Krishna and received the spiritual upliftment and ecstasy which made them forget the horrors of their environment and in some cases brought real and abiding peace to their hearts". The mediaeval age in Indian literature was a healthy epoch ; it was marked not only by an incessant cultural progress, but also by a genuine note of universality and compositeness. According to prof. Humayun Kabir it was an age of cultural fusion and synthesis.

( 2 )

Literatures in the local tongues sought to bring, within the easy reach of the peolpe the treasures to be found in the Puranas, the Epics, the **Gita** and the **Sastras**. The treasures found in the **Sastras**, originally comprehensible to the priviledged intellectual classes alone were given a popular tinge by the provincial poets. The **Ramayana** and the **Mahabharata** were rendered into Assamese verse ; **Sankardeva** translated the **Bhagavata** and composed a corpus of hymns and poems to the glorification of Lord Krishna, while his apostle **Madhabadeva** became not only a great apogee of art and culture, but also a principal factor in disseminating the cardinal principles of the **Bhakti** cult.

( 3 )

Vaishnavism made its mystic influence overwhelm all avenues of

culture, dance, art, poetry, drama, literature etc. The devotional myticism of vaishnavism, for instance vitalised Assamese dance composition. With ecstatic raptures songs composed on the occasion melt into intese emotion which seeks to find spontaneous expression through the lyricism of the limbs : the **Sutrodhara** dance of the **Natakas**; the **Rasa-lila** dance, the **dasawatara** dance etc. are instances in point and even a popular dance as the **Ojapali** could not however escape its inperceptible influence. From the standpoint of the historian of poetry they are essential in the sense that the dance-compositions gave rise to a distinct class of poetical compositions pre-eminently suited to the occasion.

The **Bargits** constitute a distinct class of musical compositions ; in fact, the **Bargits** are music, poetry and religion all combined in one. It is devtional music ; in them poetry and religion melt into music and both mingled together flow finally into the multitudinous sea of the all Beautiful They are as much noted for **naivete** and spontaneity of expression as for spiritual intensity of content. They lift us to a level of experience where the aesthetic and the religious mingle together for a unique spiritual transport.

Life is a perilous sojourn and a strenuous uphill activity ; alone and exposed to the adversity of life, the soul desires salvation ( **Mukti** ) and the mind gets weary seeking for peace. The easiest way of attainment as also the fulfilment of the divine purpose on earth have been revealed through Lord Krishna in th **Gita**. Promising peace and salvation God says:

> Oh Arjuna, concentrate your mind unto me. be my devotee, be my worshipper, bow down to me, I promise, you will obtain Me, dear as you are."

The message of the **Gita** constitutes the core of the **Bargitas** and what is laid down as essential in them is the absolute surrender of self to God.

> "O my Lord, prostrate at thy feet, I lay myself down
> And with a contrite heart beseech thee to save my soul.
> My soul is in the point of perishing through the poison of the venomous serpent of worldly things.
> On this earth all is transitory and uncertain.
> On what shall I place reliance ?

Like a drop of water on a lotus leaf,
the mind is unsteady.
There is no firmness in it.
There is nothing uncertain in Thy grace
and no cause for fear
under the shadow of thy feet.
I, Sankara pray to thee O Hrishikesha,
the dweller in my heart,
to pilot me across this world of trouble.
Turn my head to thee and lead me to thyself,
O Lord of all blessing and all grace,
Vouchafe unto me the truth,
the right path
and Thy kindly guidance.
Saith Sankara, guide me across the vale of sorrow."
[ Sankardeva ]

The devotional songs i.e. the **bargitas** express the ecstatic love of the Vaishnava which realises through its intensity and passion and expression the infinite and immortal. These songs, on the strength of their spiritual passion are often compared with the "noble numbers" of the English poet Herrick; in this connenion it can be said that the classification of songs proposed to be sung is done according to the musical values in them and seldom according to the thought-content. The song of the English metaphysical poets was not a musical composition in the strict sense of the term, meant for the altar. The Assamese **Bargitas** have a distinct musical value; from the standpoint of tunes i.e. **Ragas**, they can properly be classified as classical songs or **Uchchanga Sangita**. The language of these songs is graceful and easy; it is often ornamental and superb; they are saturated with a highly poetic and intellectual content; they are transcendental as the first medialval hymns.

( 4 )

The thematic material of Madhabadeva's songs was often slightly different from that of his **Guru** Sankardeva; nevertheless it had the same spiritual passion and intellectual content. **Brajadhama** is the mytho-poetic land of Srikrishna's **lila**; in his **Bargitas**, Madhabdeva often pictures Lord krishna as a child; they are steeped in mythological atmosphere of childhood gaiety and beauty. Among the grown-ups in the arcadia are the milk-maids ( **Gowalinis** ) of Dwaraka and

Josodadevi, the eternal Madonna. The **Bargitas** often represent a filial attachment unparalleled in all ages. Lord Krishna with his symbolic flute is conceived not as an amorous Youth, a happy melodist, "for-ever piping songs for ever new" but as a child with flute and trinklets, "dancing upon the silver edge of darkness", as it were, to use the words of Percy Mckaye. This on the otherhand does not mean that the central theme of the Vaishnavite divinity is lost sight of ; in one of his **Bargitas**, Madhabadeva sings:

"Listen soul, the mysterious message
that thou art the abode of pure wisdom,
Krishna is eternal, the pure Enlightened one,
the true God,
Forsake not thou His Shelter""
[ Madhabdeva ]

( 5 )

